
# বাজেট বক্তৃতা
# ১৯৫১-৫২

सत्यमेव जयते



শ্রীমতিৰাম বৰা,

বিত্তমন্ত্ৰী, অসম

মার্চ ৯, ১৯৫১

বিত্ত বিভাগ
অসম চৰকাৰ
শ্বিলং

অসম চৰকাৰৰ
প্ৰেছত ছপা হ'ল

মাননীয় অধ্যক্ষ ডাঙৰীয়া,

এক জাতীয় শোকৰ ছাঁত ম্ৰিয়মান হৈ আজি ১৯৫১-৫২ চনৰ আমাৰ ৰাজ্যৰ প্ৰাপ্তি আৰু ব্যয়ৰ বাৰ্ষিক বিৱৰণী আৰু বছেৰেকীয়া আয়-ব্যয়ৰ হিচাব উত্থাপন কৰিবলৈ এই সদনৰ আগত মই ঠিয় হৈছোঁ। আমাৰ অতি প্ৰিয় আগৰ মুখ্য মন্ত্ৰী বৰদলৈ ডাঙৰীয়াৰ মৃত্যু শোকৰ পৰা আংশিকভাবেও ৰেহাই নৌপাওঁতে, আৰু প্ৰবল ভূমিকম্প আৰু বান পানীৰ অশেষ ক্ষতিৰ আংশিক পূৰণ কৰিবলৈ নৌপাওঁতেই, আমাৰ মহান নেতা, আমাৰ দেশৰ চৰ্দ্দাৰ আৰু আমাৰ সপোনৰ স্বাধীনতাৰ খনিকৰ, আমাৰ অতি প্ৰিয় চৰ্দ্দাৰজীৰ মৃত্যুৰ শোক আমি ভুগিব লগা হল। সেই মহান আত্মাৰ অশেষ গুণাৱলী, আমাৰ স্বাধীনতা সংগ্ৰামত তেখেতৰ অতুলনীয় দান আৰু আমাৰ দেশ একত্ৰীকৰণ কাৰ্য্যত তেখেতৰ দানৰ বিষয়ে মই বিশেষ নকলেও হব। আমাৰ দেশৰ হিতৰ অৰ্থে আৰু আমাৰ নানান সমস্যা সমাধানৰ অৰ্থে তেখেতে কিমান ভাবিছিলে আৰু কৰিছিলে সেই কথা সকলোৰে জনাজাত। ভূমিকম্পৰ পিছত হোৱা আমাৰ দুৰ্দ্দশাৰ লাঘৱ কৰিবলৈ তেখেতে যি কাৰ্য্য কৰিছিল তাৰ কাৰণে তেখেতৰ নাম প্ৰতি ঘৰে ঘৰে ঘৰুৱা কথা হৈ পৰিছে। আনকি মৃত্যু শয্যাতো তেখেতে অসমৰ কথা পাহৰিব পৰা নাছিল; আৰু অসম ভূমিকম্প সাহায্যৰ অৰ্থে কিছুমান যাবলগীয়া বস্তু গল নে নাই এই বিষয়ে তেখেতে অনুসন্ধান কৰিছিল। এনে আছিল তেখেতৰ অসমৰ প্ৰতি চিৰকলীয়া আৰু গভীৰ প্ৰেম! তেখেতৰ মৃত্যুত আমি আমাৰ অতি শুভাকাংখী বন্ধুক হেৰুৱালোঁ। সেই মহান আত্মাৰ সন্মানাৰ্থে আজি মই মূৰ দোৱাওঁ; আৰু ভগবানক প্ৰাৰ্থনা কৰোঁ যেন স্বাধীনতাই আমাৰ মূৰত যি গধূৰ বোজা অৰ্পণ কৰিছে সেই বোজা বহন কৰোতে তেখেতৰ আত্মাই আমাক চিৰকাল সহায় কৰে আৰু উচ্ছাহ দিয়ে। মহা সমাজসেৱী আদৰ্শপুৰুষ ঠক্কৰ বাপাৰ বিয়োগতো মই আমাৰ মৰ্ম্মবেদনা জনাওঁ।

আগৰ ৰাজহ মন্ত্ৰী, বৰ্ত্তমান মুখ্য মন্ত্ৰী ডাঙৰীয়াই আগৰ কেই বছৰ বাজেট উত্থাপন কৰোতে দিয়া বক্তৃতাত অসমৰ নানান সমস্যা আৰু আৰ্থিক অসুবিধাৰ কথা খুব ভালকৈ দেখুৱাই গৈছে। তেখেতে অনেকবাৰ আমি কিয় কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ সাহায্য পাব লাগে আৰু কিয় আমাৰ দেশত কেন্দ্ৰীয় চৰকাৰে তোলা কিছুমান কৰৰ অংশ আমাক দিব লাগে এই বিষয়ে খুব ভালদৰে ফঁহিয়াই দেখুৱাইছে। গতিকে সেই বিলাকৰ পুনৰ উক্তি কৰি মই এই সদনক আমনি নকৰো। মাত্ৰ মই কব লাগিব যে প্ৰাকৃতিক দুৰ্ঘটনা আৰু আৰ্ন্তজাতিক পৰিস্থিতিয়ে আমাৰ সমস্যা আৰু গুৰুতৰ কৰি তুলিছে। এই সদনে ভালকৈ উপলব্ধি কৰিব পাৰিব যে বৰ্ত্তমান পৰিস্থিতিত ভাগ্যত যি আছে সেয়ে হব ভাবি অসাজু অৱস্থাত থাকিলে কেইবাখনো পৰৰাষ্ট্ৰৰ সীমাত অৱস্থিত আমাৰ নিচিনা দেশৰ নিৰাপত্তা ৰক্ষা নহয়। সদনে ভালকৈ জানে যে আমাৰ ঘৰুৱা ক্ষেত্ৰতো কিছুমান সমাজদ্ৰোহী ব্যক্তিয়ে খুব কাৰ্য্যতৎপৰ হৈ উঠিছে। এই ব্যক্তি সকলে হিংসামূলক কাৰ্য্যৰে আৰু তেনে কাৰ্য্যৰ ভয় দেখুৱাই সমাজৰ ওপৰত এটা বেলেগ ধৰণৰ জীৱন আৰু সামাজিক প্ৰণালী জাপি দিব খোজে। এই ব্যক্তি বিলাকে কৰা কাৰ্য্যৰ বিষয়ে আৰু তাৰ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে হাতত লোৱা ব্যৱস্থাৰ বিষয়ে মই সদনক অলপ পিছতে কম। এই সকলো বিলাকে আমাৰ সমস্যা আৰু অসুবিধা বিলাকৰ সংখ্যা আৰু গুৰুত্ব বঢ়াইছে।

যোৱা বছৰৰ বাজেট বক্তৃতাত আমাৰ বৰ্ত্তমান মাননীয় মুখ্য মন্ত্ৰীয়ে কৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন মতে আমি আৰম্ভ কৰা উণ্নয়ন কাৰ্য্য বিলাক চলাই থাকিবলৈ লগা খৰছ কেন্দ্ৰীয় চৰকাৰে আমাক দিবৰ কাৰণে আমাৰ গধূৰ যুক্তি আৰু অখণ্ডনীয় দাবী আছে। কিন্তু আমাৰ সেই আশা পূৰণ নহল। এই উণ্নয়ন আঁচনি বিলাক কেন্দ্ৰীয় চৰকাৰে অকল অনুমোদন কৰা নাছিল, তেওঁলোকৰ নিৰ্দ্দেশ মতেহে এই বিলাক আৰম্ভ কৰা হৈছিল। গতিকে ইয়াৰ খৰছ বহন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ এটা নৈতিক দায়িত্ব আছিল। তথাপি আমাৰ দাবী তেখেত সকলে গ্ৰাহ্য নকৰিলে। ফলত এই আঁচনিবিলাক চলাই থকাৰ সম্পূৰ্ণ খৰছ আমাৰ দেশৰ ৰাজহৰ পৰা বহন কৰা হৈছে। আমাৰ নিচিনা অনুন্নত আৰু গুৰুত্বপূৰ্ণ দেশ এখনৰ কাৰণে ৰাইজৰ উন্নতিৰ কাৰণে আৰম্ভ কৰা উণ্নয়ণ আঁচনিবোৰ পৰিত্যাগ কৰা সম্ভৱ নহয়। ভাৰত চৰকাৰে গঠন কৰা আঁচনি সমিতিৰ ওচৰত আমি কিছুমান উন্নয়নমূলক আঁচনি দাখিল কৰিছো। আমি আশা কৰোঁ, অন্ততঃ এইবাৰ আমাৰ স্বকীয়া সমস্যা আৰু অসুবিধা বিলাকলৈ লক্ষ্য

কৰি যাতে আমাৰ আঁচনি বিলাকৰ বিশেষ বিবেচনা কৰে আৰু যাতে আঁচনি সমিতিৰ অনুমোদনেৰে আৰম্ভ কৰা কাৰ্য্য বিলাকৰ যুদ্ধোত্তৰ পৰিকল্পনা কাৰ্য্যৰ ভাগ্য নঘটে। আমাৰ পুজি যদিও তাকৰীয়া আৰু আমাৰ পুজিৰ ওপৰত দাবী অতি গধূৰ আৰু অসংখ্য, তথাপি আমাৰ উন্নয়ন কাৰ্য্য বিলাক পৰিত্যাগ কৰ দূৰৰ কথা, আমি তেনে কাৰ্য্যৰ সংখ্যা আৰু বঢ়াইছোহে। গাৱঁলীয়া ৰাইজৰ উন্নতিমূলক আঁচনিয়ে অন্য সকলো কাৰ্য্যতকৈ আগ ভাগ পাব লাগে আৰু অগ্ৰগামী জগতত আমাৰ দেশ স্থিতিশীল হৈ থাকিব নোৱাৰে। এই দুয়োটা মূল নীতিয়ে আমাৰ কাৰ্য্য সদায় নিৰ্ণয় কৰি আহিছে। শিক্ষা, সামাজিক, আৰ্থিক আৰু অন্যান্য ক্ষেত্ৰত ৰাইজৰ সৰ্ব্বোতমুখী উন্নতি নহলে ৰাজনৈতিক স্বাধীনতা মূল্যহীন।

সংবিধানৰ ২৭৫ ছেদৰ ২ নং উপবন্ধৰ (Proviso) ৰ ণ (খ) অনুচ্ছেদ মতে আমাৰ দেশৰ স্বায়ত্বশাসিত জিলা ছখনৰ উন্নয়নৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰা আঁচনিৰ খৰছ কেন্দ্ৰীয় চৰকাৰে আমাক যোগাব লাগে। সেই অনুপাতে তিনি বছৰত ৮০ লাখ টকা খৰছ হোৱা আৰু চলিত বছৰত ৩০ লাখ টকা খৰছ হোৱাকৈ কিছুমান আঁচনি আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠাইছিলো। আৰ্থিক অনাটনৰ কাৰণে আৰু কম খৰছ হোৱাকৈ আঁচনি কৰিবলৈ কেন্দ্ৰই আমাক নিৰ্দ্দেশ দিছিল। সেই অনুপাতে চলিত বছৰত ২৪ লাখ টক খৰছ হোৱাকৈ আমি আঁচনিবোৰ সংশোধন কৰিছিলো। সুখৰ বিষয় যে কেন্দ্ৰীয় চৰকাৰে এই আঁচনি বিলাক অনুমোদন কৰিছে আৰু চলিত বছৰৰ খৰছৰ কাৰণে ২৪ লাখ টকা মঞ্জুৰ কৰিছে। কিন্তু অনুমোদন আৰু মঞ্জুৰী অহা ইমান পলম হল যে যিমানদূৰ আশা কৰা হৈছিল সিমানদূৰ কাৰ্য্য চলিত বছৰত কৰিব পৰা সম্ভৱ নহব। গতিকে এই ২৪ লাখৰ কিছু টকা ঘূৰাই দিব লাগিব। এই কাৰণে আমি চিন্তিত হৈছিলো। যি কি নহক অলপতে জনজাতীয় বিভাগৰ সচিব আৰু ৰাজহ বিভাগৰ প্ৰতি সচিবে দিল্লীলৈ গৈ এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ বিভাগৰ লগত আলোচনা কৰিছিলে আৰু কিয় আমি সম্পূৰ্ণ টকা খৰছ কৰিব নোৱাৰিম আৰু আমি কিমান অসুবিধাৰ মাজত কাম কৰিব লগা হৈছিল সেই বিষয়ে বুজাই দিছিল। ফলত কেন্দ্ৰীয় চৰকাৰে কথা দিছে যে এই বছৰ ঘূৰাই দিয়া টকা খৰছৰ কাৰণে লাগিলে অহা বছৰলৈ আমাক পুনৰ দিব। গতিকে আশা আছে যে এই উন্নয়ন আঁচনি বিলাক সম্পূৰ্ণ কৰিব পৰা যাব।

সংবিধানৰ ২৭৫ পৰিচ্ছেদৰ ২নং উপবন্ধৰ (Proviso)ৰ (ক) অনুচ্ছেদ মতে সংবিধান আৰম্ভ হোৱাৰ আগৰ দুবছৰত অসমৰ ৬ খন স্বায়ত্বশাসিত জিলাত চৰকাৰী আয়তকৈ যিমান বেচি ব্যয় হৈছিল গড়ে সেই সংখ্যক টকা কেন্দ্ৰীয় চৰকাৰে অসমক দিব লাগে। এই সংখ্যা নিৰ্ণয় কৰোঁতে কেন্দ্ৰীয় চৰকাৰ আৰু আমাৰ চৰকাৰৰ ভিতৰত মতদ্বৈধতা হৈছিল। অনেক লিখা-লিখিৰ পিছত অৰ্থ-বিভাগৰ প্ৰতি-সচিব আৰু জনজাতীয় বিভাগৰ সচিবে দিল্লীত এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ বিভাগৰ লগত আলোচনা কৰিছিল। আলোচনাৰ ফলত আমাৰ দাবী কেন্দ্ৰই নীতিগত হিচাবে মানি লৈছে আৰু লেখা-পৰীক্ষকে সেই সংখ্যা শুদ্ধ বুলি কলে সেই সংখ্যা মানি লবলৈ সন্মত হৈছে। লেখা-পৰীক্ষকৰ পৰা তেনে প্ৰমাণ পত্ৰ লবলৈ কাৰ্য্য চলাই থকা হৈছে।

ভূঁইকঁপ আৰু বানপানীত আমাৰ কিমান ক্ষতি হল সদনৰ মাননীয় সদস্য সকলৰ ভালকৈ জনা আছে। আলি-পদুলি, দলং, চৰকাৰী ঘৰ, শিক্ষানুষ্ঠান, আস্পতাল আদি ভীষণ ভাৱে ক্ষতিগ্ৰস্ত হৈছিল। এই সকলো ক্ষতি পূৰণ কৰা আমাৰ পুজিৰ পক্ষে অসম্ভৱ। গতিকে আমি তিনি কোটি ৪৬ লাখ টকা খৰছ হোৱা ক্ষতি পূৰণৰ আঁচনি এখন কেন্দ্ৰীয় চৰকাৰক দি আৰ্থিক সহায় বিচাৰিছিলো। কেইখনমান নৈৰ ধাৰা নিৰ্ণয় কৰা আৰু চিকিৎসা বিষয়ক কিছু নতুন সুবিধা দিয়া কাৰ্য্যও এই আঁচনিত ধৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে আমাক জনালে যে নদীৰ ধাৰা ঠিক কৰা কাৰ্য্য আৰু নতুন চিকিৎসা সুবিধা দিয়া কাৰ্য্যত কেন্দ্ৰই সহায় কৰিব নোৱাৰে আৰু আমাৰ আঁচনিত মাত্ৰ আলি-পদুলি, দলং, ঘৰ আদি মেৰামত কৰা খৰছহে ধৰিবলৈ নিৰ্দ্দেশ দিলে। সেই মতে আমি তিনি বছৰত ১ কোটি ৪৬ লাখ টকা খৰছ হোৱা আঁচনি এখন পেচ কৰিলোঁ। এই আঁচনি মতে চলিত বছৰত

১৭ লাখ টকা খৰছ হব। মই সদনক জনাবলৈ পাই আনন্দ পাইছো যে কেন্দ্ৰীয় চৰকাৰে এই খৰছৰ আধা বহন কৰিবলৈ নীতিগত ভাৱে স্বীকাৰ কৰিছে আৰু চলিত বছৰৰ কাৰ্য্যৰ আঁচনি অনুমোদন কৰিছে। গতিকে এই বছৰ আমি ১৭ লাখ টকা খৰছ কৰিলে প্ৰায় ৯ লাখ টকা কেন্দ্ৰৰ পৰা পাম। অহা বছৰৰ কাৰ্য্যৰ আঁচনিৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে আৰু কিছুমান বিতং খবৰ বিচাৰিছে আৰু সেই বিলাক দিয়া হৈছে। যি হওক আমাৰ প্ৰতিনিধি সকলৰ সৈতে আলোচনা প্ৰসঙ্গত কেন্দ্ৰীয় চৰকাৰে আমাৰ আঁচনি **মোটামুটি ভাৱে অনুমোদন** কৰিছে। আশা কৰা যায় অহা বছৰৰ খৰছৰ আধা ভাগ হিচাবে আমি কেন্দ্ৰৰ পৰা অহা বছৰ ৪৬ লাখ টকা পাম। অসমৰ প্ৰজাবৃন্দৰ, এই সদনৰ আৰু অসম চৰকাৰৰ হৈ আমাক দিবখোজা সহায়ৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক আমাৰ আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু আশা কৰো আমাৰ দুৰৱস্থা আৰু দুৰ্দ্দশালৈ চাই কেন্দ্ৰীয় চৰকাৰে আমাৰ সকলো আঁচনিৰ প্ৰতি দয়াপূৰ্ণ বিবেচনা দৰ্শাব। আমি আশা কৰিছো যে নতুন সংবিধান মতে গঠন কৰিবলগীয়া বিত্ত-আয়োগ (Finance Commission) সোনকালে গঠিত হব আৰু আমাৰ দেশক উন্নতি মূলক আৰু স্বাধীন ভাৱে চলিব পৰাকৈ আৰ্থিক সাহায্য পোৱাৰ বিধান কৰিব। এই আয়োগ এতিয়াও গঠিত হোৱা নাই আৰু আৱশ্যকীয় অধিনিয়ম এতিয়াও গৃহীত হোৱা নাই। আমি আশা কৰোঁ এই আয়োগ সোনকালে গঠিত হব আৰু আমি পাবলগীয়া সহায়ৰ পৰা আৰু বেচি কাল বঞ্চিত নহম। আমাৰ বক্তব্য আৰু যুক্তি আয়োগৰ আগত পেচ কৰিবলৈ আমাৰ ফাললৰ পৰা সকলো যোগাৰ কৰা হৈছে।

১৯৪৯-৫০ চনৰ পৰা ১৯৫১-৫২ চনলৈ ৰাজ্যৰ বিত্তীয় অৱস্থাৰ কথা কোৱাৰ আগতে চলিত বছৰৰ আমাৰ বিভিন্ন বিভাগৰ কাৰ্য্যৰ মূলধাৰা বিলাকলৈ মই আঙুলিয়াব খোজোঁ।

**কৰাদায়ক ব্যৱস্থা** :—"১৯৫০ চনৰ অসম বিক্ৰীকৰ (সংশোধনী) অধিনিয়ম" আৰু "১৯৫০ চনৰ অসম আমোদ আৰু জুৱাকৰ (সংশোধনী) অধিনিয়ম" ১৯৫০ চনৰ পহিলা এপ্ৰিলৰ পৰা বলবৎ কৰা হল। এই দুয়ো শ্ৰেণীৰ কৰৰ পৰা বেচি ৰাজহ তোলাই এই দুই সংশোধনীৰ উদ্দেশ্য আছিল আৰু কাৰ্য্যতঃ বেচি ৰাজহ পোৱাও হৈছে। বিক্ৰী কৰৰপৰা যোৱা বছৰৰ প্ৰথম ৫ মাহত যিমান টকা পোৱা হৈছিল এই বছৰৰ প্ৰথম ৫ মাহত তাতোকৈ ৮ লাখ, ৭৫ হাজাৰ ৫২৭ টকা বেচি পোৱা হৈছে। আমোদ আৰু জুৱা কৰৰ পৰা যোৱা বছৰৰ তুলনাত এই বছৰৰ প্ৰথম ৫ মাহত ৪০ হাজাৰ ২১ টকা বেচি পোৱা হৈছিল। ১৯৫০ চনত সংশোধনী অধিনিয়ম কৰি ন্যায়ালয় দেয় আৰু মুদ্ৰাঙ্ক দেয় বৰ্দ্ধিত কৰা হৈছিল; আৰু এই বৰ্দ্ধিত হাৰ ১৯৫০ চনৰ প্ৰথম এপ্ৰিলৰ পৰা বলৱৎ কৰা হৈছিল। যোৱা বছৰৰ তুলনাত এই বছৰৰ প্ৰথম পাঁচ মাহত এই দুই শিতানত এক লাখ ২১ হাজাৰৰো বেচি কৰ পোৱা হৈছে। ১৯৫০ চনৰ অসম বিত্তীয় অধিনিয়মত ধাৰ্য্য কৰা হিচাবে কৰ লগোৱাত কৃষি আয়কৰৰ শিতানত যোৱা বছৰৰ তুলনাত এই বছৰৰ প্ৰথম ৭ মাহত ৫ লাখ টকা বেচি ৰাজহ পোৱা হৈছে।

কৰ আদায়কাৰী বিভাগ পুনৰ গঠন কৰিলে আৰু বিষয়াৰ সংখ্যা বঢ়ালে কৰ চোৰাং কৰা আৰু কমিব আৰু আয় বেচি হবৰ সম্ভাৱনা। গতিকে এই বিভাগ পুনৰ গঠন কৰিবলৈ আৰু বিষয়াৰ সংখ্যা বঢ়াবলৈ কাৰ্য্য হাতত লোৱা হৈছে। সংবিধানৰ চাৰি কোণাৰ ভিতৰত ৰাখিবৰ কাৰণে অসম বিক্ৰীকৰ অধিনিয়ম সংশোধিত কৰিবলৈ এটা প্ৰস্তাৱ এই সদনৰ আগত এই অধিবেশনতে উত্থাপন কৰা হ'ব। এই সংশোধনী গৃহীত হলে আমাৰ কিছু ৰাজহ ত্যাগ কৰিব লাগিব। অন্ততঃ এই ক্ষতি পূৰণ কৰিবলৈকে বেচি ৰাজহ আদায় কৰিবলৈ কৰ বিভাগ বলীষ্ঠ কৰিব লগীয়া হৈছে।

বৃত্তি ব্যৱসায় নিয়োগ আদিৰ ওপৰত কৰ লগোৱা ব্যৱস্থা অকল অসম আৰু মধ্য-প্ৰদেশতহে আছে। সৈনিক বিভাগৰ বিষয়া সকল অসম আৰু মধ্যপ্ৰদেশত নিযুক্ত হ'লেহে এই কৰ দিব লগাত পৰে। গতিকে তেওঁলোকে অসমত নিযুক্ত হোৱাৰ কাৰণেই বেছিকৈ কৰ দিবলগীয়াত অসন্তোষ প্ৰকাশ কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰেও এই বিষয়ে বিবেচনা কৰিবলৈ আমাক অনুৰোধ কৰিছিল। আমাৰ দেশৰক্ষাত সৈনিক সকলৰ কাৰ্য্য গুৰুত্বপূণ। আমাৰ দেশত ভুঁইকঁপ আৰু বানপানীতো সৈনিক সকলে অতি চমৎকাৰ কাৰ্য্য কৰিছে। এই

সকলো বিলাক ভাবি যোৱা চেপ্টেম্বৰ মহীয়া অধিনিয়ম সংশোধন কৰি সৈনিক সকলক এই কৰৰ পৰা ৰেহাই দিয়া হৈছে। সৈনিক সকলৰ দোকান আদিকো বিক্ৰী কৰৰ পৰা ৰেহাই দিয়া হৈছে। সৈনিক সকলৰ মঙ্গলৰ অৰ্থে আয়োজন কৰা আমোদ প্ৰমোদৰ দৰ্শনীৰ ওপৰত আমোদ কৰ লগোৱা বন্ধ কৰা হৈছে। শ্বিলঙৰ গেৰিছন চিনেমা হলত সৈনিকৰ পোছাকেৰে সৈনিকে চিনেমা চালে আমোদকৰ দিব নলগীয়া ব্যৱস্থা কৰা হৈছে।

অসমত বিমান চলাচল বেছি কৰাৰ আৱশ্যক; আৰু অসমত বিমান চলোৱা বিমান কোম্পানী বিলাকৰ যথেষ্ট আৰ্থিক ক্ষতি হৈছে। গতিকে বিমান বিলাকে পোৱা তেলৰ ওপৰত বিক্ৰীকৰ নলবলৈ কেন্দ্ৰীয় চৰকাৰে আমাক অনুৰোধ কৰি আছিল। গতিকে সেই কৰৰ আধা ৰেহাই দিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছিল। কিন্তু সম্পূৰ্ণ ৰেহাই দিবলৈ কেন্দ্ৰীয় চৰকাৰে ধৰি আছে। বিষয়টো এতিয়াও বিবেচনাধীন।

**ৰাজহঃ**—এই চৰকাৰ ৰাইজৰ চৰকাৰ। গতিকে ভূমিহীন প্ৰজাক ভূমি দিয়াৰ আৱশ্যকতাৰ বিষয়ে চৰকাৰ সদায় সজাগ। ১৯৪৬ চনৰ পৰা ভূমিহীন আৰু বানপানী পীড়িত মানুহক চৰকাৰী মাটিত বহুৱাবলৈ স্থানীয় বিষয়া সকলক চৰকাৰে নিৰ্দ্দেশ দি আহিছে। ১৯৫০ চনৰ এপ্ৰিল মাহৰ পৰা ডিছেম্বৰ মাহলৈকে ৯ হাজাৰ ৮৩৯ বিঘা গাঁৱলীয়া চৰণীয়া পথাৰত আৰু ২৯ হাজাৰ ১৭৪ বিঘা চৰকাৰী চৰণীয়া পথাৰত ভূমিহীন প্ৰজাক স্থাপন কৰা হৈছে। তাৰ উপৰি ১৯৫০ চনৰ চেপ্টেম্বৰ মাহলৈকে ৩৭ হাজাৰ ২৯০ বিঘা মাটি, ছহেজাৰ তিনিশ ভূমিহীন মানুহক দিয়া হৈছে। ভুঁইকঁপ আৰু বানপানীৰ কাৰণে এনে ভূমিহীন মানুহৰ সংখ্যা আৰু বাঢ়িল। এই দুৰ্দ্দশাগ্ৰস্ত মানুহ বিলাকক সহায় কৰিবলৈ ৰূপালি, বৰবিল আৰু বগানদী চৰকাৰী চৰণীয়া পথাৰত আৰু বোকানদী, গামনদী, নেমুটেঙা আৰু সোৱণশিৰী জংঘল ৰিজাৰ্ভৰ ৪৫ হাজাৰ বিঘা মাটি খুলি দিবলৈ চৰকাৰে লক্ষীমপুৰ জিলাৰ উপায়ুক্ত আৰু উত্তৰ লক্ষীমপুৰ মহকুমাৰ উপ-বিভাগীয় পদাধিকাৰীক অতি সোনকালে নিৰ্দ্দেশ দিছিল। এই খুলি দিয়া মাটিত পুনৰ-বসতিৰ কাম চলি আছে।

এই বছৰত বৰজাৰি আৰু যোবাজান চৰকাৰী চৰণীয়া পথাৰৰ পৰা ৬ হেজাৰ ২৩০ বিঘা মাটি কাটি লোৱা হৈছে আৰু উন্নয়ন নিৰিখ আঁচনিৰ (Development Rate Scheme) অধীনত পট্টন দিয়া হৈছে। এই আচঁনিৰ অধীনত যোৱা বছৰ মঙ্গলদৈ মহকুমাত ১৩ হাজাৰ বিঘা মাটি খুলি দিয়া হৈছে। ভূমিহীন থলুৱা প্ৰজাই গঠন কৰা দুখন সমবায় সমিতিক ১০শ বিঘা মাটি দিয়া হৈছে। এই বছৰ এই অঞ্চল বিলাকত খোৱাপানী আৰু চিকিৎসাৰ সুবিধা যোগান দিবলৈ আৰু ট্ৰেক্টৰ যোগে খেতি কৰিবলৈ এক আচঁনি তৈয়াৰ কৰা হৈছে।

পূব-বঙ্গৰ পমুৱাক মাটি দিবলৈ লাইন প্ৰথা চলিত দিনত বৃটিছ চৰকাৰে এটা উপনিবেশ ব্যৱস্থা প্ৰচলন কৰিছিল। নগাওঁ আৰু দৰং জিলাত এই ব্যৱস্থা চৰকাৰে বন্ধ কৰিলে আৰু বৰপেটা মহকুমাতো এই প্ৰথা বন্ধ কৰা হৈছে।

**ভগনীয়াৰ সংস্থাপন**:—ওপৰত দেখুৱা মতে থলুৱা ভূমিহীন প্ৰজাক মাটি দিয়াৰ বাহিৰেও ভগনীয়া প্ৰজাক বহুত ঠাইত মাটি দিয়া হৈছে। অকল বৰপেটা মহকুমাৰ বাঘবৰ ভূমিক্ষেত্ৰতে এওঁ লোকৰ ২৮ হাজাৰ বিঘা মাটি দিয়া হৈছে।

**বন্দোৱস্তিঃ**—১৯৪৮ চনত আৰম্ভ কৰা কাছাৰ জিলাৰ আৰু গুৱাহাটী নগৰৰ বন্দোবস্তিৰ কাম তালিকা মতে আগ বাঢ়িছে। কামৰূপ, দৰং, নগাওঁ আৰু শিৱসাগৰ জিলাৰো কিছু অংশত বন্দোৱস্তিৰ কাম এই জাৰকালি আৰম্ভ কৰা হৈছে। একে ধৰণৰ মাটিৰ ওপৰত লগোৱা কৰৰ কম বেছি থকা কাৰণে অনেক অসুবিধা স্বত্বেও এই কাম আৰম্ভ কৰা হৈছে।

**জমিদাৰীঃ**—এই সদনে ১৯৪৯ চনৰ মাৰ্চ মাহত গ্ৰহণ কৰা অসম জমিদাৰী অধিগ্ৰহণ অধিনিয়মখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ কাৰণে ভাৰত চৰকাৰলৈ পঠোৱা হৈছিল। কেইটামান বিষয়ে কিছু সংশোধন কৰিবলৈ উপদেশ দি ৰাষ্ট্ৰপতিয়ে এই অধিনিয়মখন ঘূৰাই দিছে।

এই মতে এই সদনে সেই সংশোধনী বিলাকৰ বিষয়ে বিবেচনা কৰিবৰ কাৰণে মহামান্য ৰাজ্যপালে এই অধিনিয়ম পঠাই দিছে। এই অধিবেশনতে সদনৰ আগত এই অধিনিয়ম আৰু প্ৰস্তাৱিত সংশোধনী বিলাক উত্থাপিত কৰা হ'ব।

এই অধিনিয়ম মতে জমিদাৰী বিলাক অধিগ্ৰহণ কৰা নহয় মানে অসম সম্পদা পৰিচালনা অধিনিয়ম মতে গৌৰীপুৰ, বিজনী আৰু চাপৰ জমিন্দাৰী পৰিচালনা ১৯৫০ চনৰ ১৬ জুনৰ পৰা অসম চৰকাৰে লবলৈ থিৰ কৰিছিল আৰু আৱশ্যকীয় আদেশো দিয়া হৈছিল। কিন্তু মালিক সকলে দাখিল কৰা আপীলৰ নিষ্পত্তি নহয় মানে চৰকাৰে পৰিচালনা হাতত লোৱা অসমৰ মাননীয় উচচ ন্যায়ালয়ে বন্ধ কৰিলে।

## "অসম ৰেভিনিউ ফ্ৰি ষ্টেট লেণ্ড গ্ৰাণ্ট এক্ট, ১৯৪৮"

এই আইন মতে ৰাজহবিহীন পতিত মাটিৰ আৰু ফি চিম্পল গ্ৰাণ্ট বিলাকৰ ১৯৪৮-৪৯ আৰু ১৯৪৯-৫০ চনৰ কাৰণে একৰত ১৲ টকাকৈ ৰাজহ লগোৱা হৈছিল। কিন্তু ১৯৫০ চনৰ ১ এপ্ৰিলৰ পৰা সেই বিলাক মাটিৰ খাজনা ওচৰা-ওচৰি অন্যান্য মাটিৰ খাজনাৰ লগত সমান কৰা হৈছে।

অসম ভূমি অধি অৰ্জ্জন আৰু অধিগ্ৰহণ অধিনিয়ম অনুসাৰে ৭১ হাজাৰ বিঘাৰো অধিক মাটি চাহ বাগিছা বিলাকৰ পৰা অধি অৰ্জ্জন কৰা হৈছে। যোৱা জানুৱাৰী মাহৰ ৩১ তাৰিখ পৰ্য্যন্ত সোতৰশ তিনিজন থলুৱা ভূমিহীন আৰু বানপানী পীড়িত মানুহক ১৫ হাজাৰ ৪০৯ বিঘা মাটি দিয়া হৈছে আৰু ২,০০১ জন ভগনীয়াক ২৭ হাজাৰ ৬৮৯ বিঘা মাটি দিয়া হৈছে। এই অধিনিয়ম মতে স্থানীয় বিষয়া সকলে আৰু মাটি অৰ্জ্জন কৰি আছে।

নগৰবাসী ৰায়ত সকলৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে বাচনি সমিতিয়ে সংশোধন কৰা মতে অসম অকৃষি নগৰ অঞ্চলৰ প্ৰজা বিষয়ক বিধেয়ক যোৱা চেপ্টেম্বৰ অধিবেশনত এই সদনে গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰপতিৰ সন্মতিৰ অৰ্থে এই বিধেয়ক খনে অপেক্ষা কৰিছে।

মৰি যোৱা মাছৰ মহল বিলাক পুনৰ উন্নয়ন কৰিবৰ অৰ্থে পৰিত্যক্ত আৰু পুৰণা পুখুৰি বিলাক ব্যৱহাৰ কৰিবৰ অৰ্থে, বৰ্ত্তমান থকা মাছৰ মহল বিলাক ৰক্ষা কৰিবৰ অৰ্থে, পানী-মেটেকা গুচাবৰ অৰ্থে আৰু মাছ-মৰা কেই-মাহমান বন্ধ কৰিবৰ অৰ্থে মাছ মহল সম্পৰ্কীয় নিয়ম বোৰ আৰু উপদেশ বোৰ সংশোধন কৰা হ'ল। নতুন নিয়ম বিলাক ৰাইজৰ মতামতৰ অৰ্থে প্ৰকাশ কৰা হৈছিল। প্ৰাপ্ত মতামত বিলাক বৰ্ত্তমান বিবেচনাধীন।

বানপানী আৰু অন্য প্ৰাকৃতিক দুৰ্য্যোগত সহায় দিবলৈ মূল বাজেটত ১ লাখ দহ হাজাৰ টকা ধৰা হৈছিল। ভূমিকম্পৰ পিচত হোৱা দুৰ্য্যোগৰ কাৰণে আৰু দহলাখ পয়সত্তৰ হাজাৰ টকা মঞ্জুৰ কৰা হল। কৃষি ঋণৰ কাৰণেও মূল বাজেটত ২ লাখ ৫৫ হাজাৰ টকা আছিল। পাছত তাৰ লগত আৰু দহ লাখ যোগ দিয়া হল। ১১ জানুৱাৰী পৰ্য্যন্ত ২ লাখ ৭৮ হাজাৰ ২৭২ টকা সাহাৰ্য্যৰ অৰ্থে দান কৰা হেছে আৰু কৃষি ঋণ হিচাবে ৭ লাখ ছয় হাজাৰ ২৫০ টকা দিয়া হৈছে। এই দুই শিতানত আৰু দাবী দৈনিক আহিয়েই আছে আৰু আশা কৰা যায় যে সম্পূৰ্ণ টকা এই বছৰতে খৰছ হ'ব। ভূমিকম্প আৰু বানপানীত দুৰ্দ্দশাগ্ৰস্ত প্ৰজাৰ পৰা খাজনা মাফৰ কাৰণে দৈনিক আবেদন আহি আছে আৰু চৰকাৰে সেই বিলাক সহানুভূতিৰে পৰীক্ষা কৰিছে।

**গড়কাপ্তানি বিভাগঃ**—যুদ্ধোত্তৰ পৰিকল্পনাত যিবিলাক আলি পদূলিৰ কাম হাতত লৈ আনুমানিক খৰছৰ শতকৰা ৪৯ ভাগ খৰছ কৰা হৈছিল আৰু যিবিলাক আলি-পদূলিৰ কাম

যুদ্ধোত্তৰ পৰিকল্পনাৰ মঞ্জুৰী বন্ধ কৰাত স্থগিত ৰাখিব লগায়া হৈছিল সেইবিলাক আলি-পদূলিৰ কাম কেন্দ্ৰীয় আলি-পদূলি পুজিৰ আমাৰ ভাগৰ পৰা খৰছ কৰি আৰম্ভ কৰিবলৈ সিদ্ধান্ত কৰা হয়। কেন্দ্ৰীয় চৰকাৰে আমাৰ প্ৰস্তাৱ মানি লয়। এই বিলাক ৰাস্তা সম্পূৰ্ণ কৰোঁতে ৫৭ লাখ টকা খৰচ হ'ব। কেন্দ্ৰীয় চৰকাৰে আগৰ শ্বিলং-শিলচৰ ৰাস্তাৰ কাম আৰু তাৰ খৰছৰ অংশ বন্ধ কৰি দিয়াত কেন্দ্ৰীয় ৰাস্তা পুজিৰ আমাৰ অংশৰ পৰা ৫ লাখ টকা খৰছ কৰি এই ৰাস্তা খৰালি মটৰ চলাচল কৰি ৰাখিবলৈ আমাৰ চৰকাৰে সিদ্ধান্ত কৰে। ওপৰত কোৱা ৫৭ লাখেৰে কি কি ৰাস্তা কৰা হব তাৰ বিতং বিৱৰণ (ক) সূচীপত্ৰত দেখুৱা হৈছে।

স্বায়ত্বশাসিত জিলা ছয় খনত ৰাস্তা পদুলি উন্নয়ন কৰিবলৈ সংবিধানত ২৭৫ ধাৰামতে এই বছৰৰ খৰছৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১১ লাখ ৩০ হাজাৰ টকা মঞ্জুৰ কৰিছে।

বেছি ধান হোৱা ঠাই বিলাকৰ পৰা ধান অনা-নিয়াৰ সুবিধাৰ কাৰণে সেই ঠাই বিলাকৰ যোগাযোগৰ উন্নতিৰ এটা পৰিকল্পনা হাতত লোৱা হৈছে। এই ৰাস্তা বিলাকত ১৫ লাখ টকা খৰচ হ'ব। এই বছৰ খৰছ হব ৭ লাখ টকা। এই ১৫ লাখ টকা আমি পাবলগীয়া খাদ্য পুৰস্কাৰ নিধিৰ পৰা খৰছ কৰা হব। ৰাস্তাবিলাকৰ সবিশেষ (খ) সূচীপত্ৰত দিয়া হৈছে।

অধিক শস্য কৰিবলৈ কিছুমান খনন আৰু মথাউৰি সম্পৰ্কীয় কাৰ্য্য হাতত লোৱা হৈছে। এই কাৰ্য্য বিলাকৰ বাবে ১৯৫৩ চনৰ মাৰ্চ্চ মাহলৈকে ৩ বছৰত ১ কোটি ৬ লাখ টকা খৰছ হব।

**যুদ্ধোত্তৰ পৰিকল্পনাঃ—যোগাযোগ** —১৯৪৬ চনত পাঁচ বছৰত ৫ কোটি টকা খৰচ হোৱাকৈ আলি-পদুলি উন্নয়নৰ এখন আঁচনি কৰা হৈছিল। ১৯৪৮ চনত কাম আৰম্ভ কৰোঁতে চলিত বস্তুৰ দাম আৰু মানুহৰ হাজিৰাৰ হিচাব ধৰি এই আঁচনিৰ খৰছ ৭ কোটি ৬০ লাখ হব বুলি হিচাবত পোৱা হৈছিল। এই আঁচনি মতে কিছুমান নতুন ৰাস্তা সজা, কিছুমান পুৰণা ৰাস্তা ভাল কৰা আৰু বহুত দলং সজা কাম হাতত লোৱা হৈছিল। এই আঁচনি মতে ৫২৫ মাইল বে-চৰকাৰী ৰাস্তা আৰু ১৪শ মাইল গাৱঁলীয়া ৰাস্তাৰো উন্নতি পৰিকল্পনা কৰা হৈছিল। আৰু ২২৫ খন এশ ফুট বা ততোধিক দীঘল দলং সজাৰ কথা হৈছিল।

১৯৪৬-৪৭ চনত এই কাম বিলাক আৰম্ভ কৰা হৈছিল; কিন্তু দেশ বিভাগৰ কাৰণে ১৯৪৭ চনৰ জুলাই মাহত কাম কিছু দিনলৈ বন্ধ কৰিব লগীয়া হৈছিল। ১৯৪৭ চনৰ নবেম্বৰ মাহত কাম পুনৰ আৰম্ভ কৰা হয়। কিন্তু কাৰিকৰী লোকৰ অভাৱ, বিলাতি মাটি, লোহা আদিৰ অভাৱ, ৰেলপথৰ অসুবিধা আৰু বনুৱাৰ অভাৱৰ কাৰণে আশানুৰূপে কাম আগবাঢ়িব পৰা নাছিল। তথাপি ১৯৪৮ চনৰ শেহলৈকে মুঠ ১,০৪০ মাইল ৰাস্তাৰ কাম হৈছিল। ইয়াৰ ভিতৰত সমতল অঞ্চলত ২৪৭ মাইল বেচৰকাৰী ৰাস্তা আৰু ৫১৯ মাইল গাৱঁলীয়া ৰাস্তা আৰু পাহাৰী অঞ্চলত ২৭৪ মাইল ৰাস্তা পৰিছিল। ৭৮ মাইল জুৰি মেধিপাৰা-ফুলবাৰী-টুৰা ৰাস্তা ১৯৪৮-৪৯ চনত মটৰ চলাচলৰ কাৰণে খোলা হয়, ১৩ মাইল ৰাস্তাত আলকাত্ৰা দিয়া হয় আৰু ১৯৭ মাইলত শিল দিয়া হয়। চাৰিশ মাইল ৰাস্তা নতুন মাটি দি ওখ আৰু বহল কৰা হয়, আৰু চাৰিশ মাইলত কাম বিভিন্ন খাপত হৈছিল। তেনেতে ১৯৪৯ চনৰ জানুৱাৰী মাহত যুদ্ধোত্তৰ পৰিকল্পনা মঞ্জুৰী হ্ৰাস কৰা হোৱা বাবে কাম ঢিলাই দিব লগীয়া হয়, আৰু সেই মঞ্জুৰী বন্ধ হোৱাৰ বাবে সেই বছৰতে মে' মাহত কাম একেবাৰে বন্ধ কৰিব লগীয়া হয়।

সমতলৰ জনজাতীয় অঞ্চলত ৰাস্তাৰ উন্নতি কৰিবলৈ ৩০ লাখ টকা খৰচৰ এখন আঁচনি কৰা হৈছে। এই আঁচনি বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ অপেক্ষাত আছে। এই পৰিকল্পনাত তলত নাম দিয়া ৰাস্তা কেইটা লোৱা হৈছে।

দৰং জিলা—

ৰৌতা-ওবাং ৰাস্তা—৭ মাইল।

কামৰূপ জিলা—

নাগ্ৰিজুলি-আটাৰিখাত ৰাস্তা—৯ মাইল।

বৰমাৰা-ধমধমা ৰাস্তা—৭ মাইল।

জালাহ-ককলাবাৰী ৰাস্তা—১৩ মাইল।

গোৱালপাৰা জিলা—

চাপাগুৰি-গৰুভাসা ৰাস্তা—১৭ মাইল।

চিদ্‌লী-বাসুগাওঁ ৰাস্তা—৬ মাইল।

বাঁচবাৰী-জলদোবা-তামাৰহাত ৰাস্তা—১২ মাইল।

লক্ষীমপুৰ জিলাঃ—

চালধোৱা-সোণাৰী গাওঁ ৰাস্তা—৩২ মাইল।

মই আনন্দেৰে জনাওঁ যে শ্বিলঙৰ পৰা শিলছৰলৈ জোৱাই আৰু হাফলঙৰ ভিতৰেদি যোৱা দীঘলীয়া ৰাস্তাৰ পৰিৱৰ্ত্তে শ্বিলং-জোৱাই-বদৰপুৰ হৈ ১৩২ মাইল দীঘল এটা ৰাস্তা ভাৰত চৰকাৰে কৰিবলৈ ভাৰ লৈছে। ইয়াৰ সমুদায় খৰছ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব।

১৯৪৯ চনৰ অক্টোবৰ মাহলৈকে শিলং-শিলছৰ ৰাস্তাত যিমান খৰছ হৈছিল তাৰ দুই-তৃতীয়াংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰিবলৈ সন্মত হৈছে। তাৰ বাবদ ৮৬ লাখ টকা অসমক দিছে।

মটৰ কৰ নিধিৰ পৰা খৰছ কৰি তলত দিয়া ৰাস্তা বিলাকৰ কাম চলিত বছৰত চৰকাৰে হাতত লৈছে। চলিত বছৰত তাৰ কাৰণে ৩ লাখ টকা আছে।

| | | টকা |
|---|---|---|
| (১) | শিৱসাগৰৰ বাবুপটী ধাই আলিৰ এক অংশৰ উন্নতি ... | ২৯,-২৯৲ |
| (২) | মোহন বাৰী বিমান ঘাটিৰ ৰাস্তাৰ এক অংশৰ উন্নতি ... | ২০,০০০৲ |
| (৩) | যোৰহাটৰ জগন্নাথ বৰুৱা ৰাস্তাৰ এক অংশৰ উন্নতি ... | ৭৮,৪৮৫৲ |
| (৪) | ধোদৰ আলিৰ দুয়োকাষে পকা নৰ্দ্দমা সজা ... | ৭,৩০৫৲ |
| (৫) | যোৰহাটৰ ন-আলিৰ এক অংশ ... ... | ২৭,০০০৲ |
| (৬) | নলবাৰী-ধমধমা ৰাস্তাত শিল দিয়া ... ... | ৫০,০০০৲ |
| (৭) | হাজো-মোকালমুৱা ৰাস্তাৰ উণ্নতি ... ... | ১,০০,০০০৲ |
| (৮) | শালমৰা-অভয়াপুৰী ৰাস্তাৰ উন্নতি ... ... | ২৫,০০০৲ |
| (৯) | মঙলদৈ-টংলা ৰাস্তাৰ এক অংশত আলকতৰা দিয়া ... | ৩০,০০০৲ |
| (১০) | বদৰপুৰৰ এচ, টি, ৰ'ডত শিল আৰু আল্‌কতৰা দিয়া ... | ১২,৮০০৲ |

(ক) সূচীত দেখুৱা ৰাস্তাৰ বাহিৰেও আমাৰ ৰাজহৰ পৰা তলত দিয়া ৰাস্তা কেইটাৰ অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিবলৈ খৰচ মঞ্জুৰ কৰা হৈছে।

| | | |
|---|---|---|
| (১) আমিনগাওঁ-হাজো ৰাস্তা ... ... | | কামৰূপ জিলা। |
| (২) পাঠশালা-সৰ্থেবাৰী ৰাস্তা ... ... | | |
| (৩) নামটি-মঙ্গলপুৰ ৰাস্তা ... ... | | |
| (৪) ধোদৰ আলি ... ... ... | | শিৱসাগৰ জিলা। |
| (৫) বৰপাত্ৰ আলি ... ... ... | | |
| (৬) বাচনঘাট-ভাৰাগাওঁ ৰাস্তা ... ... | | নগাওঁ জিলা। |

এই কেইটা ৰাস্তাৰ কামত চলিত বছৰত এক লাখ ৯০ হাজাৰ আৰু সৰ্বমুঠ ১৩ লাখ ২২ হাজাৰ টকা খৰচ হব।

ইয়াৰ বাহিৰেও ৩৩ লাখ ৬২ হাজাৰ খৰচ কৰি ১৪ টা নতুন ৰাস্তাৰ উন্নতি কৰিবলৈ চৰকাৰে চলিত বছৰত খৰচ মঞ্জুৰ কৰিছে। এই খৰচ আমাৰ ৰাজহৰ পৰা হব। চলিত বছৰত ডেৰ লাখ টকা খৰচ হব। সবিশেষ (গ) সূচী পত্ৰত দিয়া হৈছে।

ভূমিকম্প আৰু বানপানীত কিছুমান ৰাস্তাত ভীষণ ক্ষতি হৈছিল। তলত নাম দিয়া ৰাস্তা কেইটা ভালদৰে মেৰামতি কৰাৰ কাম চলি আছে।

| ৰাস্তাৰ নাম | সৰ্বমুঠ খৰচ টকা | চলিত বছৰত খৰচ টকা |
|---|---|---|
| (১) লক্ষীমপুৰ আৰু চালধোৱাৰ মাজৰ উত্তৰ গড় আলি। | ৭,০০,০০০৲ | ১,৫০,০০০৲ |
| (২) লক্ষীমপুৰ আৰু নাৰায়ণপুৰৰ মাজত উত্তৰ গড় আলি। | ৩,৭৬,৫০০৲ | ১,৫০,০০০৲ |
| (৩) উত্তৰলক্ষীমপুৰ-কমলাবাৰী ৰাস্তা ... | ৩,৭২,০০০৲ | ১,০০,০০০৲ |
| (৪) ৰাঙিজান ৰাস্তা ... ... | ৫০,০০০৲ | ১৫,০০০৲ |
| (৫) বিহপুৰীয়া-বদতি ৰাস্তা ... ... | ৭,৪০০৲ | ৭,৪০০৲ |
| (৬) গুমুজান-মৰকুকচেলেং ৰাস্তা ... | ৩,৩০,০০০৲ | ১,৫০,০০০৲ |

ৰূপচীৰ বিমান ঘাটি-খন লবলৈ আৰু ৰক্ষণাবেক্ষন কৰিবলৈ চৰকাৰে সিদ্ধান্ত কৰিছে। মাফলঙত বিমান ঘাটি সজাৰ কাম আৰম্ভ হৈছে।

## যুদ্ধোত্তৰ পৰিকল্পনা—ঘৰ

**অসম মেডিকেল কলেজ** :—১,১২,৮৫,০০০৲ খৰছ কৰি ঘৰ সাজিবলৈ চৰকাৰে ঠিক কৰিছিল। কিন্তু অৰ্থৰ অভাবৰ কাৰণে মাত্ৰ ৬৪,৪০,০০০৲ খৰছৰ ঘৰ সজাৰ হে পাছত ঠিক হল। ইয়াৰ ভিতৰত ২৮,৪০,০০০৲ টকাৰ কাম সম্পূৰ্ণ হল।

**বুনিয়াদী শিক্ষা ঘৰ**:—১৯৫০ চনৰ মাৰ্চচ মাহলৈকে ৯,১২,০৫০৲ টকা খৰছ কৰি তলত নাম দিয়া ঠাইৰ ঘৰ খিনি সম্পূৰ্ণ কৰা হল।

| | | টকা |
|---|---|---|
| (১) ছাপটগ্ৰাম | ... ... ... ... | ১,৩৫,০৯৩৲ |
| (২) হাউলি | ... ... ... ... | ১,৪৮,৮৬৫৲ |
| (৩) চাৰআলি | ... ... ... ... | ১,১৭,৪৫৭৲ |
| (৪) চতিয়া | ... ... ... ... | ১,৭৭,৮৬৯৲ |
| (৫) খোৱাং | ... ... ... ... | ২,০৮,০৮৬৲ |
| (৬) উধাৰ বান্দ | ... ... ... ... | ১,২৪,৬৮০৲ |

আৱশ্যকীয় সৰু সুৰা কাম কৰি ঘৰ বিলাক সম্পূৰ্ণ কৰিবৰ কাৰণে চলিত বছৰত প্ৰায় ১,০০,০০০/ টকা খৰছ কৰা হব।

অসম সচিবালয়ৰ কাৰণে বিলাতি মাটিৰে "ৰিইনৰ্ফচ" কৰা ঘৰ সজাৰ কাম ১৯৪৮ চনৰ পৰা চলি আছে, আৰু কেই মাহ মানৰ ভিতৰতে সম্পূৰ্ণ হব বুলি আশা কৰা যায়। সকলো লৈ মুঠ খৰছ ২০ লাখ টকা হব বুলি অনুমান কৰা হৈছে।

**কোহিমা চহৰ পুনৰ নিৰ্ম্মাণ** :—যুদ্ধত ধ্বংস হোৱা ঘৰ বিলাক পুনৰ সাজিবলৈ ১৯৪৬ চনতে ভাৰত চৰকাৰে ১৫ লাখ টকা মঞ্জুৰ কৰিছিল। উচচ বিদ্যালয়ৰ ঘৰ, উপায়ুক্ত থকা ঘৰ, উপায়ুক্তৰ কাৰ্য্যালয়, "চাৰ্কুইট হাউছ" আৰু ডাক বঙলাৰ ঘৰ, জিলা ইঞ্জিনীয়াৰৰ কাৰ্য্যালয়, পুলিচ-থানা, কাৰাগাৰ আৰু পুলিচ বাহিনী থকা ঘৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে বা হব ধৰিছে। অহা বছৰত চহৰৰ পানী যোগান কাৰ্য্য হাতত লবলৈ আশা কৰা হৈছে।

পৰা পক্ষত নতুন ঘৰ-বাৰী সজা খৰছ বন্ধ কৰিবলৈ ভাৰত চৰকাৰে অলপতে নিৰ্দ্দেশ দিছে। গতিকে নতুন কাম হাতত লোৱাৰ আগতে অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিবলৈ গড়কাপ্টানি বিভাগক নিৰ্দ্দেশ দিয়া হয়। তথাপি একেবাৰে নহলে নোহোৱা ঘৰ কিছুমান সাজিবলৈ অহা বছৰলৈকে পুজিৰ ব্যৱস্থা কৰিবলৈ আমি বাধ্য হৈছোঁ। ইয়াৰ ভিতৰত অসম চিকিৎসা কলেজৰ ঘৰ, মোককচাং উচচ শিক্ষালয়ৰ ঘৰ, কটন কলেজৰ ছাত্ৰ নিবাস আৰু বিজ্ঞান গৱেষনাগাৰ পৰিছে। সবিশেষ নতন কাৰ্য্যৰ তালিকাত দিয়া হৈছে।

(ক) সূচীপত্র

গোটেই বছৰতে মটৰ চলাচল কৰিব পৰাকৈ উন্নয়ন কৰিবৰ কাৰণে অনুমোদিত অসম্পূৰ্ণ যুদ্ধোত্তৰ পৰিকল্পনা ৰাজপথ আচনিৰ তালিকা :—

| ক্রমিক নং | যুদ্ধোত্তৰ পৰিকল্পনাৰ ৰাজপথ আচনিৰ নাম | দীৰ্ঘতা (মাইলত) | প্ৰস্তাৱিত আকাৰ | প্ৰস্তাৱিত উন্নয়নৰ কাৰণে আৰু আৱশ্যকীয় পুজি |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| | **কেন্দ্ৰীয় অসম বিভাগ** | | | টকা |
| ১। | ডিপোটা-ঘগ্ৰা পথ ... | ৪·০ | পাথৰ দিয়া | ২০,০০০৲ |
| ২। | কেন্দ্ৰীয় অসম বিভাগৰ উত্তৰ ট্ৰাঙ্ক ৰোডৰ কোনো কোনো অঞ্চলত উপকৰা ভাবে কাম কৰাত। | ১০·০ | উপকৰা কাম কৰা | ৩৫,০০০৲ |
| ৩। | চালধোৱা -বৰদৈবাম- ঘিলামৰা - মাছখোৱা-শিশিমুখ ৰাস্তা উন্নয়ন। | ২৫·০ | পাথৰ দিয়া | ৪,৮৮,০০০৲ |
| ৪। | ন-আলি, পানীগাওঁ-সুৱনশিৰী ৰাস্তা উন্নয়ন। | ৭·০ | ,, | ১,৫০,০০০৲ |
| ৫। | ঘিলামৰা-ঢকুৱাখানা ৰাস্তা উন্নয়ন। | ৭·০ | ,, | ১,৫০,০০০৲ |
| | **পশ্চিম অসম বিভাগ** | | | |
| ৬। | ধুবুৰী-পাটামাৰি ৰাস্তা উন্নয়ন ... | ৯·৫ | পাথৰ দিয়া | ৬০,০০০৲ |
| ৭। | ডামৰা-ডলগোমা ৰাস্তা উন্নয়ন... | ১৩·২৫ | ,, | ৬০,০০০৲ |
| ৮। | ৰংজুলি-শিমলুটলা ৰাস্তা নিৰ্ম্মাণ | ৯·২ | ,, | ৩৯,০০০৲ |
| ৯। | চালকোচা-লখীগঞ্জ গাওঁৰ ৰাস্তা উন্নয়ন। | ৮·৯৯ | ,, | ৫০,০০০৲ |
| ১০। | কোক্ৰাঝাৰ-পাটালপুৰ ৰাস্তা উন্নয়ন (কোক্ৰাঝাৰৰ পৰা আধাবাৰীলৈ)। | ২·৭ | ,, | ২৫,০০০৲ |
| ১১। | গোলোকগঞ্জৰ পৰা চাউলমাৰিলৈ এটা ৰাস্তা নিৰ্ম্মাণ। | ৫·১ | ,, | ৪৫,০০০৲ |
| ১২। | পাইকান-বাজেংডোবা ৰাস্তা প্ৰথম বিভাগ। | ১৪·৩২ | ,, | ২৯,০০০৲ |

| ক্রমিক নং | যুদ্ধোত্তৰ পৰিকল্পনাৰ ৰাজপথ আচনিৰ নাম | দৈৰ্ঘতা (মাইলত) | প্ৰস্তাৱিত আকাৰ | প্ৰস্তাৱিত উন্নয়নৰ কাৰণে আৰু আৱশ্যকীয় পুজি |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |

## টুৰা বিভাগ

| | | | | |
|---|---|---|---|---|
| ১৩। | মেধিপাৰা-ফুলবাৰী-টুৰা ৰাস্তা উন্নয়ন। | ৬৯·০ | পাথৰ দিয়া | ২,০০,০০০৲ |
| ১৪। | পাইকান-বাজেংডোবা ৰাস্তা ৩য় বিভাগ (টুৰাৰ পৰা ৰংগ্ৰামলৈ থকা অংশ)। | ৯·০ | ,, | ৫০,০০০৲ |
| ১৫। | উত্তৰ গুৱাহাটী - আমিনগাওঁ-হাজো-নলবাৰী ৰাস্তা—১ম বিভাগ। | ১৫·৪ | পাথৰ দিয়া আৰু উপকৰাকাম কৰা। | ১৫,০০০৲ |
| ১৬। | নলবাৰী-পাল্লা ৰাস্তা ... | ১২·২ | পাথৰ দিয়া | ৫০,০০০৲ |
| ১৭। | বড়িয়া-হাজো ৰাস্তা উন্নয়ন ... | ১৩·৪৫ | ,, | ১,১০,০০০৲ |
| ১৮। | বৰপেটা-ভবানীপুৰ ৰাস্তা উন্নয়ন। | ১১·২৩ | ,, | ২,০০,০০০৲ |
| ১৯। | আমিৰখোৱা-ভাল্লা ৰাস্তা উয়ন্নন। | ১৬·৮ | পাথৰদিয়া ... | ৩,৫০,০০০৲ |
| ২০। | সৰুপেটা-ফীদাৰ ৰাস্তা উন্নয়ন | ২·৬ | ,, | ১০,০০০৲ |
| ২১। | টিহু-ফীদাৰ ৰাস্তা উন্নয়ন ... | ০·৩ | পাথৰদিয়া আৰু উপকৰা কাম কৰা। | ১০,০০০৲ |
| ২২। | কাঠৰআলি ৰাস্তা উন্নয়ন ... | ১২·১৪ | পাথৰদিয়া ... | ২৫,০০০৲ |
| ২৩। | আঠিয়াবাৰীত ডাকবঙলা এটা নিৰ্ম্মাণ। | ... | ... | ৬,০০০৲ |
| ২৪। | তা'ৰাবাৰীত ডাকবঙলা এটা নিৰ্ম্মাণ। | ... | ... | ১০,০০০৲ |
| ২৫। | উত্তৰ ট্ৰাঙ্কৰোডত পাগলদীয়া নদীৰ ওপৰত দলং নিৰ্ম্মাণ। | ... | ... | ১,০০,০০০৲ |
| ২৬। | গুৱাহাটী-সোণাপুৰ ৰাস্তা উন্নয়ন | ১৫·২ | পাথৰদিয়া ... | ৩০,০০০৲ |
| ২৭। | বৰৰাৰী ৰাস্তা উন্নয়ন ... | ৭·০ | ,, | ১০,০০০ |

| ক্ৰমিক নং | যুদ্ধোত্তৰ পৰিকল্পনাৰ ৰাজপথ আচনিৰ নাম | দীৰ্ঘতা (মাইলত) | প্ৰস্তাবিত আকাৰ | প্ৰস্তাৱিত উন্নয়নৰ কাৰণে আৰু আৱশ্যকীয় পুজি |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |

## কাছাৰ বিভাগ

| | | | | |
|---|---|---|---|---|
| ২৮। | কলাই-কাটিগৰা ৰাস্তা ... | ৭.৩৭ | পাথৰ দিয়া | ২০,০০০৲ |
| ২৯। | দক্ষিণ ট্ৰাঙ্ক ৰোড (পূব)ৰ কাম পকা কৰা ইত্যাদি। | ৬.০ | পকা কৰা ইত্যাদি কাম। | ৬০,০০০৲ |
| ৩০। | লালাবাজাৰ-লালামুখ ৰোড ... | ১.৫৫ | পাথৰদিয়া ... | ৮,০০০৲ |

## লক্ষীমপুৰ বিভাগ

### (ক) ডিব্ৰুগড় উপবিভাগ

| | | | | |
|---|---|---|---|---|
| ৩১। | জয়পুৰ আলি ... ... | ১৫.০ | পাথৰদিয়া ... | ১,১০,০০০৲ |
| ৩২। | চাবুৱা টেঙাখাত ... ... | ৮.৭ | ,, | ২৫,০০০৲ |
| ৩৩। | ৰূপহী-ককোপথাৰ ... ... | ৭.০ | ,, | ৩০,০০০৲ |
| ৩৪। | ডিবৈ-ভূমান তিন আলি ... | ১২.৪ | ,, | ১,৭০,০০০৲ |
| ৩৫। | চালোগুৰি মৰাণ ... ... | ১২ | ,, | ৮০,০০০৲ |
| ৩৬। | নাহৰকটিয়াৰ পৰা তিন আলিলৈ | ১৩ | ,, | ১,৫০,০০০৲ |

### (খ) শিৱসাগৰ উপবিভাগ

| | | | | |
|---|---|---|---|---|
| ৩৭। | ধোদৰ আলি (বানফেৰাৰ পৰা দিলী ঘাট)। | ২০.৩ | ,, | ১,০০,০০০৲ |
| ৩৮। | ভীমবৰ আলি ... ... | ৭.০ | ,, | ৩০,০০০৲ |
| ৩৯। | ধোদৰ আলি (জাজীৰ পৰা নাজিৰালৈ)। | ১৬.০ | ,, | ১,০০,০০০৲ |
| ৪০। | সাপেখাটী-ফিদাৰ ৰাস্তা ... | ৩ | ,, | ৩৪,০০০৲ |
| ৪১। | বোকাখাট-ধনশ্ৰীমুখ ৰাস্তা ... | ৫.৫ | ,, | ১,৪০,০০০৲ |
| ৪২। | চেউনি আলি ... ... | ৪.৫ | ,, | ৪০,০০০৲ |

| ক্ৰমিক নং | যুদ্ধোত্তৰ পৰিকল্পনাৰ ৰাজপথ আচনিৰ নাম | দীৰ্ঘতা (মাইলত) | প্ৰস্তাবিত আকাৰ | প্ৰস্তাৱিত উন্নয়নৰ কাৰণে আৰু আৱশ্যকীয় পুজি |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |

## যোৰহাট বিভাগ

### যোৰহাট উপবিভাগ

| | | | | |
|---|---|---|---|---|
| ৪৩। | অসম ট্ৰাঙ্ক ৰোডৰ মুদৈজান দলঙৰ পৰা কমৰগাওঁহৈ জাজী মুখলৈকে। | ৫.৮৫ | পাথৰদিয়া ... | ৭০,০০০৲ |
| ৪৪। | চীনামাৰা-তিতাবৰ ৰোড ... | ৮.০ | ,, | ৪০,০০০৲ |
| ৪৫। | চাৰিগাওঁ আলি ... ... | ৩.৬ | ,, | ২০,০০০৲ |
| ৪৬। | জগদুৱাৰ আলি ... ... | ৩.১৩ | ,, | ৪০,০০০৲ |

### গোলাঘাট উপবিভাগ

| | | | | |
|---|---|---|---|---|
| ৪৭। | অসম ট্ৰাঙ্ক ৰোডৰ পৰা গোলা-বিলালৈ মাহুৰা আলি। | ২.৬ | ,, | ৪০,০০০৲ |
| ৪৮। | খুমতি আলি ... ... | ৪.৫ | ,, | ১০,০০০৲ |
| ৪৯। | নাগোৰা আলি ... ... | ৮.৬৭ | ,, | ১০,০০০৲ |
| ৫০। | আঠগাওঁ আলি ... ... | ৮.৫ | ,, | ৫০,০০০৲ |

## নগাওঁ বিভাগ

| | | | | |
|---|---|---|---|---|
| ৫১। | নগাওঁ-লাওখোৱা ভুৰভাঙ্গা আলি ... ... | ১৯.০ | পাথৰ দিয়া ... | ১,৩০,০০০৲ |
| ৫২। | নগাওঁ-ভুৰাগাওঁ ৰাস্তা (চিং বজাৰলৈকে) ... ... | ১৬ | ,, | ২,৭০,০০০৲ |
| ৫৩। | নাকোলা-ভকতগাওঁ ৰাজমায়ং কুল্লনঘাট আলি ... ... | ১৯ | ,, | ৩,২৪,০০০৲ |
| ৫৪। | মাৰিগাওঁ-ভকতগাওঁ ৰাস্তা ... | ৯.৬২ | ,, | ১,০০,০০০৲ |
| ৫৫। | ধৰমতুল-দন্দুৱা আলি ... | ৪.৬২ | ,, | ২০,০০০৲ |
| ৫৬। | পুৰনিগুদাম ৰেলষ্টেশনৰ পৰা কে, এ, ৰোডলৈ ... | ৪.৬২ | ,, | ৪০,০০০৲ |
| ৫৭। | বৰভগীয়া-মিকিৰ ভেটা চিং ৰোড ... ... ... | ১৪.২৫ | ,, | ৭,০০,০০০৲ |

| ক্রমিক নং | যুদ্ধোত্তৰ পৰিকল্পনাৰ ৰাজপথ আচনিৰ নাম | | দীৰ্ঘতা (মাইলত) | প্ৰস্তাৱিত আকাৰ | প্ৰস্তাৱিত উন্নয়নৰ কাৰণে আৰু আৱশ্যকীয় পুঁজি |
|---|---|---|---|---|---|
| (১) | (২) | | (৩) | (৪) | (৫) |
| ৫৮। | সৰুপথাৰ-যমুনামুখ ৰাস্তা | ... | ৪·৩৬ | পাথৰ দিয়া | ৫০,০০০৲ |
| ৫৯। | চামগুৰি-লাই-লুৰি ৰাস্তা | ... | ৭·৫ | ,, | ৮০,০০০৲ |

মিছিমি পাহাৰ বিভাগ

| | | | | | টকা |
|---|---|---|---|---|---|
| ৬০। | শাদিয়াৰ ষ্টেশন ৰোড পকা কৰাত | | ৫·২৩ | উপকৰা কাম | ৪৫,০০০ |
| ৬১। | ৰংদৈৰ পৰা লৈকাজান | ... | ১০·৪ | পাথৰ দিয়া | ১,০০,০০০ |
| ৬২। | ছৈখোৱা-দীৰামুখ ৰাস্তা | ... | ৫·১২ | ,, | ৪০,০০০ |
| ৬৩। | লৈকাযান-মুবকক্ চেলেক (পাৰঘাট ভিতৰ কৰি) | ... | ৩·০ | ,, | ৫০,০০০ |
| | | | | | ৫০,৮৩,০০০ |

বিশেষ—

| | | |
|---|---|---|
| ৩৫-৩৭ আৰু ৪১-৪৩ নং শিতানত... | ... | ৬,১৪,০০০ |
| | | ৫৬,৯৭,০০০ |

(খ) সূচীপত্ৰ

সংগ্ৰহ আচনিৰ অধীনত উন্নয়ন কৰিবলৈ প্ৰস্তাৱ কৰা ৰাস্তাৰ তালিকা

(১৯৫০-৫১)

নগাওঁ

| | | | টকা |
|---|---|---|---|
| (১) ডবকা-যমুনামুখ ৰাস্তা ... | ... | ... | ১,০০,৯০০৲ |
| (২) হোজাই ৰেল ষ্টেশনৰ ৰাস্তা | ... | ... | ১,৪০০৲ |
| (৩) বাচনঘাট-ভুৰাগাওঁ ৰাস্তা | ... | ... | ৭৬,৩০০৲ |

গোৱালপাৰা

| | | | |
|---|---|---|---|
| (৪) গোসাইগাওঁ-তমাৰহাত ৰাস্তা | ... | ... | ৩,৯২,০০০৲ |

দৰং

| | | | |
|---|---|---|---|
| (৫) শিলিখাগুৰি এপ্ৰুছ ৰাস্তা ... | ... | ... | ৫৭,৬৬৩ |
| (৬) ওদালগুৰি-ৰৌতা ৰাস্তা ... | ... | ... | ১,০০,০০০ |
| (৭) ডুমডুমীয়াৰ পৰা ট্ৰাঙ্ক ৰোডলৈকে | ... | ... | ১,০০,০০০ |

কামৰূপ

| | | | |
|---|---|---|---|
| (৮) তামুলপুৰ-নাগ্ৰাজুলি ৰাস্তা ... | ... | ... | ১,৫০,০০০ |
| (৯) পাঠশালা-সৰ্থেবাৰী ৰাস্তা... | ... | ... | ৫০,০০০ |

কাছাৰ

| | | | |
|---|---|---|---|
| (১০) শিলছৰ-কাবুগঞ্জ ৰাস্তা ... | ... | ... | ১,০০,০০০ |
| (১১) লালাবাজাৰ-মনিপুৰ ৰাস্তা | ... | ... | ১,০০,০০০ |

শিৱসাগৰ

| | | | |
|---|---|---|---|
| (১২) ডিমৌ-ডিহিং ৰাস্তা ... | ... | ... | ১,৫০,০০০ |

উত্তৰ লক্ষীমপুৰ

| | | | |
|---|---|---|---|
| (১৩) নাৰায়নপুৰৰ পৰা তাতীবাহাৰলৈ | ... | ... | ৪৯,৯৩৭ |
| | | | ১৪,২৮,২০০ |

(গ) সূচীপত্ৰ

ৰাজ্যৰ ৰাজহৰ পৰা খৰচ বহন কৰিব লগীয়া নতুন আঁচনিৰ তালিকা

| কামৰ নাম | ঠাৰৰ কৰা খৰচ | ১৯৫০-৫১ চনৰ আৱশ্যকীয় খৰছৰ পৰিমাণ |
|---|---|---|
| দৰং (তেজপুৰ) | টকা | টকা |
| (১) কলদাৰ ঘাট ফেৰী উঠাই নি চিলনী পামলৈ নিয়াৰ ব্যৱস্থা ... ... | ৩,৫০,০০০ | ৩০,০০০ |
| মঙলদৈ | | |
| (২) ধনশ্ৰী চৌকা এৰি আনফালে যাবৰ কাৰণে ওৱাং ৰাস্তাৰ উন্নতি ... | ৩,৮০,০০০ | ৩০,০০০ |

কামৰূপ

| | | |
|---|---|---|
| (৩) ১১৪-১১৯ মাইল উত্তৰ ট্ৰাঙ্ক ৰোড পকা কৰা কাম ... ... | ৩৫,০০০ | ১০,০০০ |
| (৪) ভবানীপুৰ আৰু পাটাছাৰকুছিৰ মাজত ৬ খন দলং সজা ... ... | ৫০,০০০ | ১০,০০০ |
| (৫) বৰপেটাৰ তাৰাবাৰী ৰাস্তাৰ প্ৰথম ৫ মাইলৰ দলং সজা ... ... | ৫০,০০০ | ৫,০০০ |
| (৬) পাটাছাৰকুছি-কাঠৰ আলি ... | ১,০০,০০০ | ... |

গোৱালপাৰা

| | | |
|---|---|---|
| (৭) ফকিৰাগ্ৰাম-চাৰফনগুৰি ৰাস্তাৰ বাকিখিনি... | ৩,৫০,০০০ | ২০,০০০ |
| (৮) শিমলুতলা-নগৰবেৰা ৰাস্তা ... | ২,০০,০০০ | ১৫,০০০ |

শিৱসাগৰ জিলা

| | | |
|---|---|---|
| (৯) হাঁহচৰা ৰাস্তা (অসম ট্ৰাঙ্ক ৰোডৰ পৰা তামুলি ছিগা হৈ) ... ... | ১,০০,০০০ | ... |
| (১০) শিৱসাগৰ ৰেলৱে ষ্টেশন আৰু বিহুবৰৰ মাজৰ ৰমনি আলি ... ... | ৮০,০০০ | ১০,০০০ |
| (১১) টেক্সী আলি ... ... | ৫০,০০০ | ১০,০০০ |
| (১২) মাজুলি ৰাস্তা জৰীপ আৰু নিৰ্ম্মান ... | ১৪,১৭,০০০ | ১০,০০০ |
| (১৩) কৰদৈগুৰি আলি (গোলাঘাট) ... | ১,০০,০০০ | যুদ্ধোত্তৰ আঁচনি মতে লোৱা হৈছিল কিন্তু কাম আৰম্ভ কৰা নাই। |

ডিব্রুগড়

| | | |
|---|---|---|
| (১৪) নামপুৰ-টেংখং ৰাস্তা ... ... | ১,০০,০০০ | ... |

**স্বায়ত্ব শাসিত জিলা** :—এই জিলা ছ খনৰ জিলা পৰিষদৰ নিৰ্ব্বাচন কৰিবলৈ চৰকাৰ অতি ব্যগ্ৰ হোৱা স্বত্বেও নিৰ্ব্বাচন পাতিব পৰা নাই। পৰিষদ গঠন, পৰিষদৰ কাৰ্য্য প্ৰণালী, পৰিষদৰ সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ প্ৰথা আদি বিষয়ে নিয়ম কিছুমান ৰচনা কৰিব লগা হৈছিল। এই নিয়মবিলাক বিভিন্ন উপদেষ্টা সমিতিলৈ মতামতৰ কাৰণে পঠোৱা হৈছে আৰু সোনকালে সেই বিলাক গ্ৰহণ কৰা হব। সাম্প্ৰতিক জিলা পৰিষদ হিচাপে কাৰ্য্য চলাবলৈ ছ খনৰ ভিতৰত পাচ খন জিলাত উপদেষ্টা সমিতি গঠন কৰা হৈছে। এই সমিতি বোৰ গঠন কৰোতে এই জিলা কেই খনৰ জনজাতীয় অনুষ্ঠান আৰু ৰাজনৈতিক দলবিলাকৰ মতামত লোৱা হৈছিল। মই আনন্দৰে জনাওঁ যে এই উপদেষ্টা সমিতি বিলাকে ভাল কাম কৰিছে আৰু জিলা কেইখনৰ

সম্পর্কে চৰকাৰে সিদ্ধান্ত কৰা কাৰ্য্যত ভাগ লৈছে আৰু সহায় কৰিছে। ওপৰত কোৱা নিয়ম বিলাক প্ৰণয়ন কৰোতে পলম হোৱাৰ বাহিৰেও নিৰ্ব্বাচন কাৰ্য্য পলম হোৱাৰ আৰু কাৰণ আছে। তাৰ ভিতৰত নিৰ্বাচন সমষ্টি নিৰ্দ্ধাৰণ কৰা অৰু জিলা কেইখনৰ সীমা বিজ্ঞান সুচীত মতে ঠিক কৰা প্ৰধান কাৰণ। এই জিলা বিলাকৰ বহুত ঠাইলৈ যাতায়াতৰ কোনো সুবিধা নাই। তেনে ঠাইত প্ৰাপ্ত বয়স্ক সকলো লোকক ভোটাৰ তালিকাত ভৰ্ত্তি কৰা আৰু নিৰ্ব্বাচনৰ কাৰণে আৱশ্যকীয় প্ৰাথমিক কাম বিলাক কৰোতে যথেষ্ট সময় লাগে। যি কি নহক আশা কৰা যায় যে অহা খৰালি মাহত নিৰ্ব্বাচন সম্পূৰ্ণ হব।

কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰা আৰু খৰছ বহন কৰা উন্নয়ন কাৰ্য্য বিলাকৰ অগ্ৰগতি কম হোৱাৰ বিষয়ে মই অন্য ঠাইত কৈ আহিছো। আমি প্ৰস্তুত কৰা আচনি বিলাক কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰ কৰাত পলম হোৱাই ইয়াৰ প্ৰধান কাৰণ। পাহাৰী ঠাইত আলি, ঘৰ আদি নিমাণ কৰিবলৈ জৰীপ কৰোতে যথেষ্ট সময় লাগে আৰু এই কামও বৰ অসুবিধা-জনক। তেনে জৰীপৰ পিছত খৰছ কিমান যাব তাৰ হিচাব পত্ৰ উলিয়াব লাগে। সেই হিচাব পত্ৰ পৰীক্ষা কৰি খৰচ মঞ্জুৰ কৰিব লাগে। এই বিলাক কামত যথেষ্ট পলম হয়। সেই বিলাক ঠাইলৈ যানবাহনৰ অভাৱত আৱশ্যকীয় সৰঞ্জাম আৰু বনুৱা নিওঁতেও বৰ অসুবিধা আৰু পলম হয়। গতিকে খৰছ মঞ্জুৰ কৰিলেও কাম আৰম্ভ হওঁতে পলম লাগে। সেই কাৰণে আমাৰ ২৪ লাখ টকা মঞ্জুৰীৰ কিছু অংশ যে খৰছ কৰিব পৰা নেযাব সি. একো আচ-ৰিত কথা নহয়। কিন্তু মই আগতে কৈ আহিছো যে এই বছৰ যদি আমি কিছু টকা ঘূৰাই দিওঁ আৰু অহা বছৰত দিয়া টকা খৰচ কৰিও আৰু কাম কৰিব পাৰোঁ তেন্তে অহা বছৰ কেন্দ্ৰই আমাক আৰু টকা দিব। আৰম্ভ কৰা উন্নয়ন কাৰ্য্য বোৰৰ ভিতৰত দুৱাৰবন্দ-আইজাল ৰাস্তা নিৰ্মাণ, আমগুৰি-মোককচাং ৰাস্তা নিৰ্মাণ, মাফলাং-বালাত ৰাস্তা নিৰ্মাণ কিছুমান শিক্ষানুষ্ঠান প্ৰান্তীয়কৰণ, বেচৰকাৰী শিক্ষানুষ্ঠানত অধিক অৰ্থ সাহায্য দিয়া, জনজাতীয় ছাত্ৰক বহুসংখ্যক বৃত্তি দিয়া, চিকিৎসালয় পতা, বনবিভাগীয় অঞ্চলত যাতায়াত স্থাপন কৰা, কুটীৰ শিল্পৰ উন্নতি কৰা, সমবায় অনুষ্ঠান গঠন কৰা, মিকিৰ পাহাৰত লাৰ কাৰখানা তৈয়াৰ কৰা আদি অনেক অতি আৱশ্যকীয় আৰু উন্নতিমূলক কাম পৰিছে।

মই সদনক এটা কথা জনাবলৈ পাই সুখ পাইছো যে যোৱা বছৰ পাকিস্থান সীমাত প্ৰায় বন্ধ হৈ যোৱা বাণিজ্য আকৌ আৰম্ভ কৰা হৈছে। ভাৰত আৰু পাকিস্থানৰ প্ৰধান মন্ত্ৰীদ্বয়ৰ মাজত হোৱা চুক্তি আৰু মাননীয় মুখ্য মন্ত্ৰীৰ আপ্ৰাণ চেষ্টাৰ ফলত তেজপাত, পান, মাছ, হাইঁকুকুৰা, কণী ইত্যাদিৰ খাচিয়া পাহাৰ আৰু পাকিস্থানৰ সীমাত আকৌ বেপাৰ আৰম্ভ হৈছে। সেইবাবে খাচিয়া পাহাৰৰ সীমান্ত অঞ্চলত থকা লোকৰ আৰ্থিক অৱস্থা অলপ উন্নত হৈছে। লুচাই পাহাৰৰ আৰু গাৰো পাহাৰৰ সীমান্ত অঞ্চলৰ লোক সাধাৰণৰো তেনে অৱস্থা সম্পৰ্কে একে কথা কব পাৰিলে মই আৰু ভাল পালোহেতেন। কিন্তু দুৰ্ভাগ্যবশতঃ এই বোৰ অঞ্চলৰ অৱস্থা এতিয়াও সন্তোষজনক হোৱা নাই। যোৱা বছৰ আৰম্ভ কৰা ছেলাৰ পৰা কলি-কতালৈ সুমথিৰা পঠোৱা কাম এই বছৰো পুনৰ পূৰ্ণউদ্যমে আৰম্ভ কৰা হৈছে। স্থানীয় লোক-সকলে বিনা পইচাই খাটি ছেলা বিমান ঘাটি খন পুনৰ ব্যৱহাৰ কৰিব পৰা কৰিছে। সদনে এটা কথা জানিব পাৰি বৰ আনন্দ পাব যে অলপতে ভাৰত চৰকাৰে উক্ত বিমান ঘাটি গোটেই বছৰ জুৰি ব্যৱহাৰ কৰিব পৰাকৈ তাৰ ওপৰত লোহাৰ পাত দিয়া কাম আৰম্ভ কৰিছে। সিদিনা অসমৰ ৰাজ্যপালে শ্বিলঙৰ ওচৰত মাফলং নামৰ ঠাইত আৰু এটা বিমান-ঘাঁটি উদ্বোধন কৰিছে। এই বিমান-ঘাঁটিৰ কাম সম্পূণ হৈ উঠিলে আমাৰ দেশৰ ৰাজধানী শ্বিলঙৰ পৃথিবীৰ অন্যান্য ঠাইৰ লগত বিমান যোগাযোগ গঢ়ি উঠিব।

সম্ভৱতঃ মাননীয় সদস্য সকলে জানে যে উত্তৰ-পূৱ সীমান্ত অঞ্চলৰ সমতল অঞ্চল সাধাৰণ প্ৰশাসনৰ অন্তৰ্ভুক্ত কৰিবলৈ লোৱা প্ৰস্তাৱটো চৰকাৰে বিবেচনা কৰিছিল। উক্ত সমতল অঞ্চলত বাস কৰা লোক সকল জনজাতীয় লোক নহয়; ৰাজ্যৰ ভৈয়ামত থকা মানুহখিনিৰ লগত তেওঁলোকৰ যথেষ্ট মিল আছে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এই সমতল অঞ্চল ৰাজ্যিক চৰকাৰৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্ভূক্তিত সন্মতি জনাইছে আৰু উক্ত অঞ্চলবোৰ দাতি-কাষৰীয়া লক্ষীমপুৰ আৰু দৰং জিলাৰ লগত লগ লগাবলৈ ব্যৱস্থা হাতত লোৱা হৈছে। সেইবাবে উক্ত অঞ্চলৰ অধিবাসী সকলে বুৰঞ্জীত পোন প্ৰথম বাৰৰ বাবে অহা সাধাৰণ নিৰ্ব্বাচনত ভোট দিয়াৰ অধিকাৰ পাব।

**অধিক শস্য উৎপাদন** :—বৰ্ত্তমান অধিক শস্য উৎপাদন কৰিবলৈ ২৪টা আঁচনি কাৰ্য্যকৰী কৰা হৈছে। সৰু-সুৰা জল-সিঞ্চন আঁচনিত ৯৫৪টা কাৰ্য্য কৰি ২,৩৮,০০০ বিঘা মাটিৰ উপকাৰ কৰি ৩২,০০০ টন খাদ্য শস্য উৎপাদন কৰাৰ উদ্দেশ্য আছিল। ইয়াৰ ভিতৰত কিছু কাম সম্পূৰ্ণ হৈছে। ২১টা পাম্পেৰে ১,২৬০ একৰ মাটি খেতিৰ উপযোগী কৰিব খোজা আঁচনি মতে ১২টা পাম্প বহুৱা হৈছে, আৰু প্ৰায় ৭০০ বিঘা মাটিৰ উপকাৰ হৈছে। ১৯৫০ চনৰ আৰম্ভণিতে সাম্প্ৰদায়িক অশান্তি আৰু ইঞ্জিনৰ গোলমালত কাম পূৰা কৰিব পৰা হোৱা নাই। ইঞ্জিনৰ সহায়েৰে ১৫,০০০ একৰ পতিত মাটি খেতিৰ উপযোগী কৰিবলৈ কাম আৰম্ভ কৰা হৈছিল। কিন্তু শিক্ষাপ্ৰাপ্ত মানুহৰ অভাৱ আৰু ইঞ্জিনৰ সাজ-সঁজুলিৰ অভাৱৰ কাৰণে এতিয়ালৈকে ৩,০০০ একৰ মান মাটিহে চাফা কৰিব পৰা হৈছে। প্ৰায় ১৫,০০০ একৰ মাটি জোৰাকৈ ১১,০০০ টনৰো বেছি ভাল ধৰণৰ কঠিয়া বিতৰণ কৰা হৈছে। ১৪ টন খলিহে সাৰো মানুহক দিয়া হৈছে। এই বছৰ ৫৫,০০০ টন পচন সাৰ কৰাৰ আৰু প্ৰায় ১,০০০ টন হাড়-গুৰিৰ সাৰ বিলোৱাৰ পৰিকল্পনা আছিল। যোৱা ডিছেম্বৰলৈকে প্ৰায় ৪৬ টন হাড়-গুৰিৰ সাৰ বিলোৱা হৈছে আৰু ১২ হাজাৰ টন পচন সাৰ তৈয়াৰ কৰা হৈছে।

এটা ৰাজহৰ পৰা চলাবলৈ আৰু আনটো ধাৰে লোৱা টকাৰ পৰা চলাবলৈ ঠিৰ কৰা মাছ বৃদ্ধি কৰা দুটা ব্যৱস্থা কাৰ্য্যত অগ্ৰসৰ হৈছে। মাছৰ পোনা ধৰা আৰু বিলাই দিয়া কাম সন্তোষজনক ভাবে চলিছে।

ডাঙৰ জলসিঞ্চন কাম ১৬টা আৰম্ভ কৰা হল। তিনটা সম্পূৰ্ণ আৰু ৩টা হওঁ হওঁ হৈছে। বাকী দহোটাৰ কাম ভালদৰে চলিছে। এই কামত ৩৮,৩৫,০০০ টকা খৰছ হব। ইয়াৰ ফলত ১,৪০,০০০ একৰ মাটিৰ উপকাৰ হব আৰু ৩১,৫০০ টন খাদ্য শস্য উৎপাদন হব বুলি আশা কৰা হৈছে। আৰু ১৩টা এনে ধৰণৰ কামৰ খৰছৰ হিচাব কৰা হৈছে। এই কামত ২৯,৩৬,০০০ টকা খৰছ হব ; ১ লাখ একৰ মাটিৰ উপকাৰ হব আৰু ২২,০০০ টন খাদ্য উৎপাদন হব বুলি অনুমান কৰা হৈছে। ইয়াৰে কিছুমান কাম মঞ্জুৰ কৰা হৈছে। ১,১৮,০০০ একৰ মাটি শস্যোপযোগী কৰিবৰ অৰ্থে আৰু ১৮টা কামৰ জৰীপ চলিছে।

নতুন নিয়ম মতে সৰহ শস্য উৎপাদন প্ৰচেষ্টাৰ সকলো খৰচ প্ৰথমে খাদ্য পুৰস্কাৰ নিধিৰ পৰা পূৰণ কৰা হব। কোনো অংশ অপূৰণ থাকিলে তাৰ ⅔ অংশ কেন্দ্ৰীয় চৰকাৰে দিব। এই প্ৰচেষ্টা বিলাক অহা বছৰো চলাবলৈ আৰু অন্যান্য প্ৰচেষ্টা হাতত লবলৈ থিৰ কৰা হৈছে।

**খাদ্য আৰু যোগান** :—যোৱা বছৰ অসমত ভাল ধান হোৱাৰ বাবে আৰু ভাৰতৰ অন্যান্য অঞ্চলত খাদ্যৰ অভাৱ হোৱা বাবে আমি কিছু ধান-চাউল নিৰ্য্যাত কৰিবলৈ ঠিক কৰিছিলো। ২,৭০,১০০ মোণ চাউল নিৰ্য্যাত কৰা হৈছিলও। তেনেতে আমাৰ সকলো হিচাব ভঙ্গ কৰি দলে দলে ভগনীয়া অসম সোমাল হি। এই অভ্যাগত সকলক খুওৱাৰ ভাৰ আমাৰ মূৰত পৰিল। লগে লগে সাম্প্ৰদায়িক অশান্তিৰ ফলত বহুত মাটি পতিত হৈ থাকিল, বহুত গজা ধান নষ্ট হল আৰু মজুত ধানো অনেক ক্ষতিগ্ৰস্ত হল। দিল্লী চুক্তিৰ পিছত পলাই যোৱা মছলমানৰ প্ৰায় সকলো ঘূৰি আহিল কিন্তু ভগনীয়া হিন্দু সকল প্ৰায়েই থাকি গল। ফলত উভতি অহা মুছলমান আৰু থাকি যোৱা হিন্দু সকলোকে খুওৱাৰ দুগুণ ভাৰ আমাৰ মূৰত পৰিল। এই ভাৰ বহন কৰিবলৈ চৰকাৰে আপ্ৰাণ চেষ্টা কৰিছিল। কিন্তু তেনেতে আহিল যোৱা আগষ্ট মাহৰ ভীষণ ভূইকপ আৰু প্ৰবল বানপানী।

ভূমিকম্প আৰু বানপানীয়ে পথাৰৰ শস্য আৰু ভৰালৰ ধান নষ্ট কৰিলে। দুৰ্দ্দশাগ্ৰস্ত অঞ্চললৈ ধান-চাউল অতি শীঘ্ৰে পঠাব লগা হল। ফলত যোগান ব্যৱস্থা ভঙ্গ হওঁ হওঁ হৈছিল আৰু চৰকাৰে খুওৱাৰ দায়িত্ব পূৰণ কৰিব নোৱাৰিলেহেঁতেন। ভাগ্যে সময় মতে আমাৰ দেশৰ বাহিৰৰ পৰা যথেষ্ট সহায় পোৱা হল। ভাৰত চৰকাৰে মাহে মাহে দিয়া ৪৪,৯৯২ মোণ আটাৰ বাহিৰেও মুঠতে ১,৯৩,৫৭০ মোণ

আটা আৰু ১,২১,৫০০ মোণ চাউল আমাক দিলে। তাৰোপৰি দান হিচাপে পাকিস্থান, পাতিয়ালা, কাশ্মীৰ, আৰু পাঞ্জাব দেশে আমাক খাদ্যবস্তু দিলে। এই সুবিধাতে আমাৰ দেশবাসী আৰু চৰকাৰৰ হকে এই দাতা সকলক আমাৰ আন্তৰিক শলাগ জনাওঁ। এই বস্তু বিলাকৰ ভাবাৰ আধা ৰেহাই দিয়া কাৰণে মই ৰেল কতৃপক্ষকো নথৈ শলাগ জনাইছো। আমি বাহিৰৰ পৰা দান হিছাপে পোৱা আৰু কিনা চাউলৰ পৰিমাণ ২,৪৬২ টন।

ভাৰতৰ পৰা পোৱা চাউলৰ দাম অনা খৰছ ধৰি আমাৰ দেশ পাওঁতে নিৰ্দ্ধাৰিত দামতকৈ বেছি হৈছিল। কিন্তু চৰকাৰে নিৰ্দ্ধাৰিত দামতহে বেচি হানি খিনি বহন কৰিলে।

চলিত বছৰত (১৯৫০ চনৰ নবেম্বৰৰ পৰা ১৯৫১ ৰ অক্টোবৰলৈকে) ৭৪,২৫,০০০ মোণ ধান কিনা চৰকাৰৰ লক্ষ্য। কিন্তু বানপানী, ভূমিকম্প, বৰষুণৰ অভাৱ আৰু পোকে ধান নষ্ট কৰাৰ কাৰণে এই লক্ষ্য পূৰণ কৰিব পৰা অতি টান। তথাপি যিমান দূৰ সম্ভৱ লক্ষ্য পূৰণ কৰিবৰ কাৰণে এই কেইটা ব্যৱস্থা হাতত লোৱা হৈছে।

(১) অবাবত জমা কৰা, বেছি দামত বেচা আৰু চোৰাং কাৰবাৰ কৰাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লে'ৱা হৈছে। তেনে অপৰাধীক গুৰুতৰ শাস্তি দিবলৈ আইন সংশোধন কৰা হৈছে। অবাবত জমা কৰি থোৱা খাদ্য শস্য আটক কৰিবলৈ—আৰু আৱশ্যক হলে পুলিচৰ সহায়েৰে আটক কৰিবলৈ—ব্যৱস্থা হাতত লোৱা হৈছে।

(২) চোৰাং ব্যৱসায় আৰু তেনে ধৰণৰ কাৰবাৰ বন্ধ কৰিবলৈ পুলিচ বিভাগৰ তলত আৰু দুটা শাখা (Enforcement Branch and Border Security Force) গঠন কৰা হৈছে।

(৩) অধিক শস্য হোৱা ঠাইত ধান ভালকৈ ৰাখিবলৈ গুদাম সাজিবলৈ ৫ লাখ টকা মঞ্জুৰ কৰা হৈছে।

(৪) বেছি ধান হোৱা ঠাইত আলি পদুলি কৰিবলৈ ১৫ লাখ টকা মঞ্জুৰ কৰা হৈছে।

(৫) ধান-চাউল যোগাৰ কৰা বিষয়া সকলক উপাযুক্ত আৰু উপবিভাগীয় পদাধিকাৰীৰ শাসনাধীনত দিয়া হৈছে।

(৬) অধিক যোগানৰ কাৰণে কিছুমান নতুন উপঅঞ্চল গঠন কৰা আৰু অধিক বিষয়া নিযুক্ত কৰা হৈছে।

মজুত ৰখা ধান-চাউল জব্দ কৰা আৰু খোলা বজাৰত প্ৰতিযোগীতা বন্ধ কৰিবলৈ বেছি ক্ষেত্ৰ আৰু ব্যৱসায় চৰকাৰী যোগান গণ্ডীৰ ভিতৰত আনিবলৈ ব্যৱস্থা বেছি কঠোৰ কৰাৰ বাহিৰেও চাহ বাগিচাৰ বনুৱাই উৎপাদন কৰা ধান বাগানক দিব লগীয়া যোগানৰ পৰা বাদ দিয়া হৈছে। মাত্ৰ একোটা চৰকাৰৰ হকে কিনোতা লৈ সৰু সৰু কিনা ক্ষেত্ৰ কৰা হৈছে। খেতিয়ক আৰু খাওঁতাৰ জমা কৰিব পৰা আৰু বিক্ৰী কৰিব পৰা ক্ষমতাৰো কিছু কম কৰা হৈছে। স্থানীয় বিষয়া সকলক বেছি ক্ষমতা দিয়া হৈছে। তথাপি চৰকাৰে লক্ষ্য পুৰণ কৰিব পৰা আশা নাই। কাৰণ বহুত:—(১) মৰাপাটৰ দাম বেছি হোৱাত ধানৰ পৰিবৰ্ত্তে বহুতে মৰাপাটৰ খেতি কৰিছে। (২) ভূমিকম্প আৰু বানপানীয়ে বহুত মাটি খেতিৰ অনুপযোগী কৰিছে। (৩) খাওঁতাৰ সংখ্যা খুব বেছিকৈ বাঢ়িছে। ১৯৪১ চনৰ পিয়ল মতে অসমৰ লোক সংখ্যা আছিল ৭৪,৬০,৫৩৭ দহ বছৰত শতকৰা ১৮.২ কৈ লোক সংখ্যা বঢ়া সাধাৰণ নিয়ম। এই নিয়ম মতেও অসমৰ বৰ্ত্তমান লোক সংখ্যা হয় ৮৫ লাখ। ১৯৪১ চনৰ পৰা পূব বঙ্গৰ পৰা

নতুনকৈ অহা মুছলমান আৰু ইতিমধ্যে বৃদ্ধি হোৱা তেওঁলোকৰ সতি-সন্ততিৰ সংখ্যা দহ লাখৰ কম নহব। যোৱা নবেম্বৰ মাহলৈকে পূব বঙ্গৰ পৰা অহা হিন্দু ভগনীয়া ৫,২৫,০০০ তালিকাভুক্ত হৈছে। তালিকাভুক্ত নোহোৱা ভগনীয়াও অনেক আছে। অসমত আহি আগৰ পৰা থকা আত্মীয় কুটুম্বৰ আশ্ৰয় লৈ থকা নাইবা যি কোনো ব্যৱসায় বাণিজ্য বা চাকৰি কৰি জীৱিকা নিৰ্ব্বাহ কৰা ভগনীয়া অনেক লোক আছে। তেওঁলোক হয়তো তালিকাভুক্ত হোৱা নাই। পাকিস্থানৰ সীমান্তত থকা প্ৰায় ১½ লাখ মানুহে আগতে পাকিস্থানৰ সৈতে বেহাবেপাৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। এতিয়া সেই বেহা-বেপাৰ বন্ধ হোৱা কাৰণে আৰু তেওঁলোকৰ খেতিখোলা নোহোৱা কাৰণে তেওঁলোকক চৰকাৰে খুৱাব লগা হৈছে।

(৪) যোৱা বছৰত হোৱা খাদ্যাভাবে এইবাৰ যোগানত অনেক বাধা জন্মাব। খেতিয়কৰ মনৰ ভাব বদলি গৈছে। ভবিষ্যতে বেছি দাম পোৱাৰ আশাত আৰু খাদ্যৰ অভাৱৰ ভয়ত খেতিয়ক আৰু খাওঁতা দুয়ো বিধ মানহে বেছি ধৰণেৰে জমা কৰাত লাগিছে। নিৰ্দ্ধাৰিত দামত ধান-চাউল নেবেচিবলৈ কিছুমান ৰাজনৈতিক দলে প্ৰচাৰ কাৰ্য্য চলাইছে। ইও অৱস্থাৰ আৰু গুৰুত্ব বঢ়াইছে।

চৰকাৰৰ মাহে ১৬ হেজাৰ টন চাউল যোগান দিয়াৰ দায়িত্ব আছে। কিন্তু যোৱা নৱেম্বৰৰ পৰা যোগান ইমান বেয়া হৈছে যে দায়িত্বৰ আধাখিনিও চৰকাৰে পূৰণ কৰিব পৰা নাই। ১৯৫০ চনৰ আৰম্ভণিতে চৰকাৰৰ হাতত ২৫,৭২৩ টন মজুত আছিল। ১৯৫১ চনৰ আৰম্ভনিত সি কমি গৈ ৬,৮৯৫ টনত পৰিছে। ১৯৪৯ চনৰ নৱেম্বৰ আৰু ডিচেম্বৰ মহীয়া আৰু ১৯৫০ চনৰ জানুৱাৰী মহীয়া ৬৫,৫৩১ মোণ ধান চৰকাৰে কিনিব পাৰিছিল। ১৯৫০ চনৰ নৱেম্বৰৰ পৰা এই বছৰৰ জানুৱাৰীলৈকে মাত্ৰ ২৬,১৬০ টন কিনিবলৈ পোৱা হৈছে।

এনে অৱস্থাত পৰি অৱস্থাৰ অলপ লাঘৱ কৰিবলৈ আৰু আমাৰ হাতত মজুত কৰিবলৈ ২০ হেজাৰ টন চাউল অন্ততঃ ধাৰ হিচাপে দিবলৈ কেন্দ্ৰীয় চৰকাৰক আমি ধৰিবলৈ বাধ্য হৈছো। কিন্তু কেন্দ্ৰীয় চৰকাৰ মান্তি হোৱা নাই। অন্যান্য বছৰ নোহোৱা কথা—এই বছৰ—চহৰ আৰু গাওঁ দুয়ো ঠাইৰ পৰা অনাটনৰ খবৰ আহিছে। ফলত চৰকাৰে আৰু দায়িত্ব গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এতিয়ালৈকে ৰেশ্যনিং থকা অঞ্চল আৰু ৰেশ্যনিং নথকা অঞ্চল আৰু চাহ বাগানৰ বাহিৰে সকলো ব্যৱসায়ৰ দায়িত্ব চৰকাৰে আটা আৰু চাউল মিলাই দি বহন কৰিছে। কিন্তু প্ৰত্যেক ঠাইতে বিশেষতঃ চাহ বাগান বোৰত মজুতৰ পৰিমাণ খুব কমি গৈছে। কাৰণ বিতৰণ হিচাৰে সংগ্ৰহ হোৱা নাই। বেছি ধান হোৱা কেইখনমান ঠাইৰ বাহিৰে সকলো ঠাইতে ধানৰ দাম নিৰ্দ্ধাৰিত দামতকৈ ৩৲ টকাৰ পৰা মোণে ৫৲ টকালৈকে বেছি চলিছে, আৰু চাউলৰ দাম নিৰ্দ্ধাৰিত দামতকৈ মোণে ৭৲ টকাৰ পৰা ৯৲ টকলৈ বেছি চলিছে। কেন্দ্ৰীয় চৰকাৰে অসমক মাহে ২ হেজাৰ মোণ আটা আৰু মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্যত বেছি হোৱা চাউলখিনি যাচিছে। কিন্তু ত্ৰিপুৰা ৰাজ্যই ৫ হেজাৰ মোণতকৈ বেছি চাউল দিবলৈ অপাৰগ বুলি জনাইছে আৰু মণিপুৰে অলপো দিবলৈ অমান্তি হৈছে। ভাৰতীয় চাহ সজ্বৰ জৰীয়তে অসমৰ ১০ হেজাৰ টন কয়লা সলনি দি পাকিস্থানৰ পৰা ২০ হেজাৰ মোণ চাউল অনাৰ ব্যৱস্থা হৈছিল। এই বন্দোৱস্ত মতে কাম ভালকৈ চলিছে। আমাৰ ১৫,০০০ টন কয়লা দি পাকিস্তানৰ পৰা ৩০,০০০ মোণ চাউল অনা বন্দোৱস্ত হৈছে, আৰু অলপতে সেই চাউল আহি পাবহি। ভাৰতীয় চাহ সজ্বৰ বাগান বিলাকক মাহে ১০,২০০ টন চাউল দিব লাগে। তাৰ ভিতৰত অকল শিৱসাগৰ জিলা আৰু ডিব্ৰুগড় মহকুমাৰ বাগানতে ৬,০০০ টন দিব লাগে। যদি শিৱসাগৰ জিলা আৰু ডিব্ৰুগড় মহকুমাৰ বাগান কেইখনৰ ভাৰ ভাৰত চৰকাৰে লয়—তেন্তে অসমৰ অন্য অঞ্চলৰ কাৰণে ভাৰত চৰকাৰে মাহে ২৫,০০০ টনতকৈ বেছি খাদ্য আমাক দিব নেলাগে। ইয়াৰ ভিতৰত ⅓ বা ½ ভাগ আটা দিব পাৰে। আমাক দুৰ্ভিক্ষৰ পৰা বচাবলৈ অন্তত: এইখিনি সাহায্য ভাৰত চৰকাৰে কৰিব লাগে। চৰকাৰে যিমান দূৰ পাৰে সকলো চেষ্টা আৰু ব্যৱস্থা কৰিছে। মানুহে ধান-চাউল বিক্ৰী কৰিবলৈ ধান-চাউলৰ দাম আৰু অলপ বঢ়াই দিয়া হৈছে। এই বিপদৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে সকলোকে অনুৰোধ জনাই আহিছে। আজি এই সদনত থিয় হৈ মই পুনৰ সকলোকে অনুৰোধ জনাওঁ। মই আশা কৰো অৱস্থাৰ গুৰুত্ব সকলোৱে উপলব্ধি কৰিব আৰু চৰকাৰৰ প্ৰচেষ্টা সফল কৰিবলৈ চেষ্টা কৰিব।

**চেনি, বিলাতী মাটি আৰু নিমখ ঃ**—ভাৰত চৰকাৰে দিয়া চেনি, নিমখ আৰু বিলাতী মাটিৰ পৰিমাণ প্ৰায় যথেষ্ট । কিন্তু পৰিবহনৰ অসুবিধাত সময়ে সময়ে স্থানীয় অভাৱ দেখা যায় ।

**লোহা, টিন, ইত্যাদি ঃ**—অসমক দিয়া টিন পাতৰ পৰিমাণ অতি কম । পৰিবহনৰ অসুবিধাৰ কাৰণে কেতিয়াবা এইখিনিও আনিব পৰা নাই গতিকে আমাৰ দেশত টিনপাতৰ বৰ অভাৱ । ধাৰাবাহিক পৰিমাণৰ বাহিৰেও ধান কিনা ব্যৱস্থা সফল কৰিবলৈ চৰকাৰে ৪ হেজাৰ টন টিনপাত দিছে । ভূমিকম্প আৰু বানপানী প্ৰপীড়িত লোক সকলৰ কাৰণে ৩ হেজাৰ টন টিনপাত, ১ লাখ ফুট পাইপ আৰু ৪শ টন লোহাৰ চিক কেন্দ্ৰীয় চৰকাৰে অসমক দিছে ।

**ভূমিকম্পত দুৰ্দ্দশাগ্ৰস্ত লোকৰ পুনৰসংস্থাপনঃ**—ভূমিকম্পৰ ফলত জন্মা অৱস্থাৰ প্ৰতিকাৰ কৰিবলৈ বিভিন্ন বিভাগে কি কি কাম কৰিছে এই বিষয়ে অন্য অন্য ঠাইত বৰ্ণনা কৰিছোঁ । জৰুৰী অৱস্থাৰ এতিয়া অৱসান ঘটিছে । এতিয়া সমস্যা হৈছে যিবিলাক মানুহৰ মাটি আৰু ঘৰ নষ্ট হৈছে সেইবিলাক মানুহক পুনৰ সংস্থাপন কৰা । উত্তৰ লক্ষীমপুৰ মহকুমাত প্ৰায় ১৮ হেজাৰ ঘৰ মানুহ, ডিব্ৰুগড় মহকুমাত প্ৰায় ১২ হেজাৰ ঘৰ মানুহ আৰু মিচিমি আৰু আবৰ পাহাৰৰ সমতল অঞ্চলত প্ৰায় ২৪ হেজাৰ ঘৰ মানুহক পুনৰ সংস্থাপন কৰিব লাগে । এই মানুহ বিলাক খেতিয়ক । গতিকে তেওঁলোকক দিব লাগে বাস কৰিবলৈ আৰু খেতি কৰিবলৈ মাটি, কঠিয়া, খেতিৰ সজুলি, গৰু মহ আৰু নতুন খেতি নহয় মানে খাবলৈ ভাত । চৰকাৰী জঙ্গলী মাটি, চৰণীয়া পথাৰ আৰু চাহ বাগানৰ পৰা অধিঅৰ্জন কৰা মাটি এওঁলোকৰ কাৰণে দিয়া হৈছে । কঠিয়া, খেতিৰ সজুলি আৰু গৰু ম'হ আৰু নগদ টকাও কৃষি ঋণ হিচাপে দিয়া হৈছে । বিশেষকৈ নিযুক্ত কৰা বিষয়া আৰু মহামান্য ৰাজ্যপালৰ সাহায্য নিধিৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে পঠোৱা সাহায্য-কাৰ্য্যত বিশেষ অভিজ্ঞতা থকা লোক সকলে এই পুনৰ সংস্থাপন কাৰ্য্য তত্বাৱধান কৰিছে । পূৰ্ব্বপুৰুষ সকলৰ দিনৰ পৰা থকা ঠাই এৰি যাবলৈ মানুহৰ অনিচ্ছাৰ কাৰণে, জঙ্গল চাফা কৰিবলৈ বনুৱাৰ অভাৱৰ কাৰণে আৰু এই ঠাই বিলাকলৈ আহিলা পাতি নিবলৈ আলি-পদূলিৰ অভাৱৰ কাৰণে পুনৰ সংস্থাপনত লিপ্ত থকা বিষয়া সকলে খুব অসুবিধা ভোগ কৰিছে । তথাপি বহুত অঞ্চলতে পুনৰ বসতিৰ কাৰ্য্য সুচাৰুৰূপে চলিছে আৰু কিছুমান অঞ্চলত পুনৰ সংস্থাপিত হোৱা লোক সকলে নতুন শস্য উৎপাদন কৰিছেই ।

পুনৰ সংস্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৩ হেজাৰ টন টিন পাত অসমক বিশেষ ভাৱে দিছে । ইয়াৰ কিছু অংশ পাওঁতাৰ অৱস্থা চাই বিনা মূল্যে দিয়া হব । আৰু কিছু অংশ অৱস্থা চাই কম দামত বেচা হব । সুবিধা পাওঁতা সকলৰ অৱস্থাৰ বিষয়ে স্থানীয় কৰ্মচাৰী আৰু সাহায্য সমিতিয়ে তদন্ত কৰিব । বিনা পইচাই আৰু কম দামত দিয়া বাবদ যি হানি হয় সেই হানি ৰাজ্যপালৰ সাহায্য নিধিৰ পৰা পূৰণ কৰা হব । এই তিনি হেজাৰ টনৰ ভিতৰত প্ৰায় দুই হেজাৰ টন কাৰখানাৰ পৰা পঠোৱা হৈছে । আৰু ১,২০০ টন ইতিমধ্যে অসম আহি পাইছেহি । ৰাইজক বিলোৱা কাম সুচাৰুৰূপে চলিছে ।

দুৰ্দ্দশাগ্ৰস্ত মানুহ বিলাকক সহায় কৰাৰ ভাৰ চৰকাৰ আৰু ৰাজ্যপালৰ সাহায্য নিধিয়ে বহন কৰিছে । ১৫ আগষ্টৰ দুৰ্দ্দশাৰ পিছতে ৰাজ্যপালৰ সাহায্য নিধি এটা খোলা হয় । এই নিধিলৈ দানৰ কাৰণে ৰাষ্ট্ৰপতি, ভাৰতৰ প্ৰধান মন্ত্ৰী, উপ প্ৰধান মন্ত্ৰী, অসমৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীয়ে গোহাৰি জনায় । এই গোহাৰিৰ ফলত কোটিপতিৰ পৰা দীনদুখীলৈকে বহুতে যথাসাধ্য দান দিছে । বিদেশৰ পৰাও তেনে দান আহিছে । এই বছৰৰ ১৫ ফেব্ৰুৱাৰী তাৰিখলৈকে এই নিধিত নগদ ৩৯,৪৬,৯০২ টকা পোৱা হৈছে । ইয়াৰ বাহিৰেও চাউল, খাদ্যবস্তু, সূতা, কাপোৰ, কম্বল আৰু গৰম কাপোৰ সৰ্ব্বমুঠ প্ৰায় ৮,৮০,৫০০ টকা মূল্যৰ পোৱা হৈছে । যাৰ মৃত্যুত আমি কেইদিনমানৰ আগতে শোক পাব লগা হৈছিল, সেই আদৰ্শ সমাজ সেৱক ঠাকৰ বাপ্পাই দুৰ্দ্দশাত সাহায্য কৰাৰ সুদুৰ অভিজ্ঞতা থকা এদল বাচকবনীয়া কৰ্মীক দুৰ্দ্দশাগ্ৰস্ত অঞ্চললৈ পঠাইছিল । এই কৰ্মীদলে পৰ্ব্বত ভৈয়াম সকলো ঠাইতে অবিশ্ৰান্তভাৱে অতি বিপদৰ সন্মুখীন হৈও, আৰু বিশেষ কষ্ট স্বীকাৰ কৰিও দুৰ্দ্দশাগ্ৰস্তসকলক নানান ভাৱে

সহায় দিছে আৰু উদ্ধাৰ কৰিছে। ৰাজ্যপালৰ সাহায্য নিধিৰ পৰা সাহায্য দানৰ কাম এই বন্ধু সকলক দিয়া হৈছে। এই সদনে ভালকৈ জানে যে মাৰোৱাৰী সাহায্য সমিতি, কাশীৰ বিশ্বনাথ সেৱা সমিতি, শ্ৰীমন্ত শঙ্কৰ মিশ্যন, ৰামকৃষ্ণ মিশ্যন আদি বিখ্যাত অনুষ্ঠান বিলাকে অতিকৈ দুৰ্দ্দশাগ্ৰস্ত ঠাইলৈ লৰালৰিকৈ মানুহ আৰু আহিলা পঠাই ভয়ঙ্কৰ বিপদৰ লগত যুদ্ধ কৰিও মানুহক ৰক্ষা কৰিছিল। এই খিনিতে মই ডিব্ৰুগড়ৰ ওচৰৰ ব্ৰহ্মপুত্ৰত হোৱা সেই শোকাবহ ঘটনাৰ উল্লেখ কৰিব লগা হৈছো—যি ঘটনাত মোৰ সহকৰ্মী মাননীয় অমিয়কুমাৰ দাস ডাঙৰীয়াও বিপদত পৰিছিল আৰু যি ঘটনাই কেইজনমান স্বনামধন্য সমাজ সেৱকক আমাৰ মাজৰ পৰা আতঁৰাই নিলে। যি সকলে ৰাজ্যপালৰ সাহায্য নিধিলৈ মুক্তকণ্ঠে দান কৰিছে, যি সকল সমাজ সেৱকে সুদূৰৰ পৰা আহি নিঃস্বাৰ্থ দেশসেৱাৰ কামত মন-প্ৰাণ ঢালি দিছিল, যি সকল কংগ্ৰেছ স্বেচ্ছাসেৱীয়ে সুদূৰ গাওঁত মানুহক সহায় কৰি কাতৰ প্ৰজাৰ মনত সাহৰ সঞ্চাৰ কৰিছিল, যি সকল চাহ বাগিছাৰ মালিকে যান-বাহন যোগান দি অতি দুৰৱস্থাত পৰা লোক সকলক সহায় কৰিছিল, অসম ৰাইফলচ্ আৰু সৈনিক সকলৰ যি সকলে আলি, দলং আদি ভাল কৰিছিল, বিমান নামিব পৰা পথাৰ সাজিছিল আৰু বিপদৰ মুখৰ পৰা মানুহক উদ্ধাৰ কৰিবলৈ অতি দুঃসাহসী আৰু কষ্টকৰ কাৰ্য্য কৰিছিল আৰু বিশ্বাস কৰিব নোৱাৰা ৰতৰতো কোনো ৰকম যোগাযোগ ৰাখিব নোৱাৰা ঠাইলৈ অতি সাহসেৰে বিমান চলাই খাদ্য আৰু আহিলা যোগান দিয়া ভাৰতীয় বিমান বাহিনীৰ নিৰ্ভীক যোদ্ধাসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

## ভগনীয়াৰ সাহায্য আৰু সংস্থাপন

১৯৫০ চনৰ জুলাই মাহত কৰা গণনা মতে অসমত ২৪,৬০০ ঘৰ পুৰণা ভগনীয়া আছিল। তেওঁলোকৰ লোক সংখ্যা ১,১৪,৫০০। ১৯৫০ চনৰ পহিলা জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈকে ৪ লাখ নতুন ভগনীয়া আমাৰ দেশলৈ আহে। ইয়াৰ ভিতৰত ৫৫ হেজাৰ পুৰণা আৰু ২,২৮,০০০ জন নতুন ভগনীয়া কাছাৰ জিলাত আছে। কাছাৰ জিলাৰ ভগনীয়াৰ সাহায্যমূলক কামৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে লৈছে।

১৯৫০ চনৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত হোৱা সাম্প্ৰদায়িক গোলমালৰ ফলত অসমত প্ৰায় ৫২,৭০০ ঘৰ মুছলমান স্থানচ্যুত হৈছিল। তাৰ ভিতৰত ৩৪,১০০ পৰিয়ালৰ প্ৰায় ১,১৯,০০০ মানুহ পাকিস্থানলৈ গৈছিল। ১৯৫০ চনৰ এপ্ৰিল মাহত ভাৰত-পাকিস্তান চুক্তিৰ ফলত প্ৰায় বোৰ স্থানচ্যুত মুছলমান নিজ ঘৰলৈ ঘূৰি আহিল। যোৱা ৩১ ডিচেম্বৰলৈকে ৪১ হেজাৰ পৰিয়ালৰ ১,২৯,০০০ মানুহ নিজ নিজ গাওঁলৈ ঘূৰি আহিল। এই কালৰ ভিতৰত মাত্ৰ ২৮,৩০০ মান ভগনীয়া হিন্দু পাকিস্থানলৈ ঘূৰি গৈছে।

নতুনকৈ অহা ভগনীয়া সকলক সহায় দিবলৈ পাকিস্থান সীমান্তত অৱস্থিত সকলো জিলাতে আৰু কামৰূপ আৰু নগাওঁ জিলাতো অনেক কেন্দ্ৰ খোলা হৈছিল। কাছাৰৰ বাহিৰে অন্য জিলা বিলাকত যোৱা এপ্ৰিল মাহত ২৮ টা কেন্দ্ৰ আছিল আৰু তাত ১৮,৬০০ মানুহক আশ্ৰয় দিয়া হৈছিল। ১৯৫১ চনৰ ১লা জানুৱাৰীত কেন্দ্ৰৰ সংখ্যা ৭টালৈ আৰু আশ্ৰয় লোৱা মানুহৰ সংখ্যা ৩৫০০ লৈ কমিল। এই বিলাকৰ ভিতৰত প্ৰায় ৬০০ সম্বন্ধীয়া নাইকীয়া মাইকী মানুহ, লৰাছোৱালী আৰু কাম কৰিবৰ অনুপযোগী মানুহ। যোৱা জানুৱাৰী মাহলৈকে ভগনীয়াক খুওৱা আৰু কাপোৰ দিয়াত ১২,৯৬,০০০ টকা খৰচ কৰা হৈছে। আৰু তেওঁলোকৰ যাতায়াতৰ খৰছ, চিকিৎসা আৰু থকাঘৰ কৰাত ৩,৯৫,০০০ টকা খৰছ হৈছে।

**ভগনীয়াৰ সংস্থাপন** ঃ—স্থানীয় বিষয়া সকলৰ ৰিপোৰ্ট মতে কাছাৰ বাদ দি অন্য জিলাত প্ৰায় ১৩ হেজাৰ পৰিয়াল নতুন আৰু পুৰণা ভগনীয়াৰ নিজৰ প্ৰচেষ্টাত সংস্থাপিত হৈছে। কিছুমানে আধিয়াৰ হিচাপে খেতি কৰিছে আৰু কিছুমানে নানান ব্যৱসায় বাণিজ্য আৰু চাকৰি আদি কৰিছে।

পুনৰ সংস্থাপনৰ বাবে ভগনীয়া সকলক চৰকাৰে টকা ধাৰে দিয়ে। বিভিন্ন ব্যবসায়ৰ মানুহক বিভিন্ন পৰিমাণে ধাৰ দিয়াৰ ব্যৱস্থা আছে। থাকিব পৰাকৈ ঘৰ এটা সাজি লবলৈ আৰু কেইমাহ মান চলিবলৈ অতাকৈ সাধাৰণতঃ টকা ধাৰে দিয়া হয়।

সাম্প্ৰদায়িক অশান্তিৰ সময়ত মুছলমান সকল গুছি যাওঁতে তেওঁলোকে এৰি থৈ যোৱা মাটি বোৰত খেতি কৰিবলৈ আৰু পথাৰত থকা শস্য ৰক্ষা কৰিবলৈ প্ৰায় ৭,৬০০ ঘৰ নতুন ভগনীয়াক সেই মাটি বোৰত সাম্প্ৰতিক ভাবে বহুৱা হৈছিল। মুছলমান বোৰ ঘূৰি আহিলত সেই মাটি তেওঁলোকক ঘূৰাই দিয়া হল আৰু হিন্দু ভগনীয়া বিলাকক অন্য ঠাইত মাটি দিয়া হৈছে। ইয়াৰ বাহিৰেও যোৱা ডিচেম্বৰ মাহলৈকে ২,৬০০ ভগনীয়া পৰিয়ালক চৰকাৰে সংস্থাপন কৰিছে। ইয়াৰ ভিতৰত ১,৫৬০ টা পৰিয়ালক খেতিত সংস্থাপিত হবলৈ আৰু ৭৫০ টা পৰিয়ালক ব্যৱসায় বাণিজ্যত সংস্থাপিত হবলৈ আৰু ২৯০ টা পৰিয়ালক চৰকাৰী বা বেচৰ-কাৰী কামত সংস্থাপিত হবলৈ টকা ধাৰে দিয়া হৈছে। ৩১ জানুৱাৰী পৰ্য্যন্ত এই ভগনীয়াক ১২,৪০,০০০ টকা ধাৰ দিয়া হৈছে। ইতি মধ্যে পুনৰ বসতি কৰিবৰ কাৰণে ঘূৰি অহা মুছলমানক ২১,৬১,০০০ টকা ধাৰ দিয়া হৈছে।

বৰপেটা মহকুমাত ২৪ শ ঘৰ খেতিয়ক ভগনীয়াক নিগাজীকৈ সংস্থাপন কৰিবৰ অৰ্থে চৰকাৰে ২৫ লাখ টকা খৰছ মঞ্জুৰ কৰিছে। গুৱাহাটিৰ ৰঙিয়া অঞ্চলত ২ শ ঘৰ খেতিয়ক ভগনীয়াক ২$\frac{১}{২}$ লাখ টকা খৰছ কৰি নিগাজী ভাবে সংস্থাপন কৰিবলৈ মঞ্জুৰ কৰা হৈছে। এই দুয়ো ঠাইত কাম ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হৈছে।

অসমত থকা ভগনীয়াৰ ১৪ শ ঘৰ খেতিয়ক মণিপুৰত সংস্থাপন কৰিবলৈ স্থিৰ কৰা হৈছে আৰু তাৰে কিছুমান মণিপুৰলৈ গৈছেও। গোৱালপাৰা জিলাৰ জমিদাৰী এলেকাত ২৫ শ ঘৰ খেতিয়ক ভগনীয়াক সংস্থাপন কৰিবলৈ আৰু নগাওঁ জিলাৰ চাহ বাগিছাৰ মাটিত ২ শ ঘৰক সংস্থাপন কৰিবলৈ এখন আঁচনি কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে। এই আঁচনিৰ খৰছ হব ২৬,৭৫,০০০ টকা। গুৱালপাৰা জিলাত ৮ শ ঘৰ খেতি নকৰা ভগনীয়াক সংস্থা-পন কৰিবলৈ ৪ লাখ টকা খৰছ মঞ্জুৰ কৰা হৈছে আৰু কাম আৰম্ভ হৈছেই। নগাওঁ আৰু কামৰূপ জিলাতো তেনে সংস্থাপনৰ আঁচনি কৰা হৈছে।

যোৰহাটৰ ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত ৭৬ জন ভগনীয়াক ব্যৱসায়মূলক শিক্ষা দিয়া হৈছে; নগাওঁৰ শিশু আৰু মাতৃ মঙ্গল কেন্দ্ৰৰ ২০ জনী ভগনীয়া ছোৱালীক ধাইৰ কামত শিক্ষা দিয়া হৈছে আৰু শ্বিলঙত ২০ জন ভগনীয়াক কাগজ তৈয়াৰ কৰিবলৈ, ছাপা কৰিবলৈ আৰু কিতাপ বান্ধিবলৈ শিকোৱা হৈছে। গুৱাহাটী, শিলং, ৰূপসী আৰু ভালুক মাৰীত ৪টা শিক্ষা কামৰ কেন্দ্ৰ খুলি ৮ শৰ পৰা ১০০০ লৈকে ভগনীয়াক শিক্ষা দিবলৈ কৰা পৰিকল্পনা ভাৰত চৰকাৰলৈ অনুমোদনৰ কাৰণে পঠোৱা হৈছে।

১০০ কেও কিছু নাইকিয়া মাইকী মানুহ আৰু লৰা ছোৱালীৰ কাৰণে গুৱাহাটীত এটা কেন্দ্ৰ পাতিবলৈ ভাৰত চৰকাৰে সম্মতি দিছে। এই কাম সোনকালে হাতত লোৱা হব। নগাওঁতো এনে এটা কেন্দ্ৰ পাতিবলৈ ভাৰত চৰকাৰলৈ লিখালিখি কৰা হৈছে। ৰূপসীত এনে এটা কেন্দ্ৰ আগতে স্থাপন কৰা হৈছে। তাত ৯০ জনী কোনো নাইকিয়া মাইকী আৰু লৰা-ছোৱালীক পোহপাল দি সূতাকটা, তাঁতবোৱা আদি কাম শিকোৱা হৈছে।

ভগনীয়াৰ শিক্ষাৰ বিষয়েও কাম কৰা হৈছে। উপযোগী ছাত্ৰক স্কুলত বিনা মাচুলে পঢ়াবলৈ আৰু কলেজত বৃত্তি দিবলৈ এখন আঁচনি মঞ্জুৰ কৰা হৈছে। এতিয়ালৈকে ৩৮৯ ছাত্ৰক বিনা মাচুলে পঢ়িবলৈ দিয়া হৈছে আৰু ১১০ টা বৃত্তি দিয়া হৈছে। এই শিতানত অহা ৩১ মাৰ্চলৈকে ৪০ হেজাৰ টকা খৰছ হব। ইয়াৰ বাহিৰেও ৯৫ টা স্কুলীয়া আৰু ২৫টা কলেজীয়া ছাত্ৰক ৰাজ্যপালৰ সাহয্য নিধিৰ পৰা ১০ হেজাৰ টকা সহায় দিয়া হৈছে।

## স্থানান্তৰিত মুছলমানৰ পুনৰবসতি

প্ৰায় ৫২,৭০০ ঘৰ মুছলমান স্থানান্তৰিত হৈছিল। তাৰ ভিতৰত ৪১ হেজাৰো বেছি ঘৰ মানুহ যোৱা ডিছেম্বৰ মাহৰ ভিতৰতে নিজ নিজ ঘৰলৈ ঘূৰি আহিছে। ইয়াৰ ভিতৰতে ২৪ হেজাৰ ঘৰক ডিছেম্বৰৰ ভিতৰতে নিজ নিজ মাটি ঘূৰাই দিয়া হৈছে। এওঁলোকক খুওৱা আৰু যাতায়াত যোগান দিয়া খৰছ ২,৫৩,০০০ টকা হৈছে। ৩১ জানুৱাৰীলৈ পুনৰবসতিৰ কাৰণে ঘূৰি অহা মুছলমানক ২১,৬১,০০০ টকা ধাৰে দিয়া হৈছে।

**লোক-স্বাস্থ্য** :—দলে দলে ভগনীয়া অহাত মহামাৰী বন্ধ কৰিবলৈ এই বিভাগে খুব কাম কৰিব লগা হৈছিল। এই বিভাগে কৰা কামৰ ভিতৰত আছিল বেজী আৰু ছিটা দিয়া, কেন্দ্ৰ বিলাকত ডিডিটি দিয়া আৰু খোৱা পানী বিশুদ্ধ কৰা।

ভূমিকম্প আৰু বানপানীয়ে এই বিভাগক অগ্নি পৰীক্ষাত পেলাইছিল আৰু মই আনন্দেৰে কব খোজো যে এই পৰীক্ষাত এই বিভাগ উত্তীৰ্ণ হৈছে। দুৰ্দশাগ্ৰস্ত ঠাইলৈ পাৰ্য্যমানে সকলো মানুহ আৰু ঔষধপাতি নিয়া হৈছিল। ৪ লাখৰো বেছি বেজী আৰু ছিটা দিয়া হৈছিল আৰু ৭২ হেজাৰৰো বেছি নাদ-পুখুৰী আদি পৰিষ্কাৰ কৰা হৈছিল। ইয়াৰ বাহিৰেও বিদেশৰ পৰা পোৱা গাখীৰৰ গুড়ি এই বিভাগে দুৰ্দ্দশাগ্ৰস্ত মানুহবোৰক বিলাইছিল।

আমাৰ দেশৰ ভিতৰত আৰু বাহিৰত বহুত চিকিৎসা দল গঠিত হৈছিল। তেওঁলোকে নিজৰ জীৱন বিপন্ন কৰিও অশেষ কষ্টৰ মাজত দুৰ্দ্দশাগ্ৰস্ত মানুহ বিলাকক চিকিৎসা আৰু সহায় কৰিছিল। এই দলবোৰৰ প্ৰতি মই আমাৰ আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জনাওঁ। ভাৰতীয় ৰেড্ ক্ৰছ সমিতি আৰু বঙ্গ চৰকাৰে বহুত ঔষধ-পাতি দান কৰিছিল। আৰু আন্তৰ্জাতিক শিশু কল্যান পন্থাই বহুত গাখীৰৰ গুড়ি দান দিছিল। এই ছেগতে এই তিনিও দাতাক আমাৰ দেশৰ আৰু চৰকাৰৰ হৈ শলাগ আৰু কৃতজ্ঞতা জনাইছো।

ভাৰত চৰকাৰে দান দিয়া ৩৮০ টা নলীনাদ পোতাৰ কাম চলি আছে।

এই বিলাক উপকৰা কামৰ বাহিৰেও দটা ভ্ৰাম্যমান দলৰ যোগে হাকুটি পেলু বেমাৰৰ বিষয়ে অভিযান চলোৱা হৈছে। কুষ্ঠ ৰোগীক চালফান (Sulphan) দৰবেৰে চিকিৎসাৰ কাম আৰম্ভ কৰা হৈছে আৰু এই কামৰ কাৰণে অহা বছৰলৈ আৰু বেছি টকা ধৰা হৈছে। মিকিৰ পাহাৰৰ সৰিহাজান ঠাইত এটা কুষ্ঠ ৰোগী চিকিৎসা কেন্দ্ৰ খুলিবলৈ অসম জনজাতীয় অনুষ্ঠানত ৫ হেজাৰ টকা দিয়া হৈছে। কুষ্ঠ ৰোগীৰ কেন্দ্ৰৰ কাৰণে অহা বেলিলৈ আৰু টকা ধৰা হৈছে।

উত্তৰ লক্ষীমপুৰৰ ঘিটামাৰীত এটা লোক-স্বাস্থ্য ঔষধালয় খোলা হৈছে আৰু কালাজ্বৰ চিকিৎসাৰ কাৰণে গাৰো পাহাৰত দুটা ভ্ৰাম্যমান দল গঠন কৰা হৈছে।

নতুন কাৰ্য্যৰ তালিকাত দেখা যাব যে অহা বছৰলৈ কেবাটাও নতুন ডাক্তৰখানা খুলিবলৈ টকা মঞ্জুৰ কৰা হৈছে।

**চিকিৎসা** :—যদিও অৰ্থৰ অভাৱত চলিত বছৰত আশানুৰূপে আগ বাঢ়িব পৰা নহল তথাপি চিকিৎসা সম্পৰ্কে অনেক কাম কৰা হৈছে। কেবাটাও চিকিৎসালয়ত বঞ্জন ৰশ্মীৰ ব্যৱস্থা কৰা হৈছে। চুট্‌ঙ্গাত চিকিৎসালয় খোলা হৈছে; ডালত চিকিৎসালয় ঘৰ ডাঙৰ কৰা হৈছে; ভুৰালপাই আৰু ভাহাঁই চিকিৎসালয় সম্পূৰ্ণ কৰা হৈছে; মাইবঙত ১০ খন বিছনা থকা চিকিৎসালয় সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ বাহিৰেও উত্তৰ কাছাৰ পাহাৰৰ কানগুঙত, গাৰোপাহাৰৰ ৰাংজেনত, নগা পাহাৰৰ থিমকেদুমা আৰু যানহেবটত আৰু লুচাই পাহাৰৰ ভাহাইত চিকিৎসালয় আৰম্ভ কৰা হৈছে। লুচাই, নগা, আৰু মিকিৰ পাহাৰত ভ্ৰাম্যমান চিকিৎসালয় খোলা হৈছে।

শ্ৰীমন্ত শঙ্কৰ মিশ্যনত চকু চিকিৎসা কেন্দ্ৰ খুলিবলৈ আৰু এজন চিকিৎসকক চকুৰ বিষয়ে শিক্ষা দিবলৈ আৰ্থিক সাহায্য দিয়া হৈছে।

মেডিকেল কলেজৰ কেবাটাও ঘৰ সম্পূৰ্ণ কৰা হৈছে। ৩৮,০০,০০০৲ টকা খৰছ কৰি আৰু কিছু ঘৰ সাজিবলৈ মঞ্জুৰ কৰা হৈছে আৰু অহা বছৰলৈ তাৰ কাৰণে ১২ লাখ টকা ধৰা হৈছে। এম,বি পৰীক্ষাৰ ফলাফল সন্তোষজনক আৰু চমুতে এম,বি পঢ়াৰ ব্যৱস্থা কৰা হৈছে। ভূমিকম্প আৰু বানপানীত এই কলেজৰ শিক্ষক আৰু ছাত্ৰসকলে অতি প্ৰশংসনীয় কাম কৰিছে আৰু এই ছেগতে মই তেওঁলোকক ধন্যবাদ জনাওঁ।

**গাওঁ উন্নয়ন ঃ**—চলিত বছৰৰ বাজেটত গাওঁ পঞ্চায়ৎ বৃদ্ধি কৰিবৰ কাৰণে প্ৰায় ৫ লাখ টকা বাজেটত ধৰা হৈছিল। এটা চৰ্ত্ত আছিল যে ভাৰত চৰকাৰে আমাক এই ১২ লাখ টকা দিলেহে এই টকা খৰছ কৰা হব। কিন্তু ভাৰত চৰকাৰে এই টকা নিদিলে। গাৱঁলীয়া অঞ্চলৰ উন্নয়নমূলক কাম অলপো পলম কৰিব নোৱাৰি। গতিকে আমাৰ পুজি টনকিয়াল নহয় যদিও আমি এই ১২ লাখ টকা খৰছ কৰিলো। অহা বছৰলৈ বৰ্ত্তমান থকা পঞ্চায়ৎ বিলাকক দিবলৈ দুই লাখ ৪০ হেজাৰ টকা ধৰাৰ বাহিৰেও নতুনকৈ ১৫ খন পঞ্চায়ত খুলিবৰ কাৰণে ২,৭০,০০০৲ টকাৰ ব্যৱস্থা কৰা হৈছে।

ভাৰত চৰকাৰৰ পৰা যুদ্ধোত্তৰ মঞ্জুৰী বন্ধ কৰাৰ সময়ত স্বাবলম্বী প্ৰচেষ্টাৰ অনুদান নিধিও বন্ধ কৰা হৈছিল। কিন্তু পিছত সেই নিধি পুনৰ খোলা হল। অহা বছৰ স্বাৱলম্বী প্ৰচেষ্টাক অনুদান দিবলৈ অহা বছৰলৈ ৩ লাখ টকা ধৰা হৈছে। স্বাৱলম্বী প্ৰচেষ্টা আমাৰ গাৱঁলীয়া ৰাইজৰ অতি প্ৰিয় হৈ উঠিছে আৰু গাৱঁলীয়া মানুহক স্বাৱলম্বী হৈ নিজ নিজ অঞ্চলত উন্নতিমূলক কাম কৰিবলৈ সহায় কৰিছে।

আমি প্ৰশাসন দায়িত্ব গ্ৰহণ কৰাৰ পৰা গাৱঁলীয়া যাতায়াত আৰু গাওঁৰ খোৱা-পানীৰ ব্যৱস্থা কৰিবলৈ খুব ব্যগ্ৰ হৈ আহিছো। যোৱা বছৰ বাজেট বক্তৃতাত মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই এই কাৰণে কিমান টকা দিয়া হৈছে তাক ভালদৰে দেখুৱাইছিল। চলিত বছৰতো বাজেটত ধৰা সংখ্যাৰ লগত এই দুই শিতানত ৮,৩৩,০০০৲ টকাৰ সৈতে আৰু দহ লাখ টকা যোগ দিয়া হয়। অহা বছৰৰ কাৰণে খোৱা পানী যোগানৰ বাবে ৭,৫০,০০০৲ টকা আৰু যাতায়াতৰ কাৰণে ৭,৫০,০০০৲ টকা দিবলৈ থিৰ কৰা হৈছে।

লোকেল বোৰ্ডৰ চিকিৎসালয় বিলাকে গাৱঁলীয়া ৰাইজৰ চিকিৎসা কৰে। সেই বিলাকত ঔষধপাতি বঢ়াবৰ বাবে অহা বছৰলৈ ৬ লাখৰো অধিক টকা দিবলৈ থিৰ কৰা হৈছে।

**শিক্ষাঃ**—শিক্ষা বিষয়ত আমি কিমান আগ বাঢ়িছো এই বিষয়ে সদনে ভালকৈ জানে। ১৯৪৪-৪৫ চনত ছিলেটক ধৰি গোটেই অসমত শিক্ষাৰ কাৰণে চৰকাৰে খৰছ কৰিছিল ৫০,৬৭,০০০৲ টকা। চলিত বছৰত চৰকাৰে খৰছ কৰিছে ১,৫৩,০৩,০০০৲ টকা আৰু অহা বছৰত খৰছ হব ১,৬৯,৭৫,০০০৲ টকা। ছিলেটক বাদ দিও বাকী অসমৰ কাৰণে শিক্ষাৰ শিতানত এই চৰকাৰে কিমান খৰছ কৰিছে এইটো চাব লগীয়া।

**বাধ্যতামূলক প্ৰাথমিক শিক্ষাঃ**—বাধ্যতামূলক প্ৰাথমিক শিক্ষা খুব ভালদৰে আগ বাঢ়িছে। বৰ্ত্তমান সমতল জিলা কেইখনত স্কুল বৰ্ডৰ অধীনত ৯,১১০ খন প্ৰাইমাৰী স্কুল আছে আৰু ইয়াৰ ছাত্ৰ সংখ্যা ৫,১২,৮২৬ জন। এই সংখ্যা আমাৰ দেশৰ সৰু লৰা ছোৱালীৰ প্ৰায় আধা। বাধ্যতামূলক প্ৰাথমিক শিক্ষাই বৰ্ত্তমান আমাৰ দেশৰ লোকসংখ্যাৰ প্ৰায় ⅙ ভাগক স্পৰ্শ কৰিছে। অঁহা বছৰ বাধ্যতামূলক অঞ্চল বঢ়াবলৈ আৰু টকা ধৰা হৈছে।

জনজাতীয় অঞ্চলৰ কিছুমান স্কুলত সাধাৰণ শিক্ষাৰ বাহিৰেও এড়ি সূতা কাটিবলৈ শিকোৱা হৈছে। ঠায়ে ঠায়ে আদৰ্শ বিদ্যালয় খোলা হৈছে। সাহসী, সবল, চোকা বুদ্ধিৰ, স্বাস্থ্যবান, সৎচৰিত্ৰবান আৰু দেশ প্ৰেমিক ছাত্ৰ ছাত্ৰীৰ দল গঢ়ি তোলাই এই বিদ্যালয়বোৰৰ উদ্দেশ্য।

স্কুলৰ সংখ্যা বঢ়াবলৈ শিক্ষাপ্ৰাপ্ত শিক্ষক লাগে। এনে শিক্ষা ব্যৱস্থাৰ ফলত বৰ্ত্তমান আমাৰ ২,৪৩৩ জন শিক্ষাপ্ৰাপ্ত শিক্ষক আছে।

চলিত বছৰত চতিয়াত আৰু এটা শিক্ষা কেন্দ্ৰ খোলা হৈছে আৰু দুটা তেনে কেন্দ্ৰক আৰ্থিক সাহায্য দিবলৈ থিৰ কৰা হৈছে।

প্ৰাথমিক শিক্ষা বোৰ্ডৰ খৰচ অহা বছৰত ৬৫,৬০,৬৮২৲ টকা হব। ইয়াৰ বাহিৰেও চৰকাৰী প্ৰাথমিক স্কুলৰ সংখ্যা বাঢ়ি গৈ ৬২৮ খন হৈছে। যি স্থলত ১৯৪৪-৪৫ চনত মাত্ৰ ২,১৬,৩০৭৲ টকা খৰচ হৈছিল অহা বছৰত তাৰ বাবে খৰচ হব ৭,৫৯,৩১৯৲ টকা! চলিত বছৰত আৰু ২০ খন নতুন স্কুল খোলা হৈছে; আৰু বাজেটত ধৰা সংখ্যাৰ বাহিৰেও প্ৰাথমিক শিক্ষাৰ উন্নতিৰ কাৰণে ১,৩৩,০০০৲ টকা দিয়া হৈছে।

**সামাজিক শিক্ষা**:—ভাৰত চৰকাৰৰ উদ্যোগত ১৯৪৯-৫০ চনত সামাজিক শিক্ষা অভিযান আৰম্ভ কৰা হয়। ১৯৪৯-৫০ আৰু ১৯৫০-৫১ এই দুই বছৰত কেন্দ্ৰই আমাক বছৰি ৪ লাখ কৈ এই বাবদ টকা দিব লাগিছিল। কিন্তু কেন্দ্ৰই কোনো টকা নিদিলে। তথাপি আমাৰ অনাটনৰ মাজতো আমি এই অভিযানৰ খৰচ বহন কৰি আহিছোঁ।

**মাধ্যমিক শিক্ষা**:—১৯৪৪-৪৫ চনত ছিলেটক লৈ অসমত চৰকাৰী মাধ্যমিক স্কুল আছিল ৫৩ খন। আজি ছিলেট বাদ দিও আমাৰ দেশত তাৰ সংখ্যা ৬৭ খন। ১৯৪৪-৪৫ চনত এই শিতানত খৰচ আছিল ১১,৬২,৩৯৫৲ টকা। অহা বছৰ এই শিতানত খৰচ হব ২০,০০,৫৭৪৲ টকা। চলিত বছৰত এনে স্কুলৰ সংখ্যা আৰু দুখন বঢ়োৱা হ'ল। অহা বছৰত হাফলং উচচ বিদ্যালয়, মিকিৰ পাহাৰৰ এখন মজলীয়া ইংৰাজী বিদ্যালয় আৰু জনজাতীয় আৰু পিছপৰা অঞ্চলত থকা কেইবাখনো মজলীয়া স্কুল প্ৰান্তীয়কৰণ কৰিবলৈ টকা বাজেটত ধৰা হৈছে।

১৯৪৪-৪৫ চনত ছিলেটক ধৰি অসমত সাহায্যপ্ৰাপ্ত মাধ্যমিক স্কুল আছিল ৫০৬ খন, আজি তাৰ সংখ্যা ৫৮২ খন। ১৯৪৪-৪৫ চনত চৰকাৰে তেনে স্কুলক প্ৰত্যক্ষভাবে দিয়া সহায় আৰু তেনে স্কুলৰ কাৰণে স্থানীয় নিকায় সমূহক দিয়া সহায়ৰ পৰিমাণ আছিল ৫,৮৬,৪৩৬৲ টকা। চলিত বছৰত এই সংখ্যা হৈছে ২২,৭৬,০০০৲ টকা আৰু অহা বছৰলৈ ই হব ২৩ লাখ ৫৮ হাজাৰ ৩৩৭৲।

শিক্ষা বিষয়ত কিমান খৰচ হৈছে তাৰ এক তুলনামুলক বিবৰণ তলৰ তালিকাৰ পৰা পাব।

| — | ১৯৪৪-৪৫ | পুনৰালোচিত ১৯৫০-৫১ | বাজেট ১৯৫১-৫২ |
|---|---|---|---|
| | টকা | টকা | টকা |
| চৰকাৰী "আৰ্টছ্" কলেজ ... | ৪,৫৮,৯৮৭৲ (২ খন কলেজ) | ৪,১৮,৩২৩৲ (এখন কলেজ) | ৪,৩৯,৯৮৭৲ (এখন কলেজ) |
| বেচৰকাৰী "আৰ্টছ" কলেজ সমূহলৈ প্ৰত্যক্ষ মঞ্জুৰী। | ৫৮,৬২০৲ | ২,০৩,৯৯০৲ | ৩,৫২,৪৬৩৲ |
| চৰকাৰী "প্ৰফেছনেল" কলেজ সমূহ | ৫২,৭৫৪৲ | ১,২৬,৯১৩৲ | ১,৫৭,০১৬৲ |
| চৰকাৰী মাধ্যমিক বিদ্যালয় সমূহ ... | ১১,৬২,৩৯৫৲ | ১৮,১১,১৪১৲ | ২০,০০,৫৭৪৲ |

| — | ১৯৪৪-৪৫ | পুনৰালোচিত ১৯৫০-৫১ | বাজেট ১৯৫১-৫২ |
|---|---|---|---|
| | টকা | টকা | টকা |
| বেচৰকাৰী মাধ্যমিক বিদ্যালয় সমূহলৈ প্ৰত্যক্ষ মঞ্জুৰী। | ৫,০৪,২৫৫ | ১৯,০৯,১২০ | ১৯,৯৮,৯৩৭ |
| মাধ্যমিক বিদ্যালয় সমূহৰ বাবে স্থানীয় নিকায় সমূহলৈ মঞ্জুৰী। | ৪০,১৮১ | ৩,৬৬,৮৮০ | ৩,৫৯,৪০০ |
| চৰকাৰী প্ৰাথমিক বিদ্যালয় ... | ২,১৬,৩০৭ | ৬,১০,৮৩৬ | ৭,৫৯,৩১৯ |
| প্ৰাথমিক শিক্ষা-সভা ... ... ... | | ৫৬,৯৯,৯২৭ | ৬৫,৬০,৬৮২ |
| চৰকাৰী বিশেষ বিদ্যালয় আৰু কলেজ সমুহ। | ১,৩৪,০৭০ | ৭,৭৬,৭৮৮ | ১১,৫২,৩৬৪ |
| বেচৰকাৰী বিশেষ বিদ্যালয় সমূহ লৈ প্ৰত্যক্ষ মঞ্জুৰী। | ১,২৯,৭৩৯ | ১,৯৩,৪৭৫ | ১,৫৫,২৭৫ |
| বিশেষ শিক্ষাৰ বাবে স্থানীয় নিকায় সমূহ লৈ মঞ্জুৰী। | ২৪,৩৭৮ | ৩৪,১৬০ | ৩৭,৪১৮ |

চলিত বছৰত বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ সাজিবৰ কাৰণে আৰু ৫ লাখ টকা মঞ্জুৰ কৰা হৈছিল।

১৯৫১-৫২ চনৰ বাবে হাতত লোৱা নতুন আঁচনি সমূহৰ ভিতৰত যে শিক্ষাই এক লেখত লবলগীয়া অংশ পাইছে তাক নতুন আঁচনি সমূহৰ তালিকাই প্ৰমাণ কৰিব। ইয়াৰ ভিতৰত স্বায়ত্বশাসিত জিলা কেইখনত শিক্ষাৰ ব্যাপক প্ৰসাৰৰ আঁচনি আৰু এক বৈজ্ঞানিক ভিত্তিত সাহায্যপ্ৰাপ্ত কলেজ সমূহক অধিক মঞ্জুৰী দানৰ ব্যৱস্থা পৰিছে।

**বুনিয়াদী শিক্ষা**:—৮৫ টা নিম্নখাপৰ বুনিয়াদী বিদ্যালয় আৰু দুটা উচ্চ খাপৰ বুনিয়াদী বিদ্যালয়ৰ আৰু উন্নতি কৰা হৈছে। বুনিয়াদী বিদ্যালয়ৰ কাৰণে আৰু এশ জন শিক্ষকক শিক্ষা দিয়া হৈছে। শিক্ষা কেন্দ্ৰ বিলাকত সূতা কটা, তাঁত বোৱা, কৃষি, পাটপলু পোহা, বাঁহ আৰু বেটৰ কাম আৰু দুই এটা কেন্দ্ৰত মৌমাখি ৰখাৰ কাম শিকোৱা হৈছে। বুনিয়াদী বিদ্যালয় বিলাকত একোখন শাক-পাচলিৰ বাৰীও কৰা হৈছে।

**কাৰিকৰী শিক্ষা**:—যোৰহাট "টেকনিকেল স্কুলত" ডিপ্লোমা শ্ৰেণী খোলাৰ কাৰণে উচ্চ "মটৰ মেকানিকচ্" শ্ৰেণী তুলি দিয়া হৈছে। ইঞ্জিনিয়াৰিঙতো "ডিপ্লোমা" শ্ৰেণী খোলা হৈছে। ব্যৱসায়মূলক শ্ৰেণীয়ে বহুত ধৰণৰ বস্তু প্ৰস্তুত কৰিছে আৰু সেই বস্তু বিলাকৰ ভাল বিক্ৰীও হৈছে।

**কুটীৰ শিল্প** :—চাবোন তৈয়াৰ কৰাই বৰ্ত্তমান একমাত্ৰ কুটীৰ শিল্প চৰকাৰৰ হাতত আছে। এই অনুষ্ঠানে বজাৰৰ কাৰণে বহুত চাবোন আৰু সেই ধৰণৰ বস্তু তৈয়াৰ কৰিছে। এই বছৰত এই অনুষ্ঠানৰ পৰিসৰ আৰু কাৰ্য্য-তালিকা আৰু বৃদ্ধি কৰা হৈছে।

চামৰা আৰু জোতা তৈয়াৰ কৰা, তলা তৈয়াৰ কৰা কাম শিকা, খনি, মাটিৰ বাচন-বৰ্ত্তন তৈয়াৰ কৰা, ইলেকট্ৰিকেল আৰু মেকানিকেল ইঞ্জিনিয়াৰিং, চেনি, কাপোৰ আদি তৈয়াৰ কৰা প্ৰণালী আদি বিষয়ক শিক্ষা লবলৈ ৰাজহৰ পৰা আৰু "উইলিয়ামচন এনডাওমেণ্ট ফাণ্ড" আৰু "গোপালচন্দ্ৰ দাস ট্ৰাষ্ট ফাণ্ডৰ" পৰা বৃত্তি দিয়া হৈছে। স্বায়ত্বশাসিত জিলা বিলাকৰ উন্নয়ন পৰিকল্পনাৰ অধীনতো এই বিভাগে কিছু কাম হাতত লৈছে। ফল-মূল সংৰক্ষণ, চাবোন তৈয়াৰ, মাটিৰ বাচন তৈয়াৰ, বাঁহ আৰু বেটৰ কাম, মৌ-মাখি পালন, লা তৈয়াৰ আদি শিক্ষা লবলৈ অনেক বৃত্তি দিয়া হৈছে। অহা বছৰত মিকিৰ পাহাৰত বাঁহ আৰু বেটৰ কাম কৰিবলৈ শিকোৱা কেন্দ্ৰ এটি খুলিবলৈ থিৰ কৰা হৈছে।

**পাটপলু পালন** :—পাট বোৱা শিকোৱা দলবিলাকে সকলো জিলাতে বোৱতী সকলক শিক্ষা দি ফুৰিছে। তেওঁলোকে নতুন নতুন বোৱন প্ৰণালী শিকাইছে। দুজনী প্ৰদৰ্শিকা নিযুক্ত কৰি প্ৰদৰ্শিকাৰ সংখ্যা ছজনী কৰা হৈছে। তেওঁলোকে মহিলা সমবায় সমিতি আদি অনুষ্ঠানত বিশেষ সহায় কৰিছে। আইজালৰ "ৰীড গৃহত" বোৱণ শিক্ষা দিয়া শ্ৰেণী খোলা হৈছিল। এনে শ্ৰেণী শদিয়া, হাফলং আৰু লুংলেতো খোলা হৈছে।

এই বছৰত তলত দিয়া আঁচনি কেইখনৰ কাৰণে "কেন্দ্ৰীয় হেণ্ডলুম বৰ্ড"ৰ পৰা ৩৫,৩২১ টকা পোৱা হৈছিল,—(১) ৰং দিয়া, ধোৱা প্ৰণালীৰ উন্নয়ন, (২) টুবা আৰু পাছিঘাটত প্ৰশিক্ষণ কেন্দ্ৰ খোলা আৰু (৩) পুৰণা অসমীয়া চানেকীৰ গবেষণা আৰু উন্নয়ন। এই তিনি খন আঁচনিৰ কাম ভাল দৰে চলিছে।

বৰ্ত্তমান পাট পলু পালন-পাম ৭ খন আছে। গৌৰীসাগৰ, তিতাবৰ আৰু সেনধোৱা পামৰ আৰু পৰিসৰ বৃদ্ধি কৰা হৈছে। হাফলঙৰ এড়ি-পলু কেন্দ্ৰৰ কাম সুচাৰুৰূপে আগ বাঢ়িছে। মঙলদৈৰ পামত পাট-পলু পোঁহা আদি কামৰ কাৰণে দুটা ঘৰ সজা কাম আগ বাঢ়িছে।

সমতল অঞ্চলৰ পৰা ৩৩ জন আৰু পাহাৰ অঞ্চলৰ পৰা দহ জন চৰকাৰী বৃত্তি ভোগীয়ে গুৱাহাটীত চৰকাৰী বয়ন বিদ্যালয়ত শিক্ষা লাভ কৰিছে। তিতাবৰৰ পাট-পলু শিক্ষা কেন্দ্ৰ আৰু অন্যান্য পামতো বৃত্তিধাৰী কিছুমানক শিক্ষা দিয়া হৈছে। কাপোৰ তৈয়াৰ কৰা বিষয়ে তিনিজন বৃত্তি ধাৰীয়ে বিদেশত শিক্ষা লাভ কৰিছে; সুকুমাৰ কলাৰ বিষয়ে শান্তি নিকেতনত আৰু এজন বৃত্তিধাৰীয়ে শিক্ষা লৈছে।

পাহাৰী অঞ্চলত কিছুমান জাতীয় পলু পোঁহা প্ৰণালী দেখুৱাবৰ বাবে আৰু নুনী গছৰ পাত বৃদ্ধি কৰিবৰ কাৰণে আৰু পাট-পলুৰ কিনা বেচা কেন্দ্ৰ এটা খুলিবৰ কাৰণে কেন্দ্ৰীয় "চিল্কবৰ্ডে" ২৫ হাজাৰ টকা দিছে। এই বিলাক কাম আশানুৰূপে আগ বাঢ়িছে।
স্বায়ত্ব শাসিত জিলা বিলাকত পাট-শিল্প বৃদ্ধি কৰিবলৈ ৯৫,০০০৲ খৰচ পৰা আঁচনি এখন মঞ্জুৰ কৰা হৈছে।

**কাৰখানা** :—১৯৫০ চনৰ অসম কাৰখানা-বিধি বলবৎ কৰা হৈছে। ইয়াৰ ফলত ৰেজিষ্টাৰী কৰাৰ বাবদ মাচুলৰ পৰা ডেৰ লাখতো বেছি টকা ৰাজহলৈ আহিব। সোনকালে আৰু ভালদৰে পৰিদৰ্শন কৰিবৰ আৰু অনৰ্থক অহা যোৱা খৰছ বচাবৰ কাৰণে ডিব্ৰুগড় আৰু যোৰহাট অঞ্চলত এই বিভাগৰ শাখা অহা বছৰত খুলিবলৈ ঠিক কৰা হৈছে।

উমট্ৰু নদী পৰিকল্পনাৰ জৰীপ শেষ হৈছে আৰু সবিশেষ পৰীক্ষাৰ কাৰণে ফলাফল চি, ডব্লিউ, আই, এন, চিক দিয়া হৈছে। অৰ্থ অভাৱৰ কাৰণে অহা বছৰত আৰু কানো নতুন জৰীপ-পৰিকল্পনা লোৱা নহব।

**কাৰাগাৰ** :—সমতলৰ জিলা কেইখনত ৩,৫১৫ জন কয়দা ৰাখিব পৰাকৈ ১৪ খন কাৰাগাৰ আছে। অসাধাৰণ অৱস্থাৰ কাৰণে কয়দীৰ সংখ্যা খুব বেছি হৈছে। গতিকে কাৰাগাৰ বিলাক বহলাবলৈ আৰু মেৰামতি কৰিবলৈ চৰকাৰে চাৰি লাখ টকা মঞ্জুৰ কৰিছিল, কিন্তু অনেক অসুবিধাৰ কাৰণে কাম এইবাৰ সম্পূৰ্ণ কৰিব পৰা নাযাব আৰু অহা বছৰলৈও চলাই থকা হ'ব।

সায়ত্বশাসিত জিলা বিলাকৰ মাত্ৰ আইজাল আৰু টুৱাত দুখন কাৰাগাৰ আছে আইজালৰ কাৰাগাৰৰ কিছু উন্নতি কৰা হৈছে। দুই লাখ ২০ হাজাৰ খৰছ কৰি সজা কোহিমাৰ কাৰগাৰ প্ৰায় সম্পূৰ্ণ হওঁ হওঁ হৈছে।

**কানি-কাপোৰ** :—৩,৪৯,৬৫,০০০৲ টকা মূল্যৰ ৩৮৬২৪ গাঁথ কাপোৰ চৰকাৰে কিনিছিল। যোৱা ৩০ চেপ্টেম্বৰ পৰ্য্যন্ত ৩,৬৩.০৬,০০০৲ টকা মূল্যৰ কাপোৰ বিক্ৰী হ'ল। ইয়াৰ পৰা ৩,৫০,২৪,০০০৲ টকা লৈ আৰু চৰকাৰী পুঁজিৰ পৰা ২,১১,৩৩৮৲ টকা লৈ "ইম্পিৰিয়েল বেঙ্ক"ৰ ধাৰ সম্পূণ ৰূপে পৰিশোধ কৰা হ'ল। ২ লাখ মান টকাৰ মূল্যৰ বাকী থকা কাপোৰ বিক্ৰী হ'ব ধৰিছে। কাপোৰ অনা আৰু বিক্ৰী কৰা ভাৰ পনৰ বেচৰকাৰী ব্যৱসায়ক এৰি দিয়া হৈছে।

**আবকাৰী**—কানি নিবাৰণী অভিযান চলি থকা বাবে মদ নিবাৰণী প্ৰচেষ্টা চলাব পৰা হোৱা নাই। তথাপি মদ পান কমাবলৈ চৰকাৰে তলত দিয়া কেইটামান ব্যৱস্থা হাতত লৈছে, (১) লিডু মাৰ্ঘেৰিটা আৰু গোৱালপাৰা অঞ্চলত দেশী মদ বিক্ৰীত কিছুমান বাধা-নিষেধ সৃষ্টি কৰা হৈছে;

(২) গোৱালপাৰা মহকুমাৰ ওচৰত থকা ধুবুৰী মহকুমা আৰু কামৰূপ জিলাৰ মদৰ দোকানবোৰ স্বাধীনতা দিনত, গান্ধীজয়ন্তী দিনত, বিজয়া দশমী দিনত আৰু প্ৰত্যেক ৰবিবাৰে বন্ধ কৰি ৰখা হৈছে,

(৩) ২১ বছৰৰ কম বয়সীয়া লোকক আৰু ছাত্ৰক মদ বেচা বন্ধ কৰা হৈছে।

বিদেশী মদ বন্ধ কৰিবৰ উদ্দেশ্যে ৰেলৰ "ৰিফ্ৰেছমেণ্টৰুম" আৰু "দাইনিং কাৰতো" মদ বেচা বন্ধ কৰিছে, বৰ্ত্তমান চলি থকা লাইছেন্সৰ মিয়াদ উকলি গলেই জাহাজতো মদ বেচা বন্ধ কৰিবলৈ থিৰ কৰিছে আৰু নতুন মদৰ দোকানক লাইচেন্স নিদিবলৈ থিৰ কৰিছে।

সমতল জিলা কেইখনৰ বাহিৰেও খাচীয়া জয়ন্তীয়া আৰু মিকিৰ পাহাৰত কানি সম্পূণ বন্ধ কৰা হৈছে। কানীয়াক চিকিৎসা কৰিবলৈ নংপুত এখন "সাম্প্ৰাতিক চকিৎসালয়" খোলা হৈছিল। জানিব পৰা গৈছে যে চিকিৎসাৰ ফলত আন কি বুঢ়া কানিয়াৱো কানি এৰিছে। মিকিৰ পাহৰতো এনে চিকিৎসালয় খুলিবলৈ থিৰ কৰা হৈছে। গাৰো পাহাৰ আৰু লুচাই পাহাৰত কানি প্ৰচলন একেবাৰেই নাই। নগা পাহৰত আৰু উত্তৰ কাছাৰ পাহাৰত ডাক্তৰৰ চাৰ্টিফিকেট থকা মানুহকহে অকল কানি দিয়া হয়।

**পৰিবহন** :—সৰঞ্জামৰ দাম শতকৰা ৫০ টকাৰ পৰা ৯০ টকালৈকে বঢ়াৰ স্বত্বেও, ৰেল জাহাজৰ অসুবিধাৰ কাৰণে ৰেল-জাহাজৰ যোগে বয়-বস্তু পঠোৱা প্ৰায় বন্ধ হোৱা স্বত্বেও আৰু ৰাস্তাৰ কৰ আৰু মটৰৰ ওপৰত কৰ বেছি হোৱা স্বত্বেও পাণ্ডু গুৱাহাটী-শ্বিলং আৰু গুৱাহাটী ডিব্ৰুগড় পথত যোৱা ৩০ চেপ্তেম্বৰলৈকে ছমাহত ১১ লাখৰো বেছি টকা লাভ হৈছে। মূল ধনৰ প্ৰায় আধা লাভ হিচাপে আহিছে। অহা বছৰত গুৱাহাটী গোৱালপাৰা আৰু শিলঘাট চাপৰমুখ এই দুটা ৰাস্তাৰ পৰিবহন চৰকাৰে লবলৈ ঠিক কৰিছে। যান-বাহনত যাত্ৰীসকলে যথেষ্ট সুবিধা পায় বুলি আৰু কৰ্ম্মীসকলৰ লগত চৰকাৰৰ সম্বন্ধ সন্তোষজনক বুলি জানিব পৰা গৈছে।

**সমবায়**—সমবায় অনুষ্ঠান বিলাকৰ ওপৰত নিয়ন্ত্ৰণ ভালকৈ ৰাখিবলৈ সমবায় বিধেয়ক ১৯৫০ চনৰ ১লা এপ্ৰিলৰ পৰা বলবৎ কৰা হৈছে। পৰিদৰ্শণ কাৰ্য্যৰ পৰা হিচাব পৰীক্ষা কাম সুকীয়া কৰা হৈছে আৰু হিচাব পৰীক্ষা আৰু হিচাব পৰীক্ষাৰ কাৰণে দিব লগা মাচুলৰ হিচাবৰ কাৰণে এজন প্ৰধান পৰীক্ষক নিযুক্ত কৰা হৈছে। মৰেঁা মৰেঁা অৱস্থাৰ সমবায় বিলাক বন্ধ কৰিবলৈ আৰু বন্ধ হোৱা সমবায় বিলাকৰ দেনা-পাওনা সাং কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই কাৰ্য্যৰ কাৰণে এজন সুকীয়া বিষয়া নিযুক্ত কৰা হৈছে।

সমবায় ধাৰাত কুটীৰ শিল্প এতিয়াও ভালদৰে গঢ়ি উঠা নাই। বৰ্ত্তমান প্ৰায় ১২৩ খন সমবায় তাঁত বোৱা সমিতি, ২৯ খন সমবায় মাছ ব্যৱসায়ী সমিতি, ১ খন কাঁহ-পিতলৰ কাম কৰা সমবায় সমিতি আৰু ৩ খন ছাটি তৈয়াৰ কৰা সমবায় সমিতি আছে। অসম ছাটি সমবায় সমিতিয়ে আমাৰ দেশৰ বাহৰ পৰা ছাটিৰ নাল তৈয়াৰ কৰা কাম হাতত লৈছে আৰু এওঁলোকৰ কাৰ্য্যৰ পৰিধি বঢ়াইছে। বৰ্ত্তমান প্ৰায় ৪,০০০ খন সমবায় সমিতি আছে। তাৰ ভিতৰত ১০ খন কৃষি সমিতি। চৰকাৰৰ উদ্দেশ্য হৈছে যে ভালদৰে সমবায় নিয়মত কাম কৰিব পৰা সমিতিকহে ৰক্ষণাবেক্ষণ কৰিব লাগে আৰু যি সমিতিয়ে সভ্য সকলৰ ভিতৰত সমবায় ভাব সৃষ্টি কৰিব নোৱাৰে তেনে সমিতি গঠন কৰাত চৰকাৰে সহায় নকৰাই ভাল।

**পৰিসংখ্যা বিজ্ঞান বিভাগ।**—গাৱঁলীয়া আৰ্থিক অৱস্থাৰ সমীক্ষণ আঁচনি মতে ২১,৬০৯ টকা পৰিবাৰৰ কৃষি আৰু অৰ্থিক অৱস্থাৰ বিষয়ে পৰিবেক্ষণ কৰা হয়। দৰং জিলাৰ সমীক্ষণ ৰিপোট প্ৰকাশ কৰা হয়। শিৱসাগৰ জিলাৰ সমীক্ষণ ৰিপোৰ্ট প্ৰস্তুত কৰা হৈছে। অন্য জিলা কেই খনৰ পৰা পোৱা খবৰবোৰৰ বিতং পৰীক্ষা চলিছে। শিক্ষা বিভাগৰ নিৰ্দ্দেশ মতে কামৰূপ, গোৱালপাৰা, নগাওঁ আৰু কাছাৰ জিলাত এটা চুটি প্ৰণালী মতে ৬ বছৰৰ পৰা ১১ বছৰীয়া ছাত্ৰ ছাত্ৰীৰ পঢ়া সমন্ধে অনুসন্ধান চলোৱা হৈছিল। ইয়াৰ প্ৰথম তিনিখন জিলাৰ পৰা পোৱা খবৰৰ বিতং পৰীক্ষা আৰম্ভ হৈছে।

ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সংযোগত জাৰকালিৰ ধানৰ আৰু আলুৰ বিষয়ে পৰীক্ষা চলোৱা হৈছে। ৰাজহ আৰু কৃষি বিভাগৰ প্ৰস্তাৱ মতে কৃষিৰ পৰিসংখ্যা আৰু ভালদৰে গোটাবলৈ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। অৰ্থৰ অভাৱত এই আঁচনিৰ পৰিধি এখন বা দুখন জিলাতে সীমাবদ্ধ কৰি ৰাখিব লগা হব। অধিক শস্য উৎপাদন আঁচনিৰ ফলাফল কি হৈছে তাক নিৰ্ণয় কৰিবলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সংযোগত কামৰূপ নগাওঁ আৰু দৰং জিলাত কাম চলোৱা হৈছে।

**পুলিচ।**—এই বছৰ অঁনাতাৰ বিভাগটো বঢ়াবলৈ এটা পৰিকল্পনা হাতত লোৱা হৈছে। যোৱা ভূমিকম্প আৰু বানপানীৰ পিছত বহু দিনলৈ অনেক ঠাইৰ লগত বেতাৰৰ বাহিৰে আৰু কোনো ৰকম সংযোগ ৰাখিব পৰা নহৈছিল। আজিও অনাতাৰৰ বাহিৰে অন্য ধৰণে সংযোগ ৰাখিব নোৱাৰা ঠাই আছে। অনাঁতাৰ সকলো ধৰণৰ সংযোগতকৈ বেছি বেগী। গতিকে এই অনাঁতাৰ বৃদ্ধিৰ সুফল হাতে হাতে পোৱা হৈছে।

দেশৰ অৱস্থা চাই সময়ে সময়ে ঠায়ে ঠায়ে পুলিচৰ সংখ্যা বৃদ্ধি কৰিব লগা হৈছে। দেখা যায় যে সোনকালে এঠাইৰ পৰা আনঠাইলৈ যাব পৰা পুলিচ বাহিনীৰ পক্ষে আৱশ্যকীয় কথা। গতিকে এই বছৰত ৩৩ খন মটৰ কিনিবলৈ ঠিক কৰা হৈছে আৰু অহা বছৰলৈকে গাড়ী কিনিবলৈ টকা ধৰা হৈছে।

এই খিনিতে মই কব খোজো যে এই বছৰ ভাৰতীয় বিপ্লবী কমুনিষ্ট দল বৰ কাৰ্য্যতৎপৰ হৈ উঠিছিল। তেওঁলোক ১২ টা হত্যাকাণ্ড, ১৬ টা ডকাইতি আৰু অশেষ অন্যান্য অপৰাধৰ কাৰণে দায়ী। গতিকে অসম পুলিচ বেটেলিয়ানৰ সহায়ত কামৰূপ আৰু শিৱসাগৰ জিলাত এই বিপ্লবী দলৰ বিৰুদ্ধে অভিযান চলাব লগা হৈছিল। ফলত ১২৫০ জনৰো বেছি লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ১১৫ জনৰ দণ্ড হৈছে আৰু ২০০ জন মানৰ বিপক্ষে বিচাৰ চলি আছে। ৮৫০ জনৰো অধিক মানুহক এৰি দিয়া হৈছে।

১৯৫০ চনৰ প্ৰথম কেইমাহতে হোৱা সাম্প্ৰদায়িক অশান্তৰি কাৰণে প্ৰায় ৭ হেজাৰ লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ ভিতৰত ২৫০ জনৰ বিচাৰত দণ্ড হৈছে আৰু প্ৰায় ২৯০০ জনৰ বিপক্ষে বিচাৰ চলি আছে।

আইন আৰু শৃঙ্খলা ৰক্ষা কৰাৰ বাহিৰেও ভূমিকম্প আৰু বানপানীৰ পিছত সেই অঞ্চল বোৰত পুলিচ বাহিনীয়ে অনেক কাম কৰিছিল। তেওঁলোকে ওলাব নোৱাৰা অৱস্থাত বন্ধ হৈ থকা মানুহক উদ্ধাৰ কৰিছিল, মানুহৰ হেৰুৱা সম্পত্তি বিচাৰি উলিয়াইছিল, মানুহ আৰু গৰু-মহৰ খাদ্য যোগান দিছিল। দুৰ্দ্দশা গ্ৰস্তসকলক খোৱা বস্তু আৰু কানি-কাপোৰ বিতৰনত সহায় কৰিছিল আৰু অপৰাধ বন্ধ কৰিবলৈ ব্যৱস্থা লৈছিল।

শৃঙ্খলা আৰু মনোবল পুলিচ বাহিনীৰ বাবে অতি আৱশ্যকীয় গুণ। আমাৰ আৰ্থিক অৱস্থা অনুপাতে এই বিষয়ে যিমানদূৰ কৰিব পাৰি আমি কৰিছো। মই আনন্দেৰে জনাব খোজো যে আমাৰ পুলিচ বাহিনীৰ শৃঙ্খলা আৰু মনো বল সন্তোষজনক।

**শ্ৰম বিভাগঃ—**শ্ৰম বিভাগীয় ক্ষেত্ৰত বনুৱা আৰু মালিকৰ ভিতৰত বিবাদ নোহো-ৱাকৈ ৰখাই আৰু বনুৱা সকলৰ জীৱনৰ মানদণ্ডৰ উন্নয়ণ কৰিবলৈ তেওঁলোকৰ মাজত উন্নতি-মূলক কাম চলোৱাই চৰকাৰৰ কৰ্ত্তব্য। তাকে কৰিবলৈ চৰকাৰে ত্ৰিদলীয় সন্মি-লনৰ যোগেদি সদায় চেষ্টা কৰে। ত্ৰিদলীয় সন্মিলনত তিনিও পক্ষৰে মাজত মতামত প্ৰকাশ আৰু সু-আলোচনা হয়। এইটো আনন্দৰ বিষয় যে চৰকাৰৰ চেষ্টাৰ ফলত বৃহৎ ধৰ্ম্মঘট হোৱা নাই আৰু সৰু সুৰা ধৰ্ম্মঘটবো সংখ্যা প্ৰতি বছৰে কমি আহিছে। তিনি বছৰৰ ভিতৰতে ধৰ্ম্মঘট কৰোতা বনুৱাৰ সংখ্যা ২৪,০২১ ৰ পৰা ৩,৩২৪ লৈ কমিছে। আৰু নষ্ট হোৱা শ্ৰমদিনৰ সংখ্যাও ৭৮,৫৪১ ৰ পৰা ২,৯৩৪ লৈ কমিছে। ১৯৪৮ চনত ২৮৫ খন বিবাদ মিতমাত কৰা হৈছিল। ১৯৫০ চনত অক্টোবৰ মাহলৈকে ৬১০ টা বিবাদ মিতোৱা হৈছে। ধৰ্ম্মঘট কমাৰ ইয়েই মূল কাৰণে। ১৯৩৬ চনৰ মজুৰী দান অধিনিয়ম, পৰিবহন আৰু জাহাজৰ বন্দৰ আদিতো বলবৎ কৰা হৈছে। ১৯৪৮ চনৰ দোকান আৰু প্ৰতিস্থান আইন শ্বিলং, গুৱাহাটী, বৰপেটা, ধুবুৰী, গোৱালপাৰা, নগাওঁ, যোৰহাট, গোলাঘাট, ডিব্ৰু-গড়, তিনচুকীয়া, শিলচৰ আৰু কৰিমগঞ্জ চহৰত বলবৎ কৰা হৈছে। ইয়াৰ ফলত অনেক সংখ্যক দোকানৰ গোমাস্তাৰ উপকাৰ হৈছে। ১৯৫০ চনৰ কাৰখানাৰ বিধি প্ৰৱৰ্ত্তন কৰা হৈছে। এই নিয়মমতে কাৰখানাৰ বনুৱাই বহুত সুবিধা পাব আৰু তেওঁলোকৰ জীৱন আৰু সুখময় হব। চাহবাগান, তেল আৰু কলৰ মিল, ৰাস্তা আৰু ঘৰ সজা আদি ব্যৱসায়ত নিযুক্ত বনুৱাৰ সৰ্ব্বনিম্ন মজুৰী ধাৰ্য্য কৰিবলৈ কাম হাতত লোৱা হৈছে। মাতৃত্ব কালত পোৱা ছুটী ৮ সপ্তাহৰ পৰা ৯ সপ্তাহ কৰিবলৈ মাতৃত্ব সুবিধা অধিনিয়ম সংশোধনী বিধেয়ক এই সদনৰ আগত দাঙি ধৰা হব।

কেইবাখনো ত্ৰিদলীয় সন্মিলনত হোৱা চুক্তিবোৰৰ ফলত খোৱা বস্তুৰ যোগান আৰু ৰেচনৰ পৰিমাণ সম্পৰ্কীয় কেইবাটাও সমস্যাৰ সমাধান হৈছে। এনে সন্মিলনৰ ফলতে চাহ বাগানত কাম কৰা ৫৫৲ টকা বা তাতকৈ বেছি দৰমহা পোৱা কেৰাণী সকলৰ "প্ৰভিডেণ্ট" ফণ্ডৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থা বেচিভাগ চাহাবৰ বাগিছাত আৰম্ভ কৰা হৈছে। বাগানৰ বনুৱাৰ থকাঘৰৰ বিষয়ে এখন আঁচনি গৃহীত হৈছে, আৰু এই আঁচনি মতে কাম আৰম্ভ হৈছে। বাগানৰ বনুৱাক শিক্ষা দিবলৈ এখন "কেন্দ্ৰীয় শিক্ষা সভা" গঠন কৰিবলৈ প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। ডক্তৰ লয়ড্ জনচে সুপাৰিশ কৰা হাৰ মতে বনুৱাক চিকিৎসা সুবিধা দিবলৈ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। ভাৰতীয় চাহ সংঘৰ অনেক বাগানে এই আঁচনি কাৰ্য্যত লগাইছে।

হিন্দুস্থান মজদুৰ সংঘ, জনজাতীয় কল্যাণ সংঘ, প্ৰান্তীয় কস্তুৰবা গান্ধী ন্যাস সমিতি, অসম প্ৰাক্তন চাহ শ্ৰমিক সংঘ আদিৰ সহায়েৰে বনুৱাৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে ব্যৱস্থা কৰিবলৈ চৰকাৰে এখন বনুৱা কল্যাণ আঁচনি হাতত লৈছে। বনুৱাক আৱশ্যকীয় হাতৰ কাম, আৰু সংঘবদ্ধভাবে সামাজিক কাম কৰিবলৈ শিকোৱা হব। লোক-গীতি

লোক-নৃত্য, যাত্ৰাভিনয় আদি কৰি তেওঁলোকৰ মানসিক উন্নতিও সাধন কৰা হ'ব। এই আচনি কাৰ্য্যকৰী কৰিবলৈ আৰু বিভিন্ন কাৰ্য্যাৱলীৰ সমন্বয় ঘটাবলৈ মাননীয় শ্ৰমমন্ত্ৰীৰ সভাপতিত্বত এখন বনুৱা কল্যাণ সভা পতা হৈছে।

দেশজুৰি খাদ্যভাব হোৱাত বনুৱা আৰু মালিক সকলৰ সন্মতিক্ৰমে সৰ্ব্বভাৰতীয় ৰেচনৰ হাৰ বাগান বিলাকতো প্ৰৱৰ্ত্তন কৰা হৈছে। বনুৱা সকলে তেওঁলোকৰ নিজ খেতিৰ পৰা পোৱা তিনি ভাগৰ দুভাগ ধানৰ পৰিমাণে কম ৰেচন লবলৈ স্বীকৃত হৈছে। দেশৰ এনে খাদ্য সমস্যা সমাধানৰ অৰ্থে বনুৱা সকলে এই প্ৰস্তাৱত মান্তি হোৱাত চৰকাৰে তেওঁলোকৰ অশেষ শলাগ জনাইছে।

বিভিন্ন বিভাগৰ কাৰ্য্যৰ এই আলোচনাৰ পিছত মই এতিয়া মাননীয় সদস্য সকলৰ দৃষ্টি বাজেটৰ সংখ্যালৈ আকৰ্ষণ কৰো। সেই অৰ্থে ১৯৪৯-৫০ চনৰ প্ৰকৃত খৰচ-পাতিতে আৰম্ভ কৰোঁ।

## ১৯৪৯-৫০

**ৰাজহ** :—১৯৪৯-৫০ চনৰ সংশোধিত বাজেটৰ ৯,০৭,৪২,০০০৲ টকা ৰাজহ আৰু ৯,৬৪,২৮,০০০৲ টকা খৰচ আৰু ফলত ৫৮,৮৬,০০০৲ টকা ঘাটি হব বুলি অনুমান কৰা হৈছিল। মই সদনক জনাবলৈ পাই আনন্দ পাইছোঁ যে প্ৰকৃততে ৩৫,৮৯,০০০৲ টকা ৰাহিহে হল। ১,২২,৭২,০০০৲ টকা বেছি আয় হৈ ৰাজহ হল ১০,৩০,১৪,০০০৲ টকা। ইয়াৰে ফল কিছু কটা গল খৰছৰ শিতানত ২৭,৯৭,০০০৲ টকা বেছি হৈ। আনুমানিক খৰছ ৯,৬৪,২৮,০০০৲ টকাৰ ঠাইত প্ৰকৃত খৰছ হল ৯,৯৪,২৫,০০০৲ টকা। আয়কৰ, বনকৰ অন্যান্য কৰ, ভুমি ৰাজহ, শুল্ক, মটৰ গাড়ীৰ কৰ আদিয়েই এই ৰাজহ বৃদ্ধিৰ মুল কাৰণ; যদিও চিকিৎসা, লোকস্বাস্থ্য আৰু সংমিশ্ৰণ শিতানত অলপ অলপ বেছি আয় হৈছিল, পুলিচ, কৃষি আৰু গড়কাপ্টানি শিতানৰ ৰাজহ কমিছিল। সবিশেষ স্মাৰকপত্ৰত বাখ্যা কৰা হৈছে।

**ব্যয়** :—সাধাৰণ প্ৰশাসন, ন্যায় প্ৰশাসন, কাৰাগাৰ, শিক্ষা, চিকিৎসা, গাওঁ উন্নয়ন আৰু পাটপলু আৰু বয়ন বিভাগত খৰছ ভালকৈয়ে বাঢ়িছিল। গড়কাপ্টানি, নৌ-পৰিবহন, আবকাৰী আৰু ৰাজস্ব বিভাগত খৰছ কমিছিল। সবিশেষ স্মাৰক লিপিত বাখ্যা কৰা হৈছে।

তলত দিয়া তালিকাই এই সকলো বিষয়ে চমু আভাষ এটা দিব।

| | বাজেট ১৯৪৯-৫০ | পুনৰালোচিত ১৯৪৯-৫০ | প্ৰকৃত ১৯৪৯-৫০ | + বা − |
|---|---|---|---|---|
| | (হাজাৰ) | (হাজাৰ) | (হাজাৰ) | (হাজাৰ) |
| প্ৰাপ্ত ৰাজহ ... ... | ৮,৯১,৭৭ | ৯,০৭,৪২ | ১০,৩০,১৪ | +১,২২,৭২ |
| ব্যয় হোৱা ৰাজহ ... | ৯,৫২,৩৫ | ৯,৬৬,২৮ | ৯,৯৪,২৫ | +২৭,৯৭ |
| প্ৰাপ্ত মূলধন ... ... | ১৩,৫৮,৬৭ | ১৫,৭৭,৫২ | ৩৪,৫৪,২৪ | +১৮,৭৬,৭২ |
| ব্যয় হোৱা মূলধন ... | ১৫,৬১,৫৮ | ১৬,০২,৫২ | ৩৫,০৮,৭৯ | +১৯,০৬,২৭ |
| মুঠ প্ৰাপ্তি ... ... | ২২,৫০,৪৪ | ২৪,৮৪,৯৪ | ৪৪,৮৪,৩৮ | +১৯,৯৯,৪৪ |
| মুঠ ব্যয় ... ... | ২৫,১৩,৯৩ | ২৫,৬৮,৮০ | ৪৫,০৩,০৪ | +১৯,৩৪,২৪ |
| আৰম্ভনি তহবিল (বেলেঞ্চ) | ৪,৪০,৭০ | ২,২০,৭১ | ২,২২,১৬ | +১,৪৫ |
| সামৰনি তহবিল (বেলেঞ্চ) | ১,৭৭,২১ | ১,৩৬,৮৫ | ২,০৩,৫০ | +৬৬,৬৫ |

## ১৯৫০-৫১

১৯৫০-৫১ চনৰ সংশোধিত হিচাবৰ প্ৰসঙ্গত জনাবলৈ পাই মই আনন্দ পাইছো যে আমি ৰাজহ বৃদ্ধি কৰিবলৈ আৰু খৰছ কমাবলৈ কৰা প্ৰচেষ্টা ফলৱতী হৈছে আৰু আমি ভয়খোৰা বিপদৰ পৰা হাত সাৰি থাকিব পাৰিছোঁ। মূল বাজেটত ৯,০১,৬৪,০০০৲ খাজনাৰ বিপক্ষে ৯,৮৮,৫৩,০০০৲ খৰছ হৈ ৮৬,৮৯,০০০৲ টকা ঘাটি হ'ব বুলি ভয় কৰা হৈছিল। তাৰ পাছতো প্ৰায় ৩০.০০,০০০৲ টকা খৰচ মঞ্জুৰী কৰাৰ কাৰণে ঘাটি ১,১৬,৮৯,০০০৲ হ'ব পাৰিলে হেঁতেন। কিন্তু সংশোধিত হিচাবত এই ঘাটি কমি গৈ মাত্ৰ ৮,১০,০০০৲ হ'ব বুলি অনুমান কৰা হৈছে। এই হিচাবত ৰাজহ ধৰা হৈছে ৯,৮৬,১৩,০০০৲ আৰু খৰচ ধৰা হৈছে ৯,৯৪,২৩,০০০৲। কৃষি আয়কৰ, আবকাৰী, মটৰ-গাড়ী কৰ, গড়কাপ্টানি, অন্যান্য কৰ আৰু মুদ্ৰাঙ্ক দেয় শিতানত বেছি ৰাজহ পোৱা যাব বুলি ধৰা হৈছে। ভূমি-ৰাজহ, আবকাৰী, মটৰ-গাড়ী কৰ, সুদ আৰু সাধাৰণ প্ৰশাসনত আগেয়ে ধৰাতকৈ খৰছ কম হ'ব বুলি অনুমান কৰা হৈছিল। কিন্তু বন-বিভাগ, ন্যায়-প্ৰশাসন, কাৰাগাৰ, পুলিচ, শিক্ষা, চিকিৎসা, লোকস্বাস্থ্য, সমবায়, দুৰ্দ্দশা-সাহায্য, কুটীৰ শিল্প, সংমিশ্ৰন, পাট-পলু আৰু বয়ন বিভাগ আৰু নৌ-পৰিবহন মথাউৰি খনন বিভাগত খৰছ আগেয়ে ধৰাতকৈ বেছি হ'ব। সবিশেষ স্মাৰক পত্ৰত দিয়া হৈছে।

মাননীয় সদস্য সকলে লক্ষ্য কৰিব যে বেছি ৰাজহ হৈছে যোৱা বাজেট অধিবেশনত মাননীয় সদস্য সকলে কিছুমান কৰৰ হাৰ বৃদ্ধি কৰিবলৈ সম্মতি দিয়াৰ কাৰণে আৰু দিব-লগীয়া কৰ লুকুৱাৰ আৰু চোৰাং আবকাৰীৰ বিপক্ষে অভিযান চলোৱাৰ কাৰণে। সদনে আৰু লক্ষ্য কৰিব যে কিছুমান শিতানত খৰছ বেছি হোৱাৰ কাৰণ ভূমিকম্প আৰু বান পানীয়ে সৃষ্টি কৰা অৱস্থা আৰু স্বায়ত্ব শাসিত জিলা বিলাকৰ উন্নয়ন-পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকা খৰছ। তেখেত সকলে আৰু লক্ষ্য কৰিব যে জাতি-গঠন কামত প্ৰত্যেক ভাবে নলগা শিতানত খৰছ ভাল দৰে কমোৱা হৈছে।

এই খিনিতে মই ক'ব পাৰোঁ যে যদিও দেখাত ৮ লাখ টকা ঘাটি হৈছে, দৰাচলতে ২৭ লাখ টকা ৰাহিহে হৈছে। কাৰণ, আকস্মিক নিধিত ৩৫ লাখ টকা জমা থাকি গৈছে।

তলৰ তালিকাই এই অৱস্থাৰ চমু আভাস দিব

| | ১৯৪৯-৫০ (প্ৰকৃত) | ১৯৫০-৫১ (বাজেট) | ১৯৫০-৫১ (পুনৰালোচিত) | ১৯৫১-৫২ (বাজেট) |
|---|---|---|---|---|
| | (হাজাৰ) | (হাজাৰ) | (হাজাৰ) | (হাজাৰ) |
| প্ৰাপ্ত ৰাজহ … … | ১০,৩০,১৪ | ৯,০১,৬৪ | ৯,৮৬,১৩ | ৯,৬২,৪০ |
| ব্যয় হোৱা খৰছ … … | ৯,৯৪,২৫ | ৯,৮৮,৫৩ | ৯,৯৪,২৩ | ১০,৬০,২৪ |
| প্ৰাপ্ত মূলধন … … | ৩৪,৫৪,২৪ | ১৬,৮৯,৭৩ | ১৭,৩২,৪৩ | ১৪,৫২,৬৪ |
| ব্যয় হোৱা মূলধন … … | ৩৫,০৮,৭৯ | ১৫,৯৫,২০ | ১৭,৩৪,২৯ | ১৪,৫৭,৮২ |
| মুঠ প্ৰাপ্তি … … | ৪৪,৮৪,৩৮ | ২৫,৯১,৩৭ | ২৭,১৮,৫৬ | ২৪,১৫,০৪ |
| মুঠ ব্যয় … … … | ৪৫,০৩,০৪ | ২৫,৮৩,৭৩ | ২৭,২৮,৫২ | ২৫,১৮,০৬ |
| আৰম্ভনি তহবিল … … | ২,২২,১৬ | ১,৩৬,৮৫ | ২,০৩,৫০ | ২,২৮,৫৪ |
| সামৰণি তহবিল … … | ২,০৩,৫০ | ১,৭৯,৪৯ | ২,২৮,৫৪ | ১,২৫,৫২ |

## ১৯৫১-৫২

অহা বছৰলৈ তেনে সন্তোষজনক অৱস্থা দেখাব নোৱাৰি মই দুঃখিত। অহা বছৰলৈ ৰাজহ ৯,৬২,৪০,০০০, খৰছ ১০,৬০,২৪,০০০ আৰু ঘাটি ৯৭,৮৪,০০০ হ'ব বুলি আশঙ্কা কৰা হৈছে। আয়কৰৰ বাহিৰে সকলো প্ৰধান শিতানতে ৰাজহ বেছি হ'ব বুলি অনুমান কৰা হৈছে। তথাপি মুঠ ৰাজহ চলিত বছৰৰ ৰাজহতকৈ কম হ'ব। তাৰ কাৰণ চলিত বছৰত শ্বিলং-শিলচৰ ৰাস্তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৮৬ লাখ টকা পোৱা হৈছে। অহা বছৰ তেনে কোনো পাওনা নাই।

ভূমি-ৰাজহ, আবকাৰী বনবিভাগ, সাধাৰণ প্ৰশাসন, কাৰাগাৰ, পুলিচ, শিক্ষা, চিকিৎসা, লোকস্বাস্থ্য, পশু চিকিৎসা, সমবায়, গাওঁ উন্নয়ন, কুটীৰ শিল্প আৰু গড়কাপ্টানি বিভাগত বেছি খৰচ হ'ব বুলি অনুমান কৰা হৈছে। ইয়াৰ কাৰণ দুটা—(১) ভূমিকম্প আৰু বানপানীৰ ফলত কিছুমান খৰছ হ'ব। (২) স্বায়ত্বশাসিত জিলা বিলাকৰ আৰম্ভ কৰা উন্নয়ন কাৰ্য্য অহা বছৰত আৰু আগ বাঢ়িব। সদনে লক্ষ্য কৰিব যে আশঙ্কিত ঘাটি স্বত্বেও জাতি গঠনমূলক বিভাগ বিলাকক খৰছৰ অৰ্থে ভালদৰে টকা দিয়া হৈছে আৰু গাৱঁলীয়া ৰাইজৰ উন্নতিৰ অৰ্থে নতুন কাম বিলাক লবলৈ চৰকাৰে ইতস্ততঃ কৰা নাই। নতুন কাৰ্য্যৰ তালিকা স্মাৰক লিপিত দিয়া হৈছে। তথাপি ঘগ্ৰাজানৰ (যোৰহাট) ধাৰ ৰদলোৱা, শিলচৰ চহৰ ৰক্ষা কৰা, পাহাৰৰ শিক্ষকক অসমীয়া শিকোৱা, কটন কলেজত মাচুল নিদিয়া ছাত্ৰ সংখ্যা বেচি কৰা, সাহায্য প্ৰাপ্ত কলেজ বিলাকক অধিক সাহায্য দিয়া, শদিয়া ছোৱালী উচচ বিদ্যালয়ত সাহায্য দিয়া, আৰু অনেক নতুন স্কুলক সাহায্য দিয়া, হিন্দী শিক্ষাকেন্দ্ৰ খোলা, জনজাতীয় আৰু পিছ পৰা অঞ্চলত থকা মাধ্যমিক স্কুল কিছুমানক প্ৰাপ্তীয়কৰণ কৰা, কটন কলেজত বৃত্তিৰ সংখ্যা বঢ়োৱা, মৰককচেলেং মাধ্যমিক স্কুল প্ৰাপ্তীয়কৰণ কৰা, নিম্ন প্ৰাইমাৰী স্কুলৰ শিক্ষাপ্ৰাপ্ত শিক্ষক সকলকৰ দৰমহা বঢ়োৱা, সমতল অঞ্চলৰ জনজাতীয় আৰু তপছীলভুক্ত জাতিৰ মাজত আৰম্ভকৰা নিম্ন প্ৰাইমাৰী স্কুল কেতবোৰ প্ৰাপ্তীয়কৰণ কৰা, বাধ্যতামূলক শিক্ষা আৰু বেছি কৰা, কটন কলেজত ছাত্ৰাবাস আৰু বিজ্ঞানাগাৰ সজা, ৰঙিয়াৰ আস্পতালত সাহায্য দিয়া, সাহায্যপ্ৰাপ্ত চিকিৎসালয় আৰু ৩৫ খন বেছি কৰা, ঔষধৰ বেছি দামৰ কাৰণে স্থানীয় নিকায় বোৰক অৰ্থ সাহায্য দিয়া, শিঙিমাৰীত (নগাওঁ) কুষ্ঠৰোগীৰ উপনিবেশ খোলা, বনগাওঁ (যোৰহাট) চিকিৎসালয়ৰ চাৰিখন বিছনাৰে চিকিৎসালয় খোলা, চেৰফাংগুৰি (ধুবুৰী) আস্পাতালত ঘৰ সজা, মককচাং হাইস্কুলৰ ঘৰ সজা, হাফলং হাইস্কুল আৰু মিকিৰ পাহাৰৰ মেৰক মাধ্যমিক স্কুল প্ৰাপ্তিয়কৰণ কৰা, খাচী জয়ন্তীয়া পাহাৰত আৰু এখন ভ্ৰাম্যমান চিকিৎসালয় খোলা, নাজিৰা—বালিঘাটৰ কাৰণে ইঞ্জিন লগোৱা মাৰ নাও কিনা, স্বায়ত্বাশাসিত জিলাবোৰত শিক্ষা প্ৰচাৰৰ কাৰণে অনেক কাৰ্য্যপন্থা হাতত লোৱা, কোকৰাঝাৰ (ধুবুৰী), চিঙলিমাৰী (দৰং), মৰকংচেলেক (আবৰ পাহাৰ), জাগাৰোড (নগাওঁ), বগলাজান (নগাওঁ) নাৰলিংসান (খাচীজয়ন্তীয়া পাহাড়), আছালা (কাছাৰ), ডিফু (মিকিৰ পাহাৰ) আৰু ভাইটাবাৰি (গাৰো পাহাৰ) আদি ঠাইত আস্পতাল খোলা, ১৫ খন নতুন গাওঁ পঞ্চায়ৎ গঠন কৰা, গাৱঁলীয়া যাতায়াত আৰু খোৱা পানীৰ ব্যৱস্থা কৰা আৰু স্বাৱলম্বী প্ৰচেষ্টাৰ কাৰণে দুই লাখ টকা দান দিয়া আদি নতুন আঁচনি বিলাকৰ—বিশেষকৈ মই উল্লেখ কৰিব খোজো। এই এটাইখিনি নতুন কাৰ্য্যই অহা বছৰত ৬৮,৪৩,০০০ টকা খৰছ পেলাব আৰু ইয়াৰ সৰ্ব্বশেষ খৰছ হব বছৰি ৫২,৯০,০০০ টকা।

সদনে আৰু লক্ষ্য কৰিব যে গাৱঁলীয়া ৰাইজৰ উন্নতিমূলক কামত খৰছ কমোৱা দূৰৰ কথা ইমান ঘাটি হবৰ আশঙ্কাতো তেনে খৰছৰ কাৰণে চৰকাৰে আৰু টকাৰ যোগান দিছে। মামুলি প্ৰশাসনৰ খৰছ কমাই জাতি-গঠন মূলক কামত খৰছ বঢ়াবলৈ আমি কেনেকৈ চেষ্টা কৰি আহিছোঁ সেই বিষয়ে বৰ্ত্তমান মাননীয় মুখ্যমন্ত্ৰীয়ে যোৱা বছৰ তেখেতৰ বাজেট বক্তৃতাত বিশদভাবে দেখুৱাইছিল। বৰ্ত্তমানলৈকে তেনে খৰছৰ ধাৰা দেখুৱাবলৈ মই ইয়াৰ পিছতে এখন তালিকা দিছোঁ।

এই খিনিতে আৰু এটা কথা উনুকিওৱা আৱশ্যক। অহা বছৰৰ বাজেট ছাপালৈ যোৱাৰ পিছত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা খবৰ পাইছো যে অহা বছৰ আয়কৰৰ ভাগ হিছাবে আমি আৰু ৭,৫০,০০০ টকা পাব পাৰোঁ। মই আগতে কৈ আহিছো যে ভূমিকম্প আৰু বানপানীয়ে নষ্ট কৰা আলি-পদুলি, ঘৰ আদি মেৰামতি কৰাৰ আধা খৰছ হিচাবে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৪০,০০,০০০ ৰো বেচি টকা পাব পাৰোঁ। গতিকে বাজেট ঘাটিপ্ৰায় ৫০ লাখলৈ কমিব।

| ব্যয়ৰ শিতান | ব্যয় — চিলেটক ধৰি — ১৯৪৪-৪৫ হাজাৰ (২) | শতকৰা হিচাপ (৩) | ব্যয় — চিলেটক বাদ দি — ১৯৪৯-৫০ হাজাৰ (৪) | শতকৰা হিচাপ (৫) | ১৯৫০-৫১ (পুনৰালোচিত) হাজাৰ (৬) | শতকৰা হিচাপ (৭) | ১৯৫১-৫২ (বাজেট) হাজাৰ (৮) | শতকৰা হিচাপ (৯) |
|---|---|---|---|---|---|---|---|---|
| নৌ পৰিবহন, মঠাউৰি আৰু খনন। | ৩,৮৫ | ·৫ | ৯,৪৪ | ·৯ | ৯,০৭ | ·৯ | ৯,০১ | ·৮ |
| সাধাৰণ প্ৰশাসন ... ... | ৪৬,৭১ | ৮·৫ | ৭৩,১৫ | ৭·৩ | ৬৫,৫৭ | ৬·৫ | ৬৯,১৪ | ৬·৫ |
| ন্যায় প্ৰশাসন ... ... | ১৩,৩৬ | ২·৪ | ১২,২৩ | ১·২ | ১৪,৬০ | ১·৪ | ১৪,১১ | ১·৩ |
| কাৰাগাৰ ... ... | ১৩,৩৯ | ২·৪ | ১৮,৯২ | ১·৯ | ১৬,৯৯ | ১·৬ | ১৯,৭৫ | ১·৮ |
| আৰক্ষক (পুলিচ) ... ... | ৪৯,৪৯ | ৯ | ৮০,০২ | ৮ | ৮৮,৩২ | ৮·৮ | ৯৩,০৪ | ৮·৭ |
| শিক্ষা ... ... | ৫০,৬৭ | ৯ | ১,৪৫,৭২ | ১৪·৬ | ১,৫৩,০৩ | ১৫·৩ | ১,৬৯,৭৫ | ১৬ |
| চিকিৎসা ... ... | ১৯,৫৫ | ৩·৫ | ৪১,৩৫ | ৪·২ | ৪০,৬৩ | ৪ | ৫১,১৯ | ৪·৮ |
| কৃষি ... ... ... | ২৬,৪৫ | ৪ | ৩৫,৭৭ | ৩·৬ | ৫৯,৭০ | ৬ | ৫৯,৪৭ | ৫·৬ |
| সমবায় সমিতি ... ... | ২,৮৮ | ·৫ | ৪,৩৯ | ·৫ | ৬,৫৫ | ·৭ | ৭,৯১ | ·৭ |
| গাওঁ উণ্নয়ন ... ... | ৩,৪২ | ·৬ | ১১·৫৭ | ১·২ | ৫,০৯ | ·৫ | ১১,১৫ | ১ |
| পাট আৰু বয়ন শিল্প ... | ...... | ...... | ৫·১৭ | ·৫ | ৫,৮২ | ·৬ | ৭,৭৩ | ৭ |
| অসামৰিক কাম-কাজ ... | ৫৭,৮২ | ১০·৫ | ২,৫৮,৯৮ | ২৬ | ১,৭২,১৭ | ১৭ | ২,২৭,০৭ | ২১ |

মাননীয় সদস্য সকলে দেখিব যে মই ৰাহি হোৱাকৈ বাজেট কৰিবলৈ খুব চেষ্টা কৰিছিলোঁ, কিন্তু সেই চেষ্টা ফলৱতী নহল। কৰ লগাবলৈ বা বঢ়াবলৈ সকলো ক্ষেত্ৰ মই ভালকৈ পৰীক্ষা কৰিছিলোঁ। কিন্তু কৰ লগোৱাৰ থল সকলো শেষ হৈছে। গতিকে মই কোনো নতুন কৰৰ প্ৰস্তাৱ উত্থাপন নকৰোঁ।

আমাৰ দেশ বৰ পিছ পৰা আৰু দুখীয়া। দেশৰ বেছি অঞ্চলতে বিশেষকৈ জনজাতীয় অঞ্চলত জীৱন ধাৰণৰ অৱস্থা অতি পুৰণিকলীয়া আৰু দুখ লগা। এনে এখন দেশৰ সৰ্ব্বাঙ্গীন অৱস্থা স্বাধীন ভাৰতৰ অন্যান্য দেশৰ সমপৰ্য্যায়লৈ আনিবলৈ অজস্ৰ টকা লাগে। সেই টকা আমি আমাৰ দেশৰ পৰা পাব নোৱাৰোঁ। গতিকে আমাৰ উদ্ধাৰৰ অৰ্থে আমি ভাৰত চৰকাৰক ইমান পীড়াপীড়ি কৰিব লগা হৈছে। বিত্তীয় বিষয়ত আমি বহুকাল ধৰি কেন্দ্ৰৰ হাতত সু-বিচাৰ পোৱা নাই। স্বাধীন ভাৰতৰ অন্য দেশৰ সমকক্ষ হৈ চলিবলৈ আমাৰ প্ৰতি অন্ততঃ ন্যায় বিচাৰ কৰিব বুলি মই আশা কৰিলোঁ। দুখীয়া আৰু পিছ পৰি থকাৰ কলঙ্ক আমি গুছাবই লাগিব। বিশেষতঃ সীমান্তৱৰ্ত্তী অৱস্থালৈ লক্ষ্য কৰি ভাৰত চৰকাৰে আমাক সকলো ৰকমে এই বিষয়ত সহায় কৰা আৱশ্যক।

**অধ্যক্ষ ডাঙৰীয়াঃ**—মাননীয় সদস্য সকলৰ ধৈৰ্য্যৰ ওপৰত মই বৰ বেছিকৈ ভৰ দিছোঁ। গতিকে এতিয়া সামৰণি মাৰোঁ; কিন্তু কাৰ্য্যকৰী উপদেশ আৰু দিহা পৰামৰ্শ দিবলৈ মাননীয় সদস্য সকলক আৰু আমাৰ দেশবাসীক অনুৰোধ কৰিবলৈ মই এই সুবিধা লৈছোঁ। দেশৰ সেৱা ভালকৈ কৰিবলৈ সহায় কৰা যেই কোনো উপদেশেই আমি বাঞ্ছা কৰোঁ। আমি ভুল কৰিব পাৰোঁ আৰু দেশৰ মঙ্গলকামী সকলোৰে সহযোগিতা আৰু সদ্ভাৱ আমি প্ৰাৰ্থনা কৰোঁ। দেশত হোৱা সকলো অমঙ্গল আৰু অনীতিৰ কাৰণে চৰকাৰক দোষ দিলে একো লাভ নহয়—এই কথা কোৱাৰ কাৰণে মোক ক্ষমা কৰিব। আমি যি কৰিব পাৰিছোঁ; তাৰ কাৰণে আমি প্ৰশংসা নিবিচাৰোঁ। কিন্তু যি বিলাক অৱস্থা আমাৰ সৃষ্টি নহয় আৰু যিবিলাকৰ ওপৰত আমাৰ কোনো হাত নাই, সেই বিলাকৰ কাৰণে আমাক দোষাৰোপ কৰাটো আমাৰ প্ৰতি ন্যায় বিচাৰ কৰা নহব। যি বিলাক অসুবিধাৰ কাৰণে এটা মানুহ দায়ী নহয় তাৰ কাৰণে তাক দোষ দি থাকিলে সি হাল এৰি দিয়ে আৰু ভাল কাম কৰিবলৈ তাৰ অন্তৰ নোহোৱা হয়। দেশজুৰি হোৱা ভাত-কাপোৰৰ সমস্যা, ৰেল-জাহাজৰ সমস্যা আৰু প্ৰকৃতিক বিপৰ্য্যয়ৰ কাৰণে আমি দায়ী নহয়। ৰাইজৰ নিঃকিন সেৱক হিচাবে এই সমস্যা বোৰৰ বিপক্ষে মাত্ৰ আমি যুজ কৰিব পাৰো আৰু তাৰ সমাধান বিচাৰিব পাৰোঁ। আমি তাকে চিৰকাল কৰি আহিছোঁ। কিন্তু অৰ্থ আৰু আহিলাৰ অভাবে তেনে চেষ্টাৰ সীমা নিৰ্দ্ধাৰণ কৰে। আমি আশা কৰোঁ, আমাৰ দেশৰ ভাই-ভনী সকলৰ শুভ-ইচ্ছা আৰু সহযোগীতাৰে আমি সকলো বিপদত অতিক্ৰম কৰিম। কিন্তু তাকে কৰিবলৈ হলে অনৈক্যই আমাৰ চেষ্টা বন্ধ কৰিব বা কমজোৰী কৰিব নালাগে আৰু বিশৃঙ্খলাই আমাৰ মনোযোগ অন্যফলীয়া কৰিব নালাগে। বিপদৰ সন্মুখত আমি একতাবদ্ধ হৈ থিয় হব লাগে। আমাৰ ভিতৰত যদি কিবা মতানৈক্য আছে তাক আমি শান্তিপূণ ভাবে মিল্ল কৰিব পাৰোঁ, কিন্তু যি কাৰ্য্যই আমাৰ শান্তিপূণ দেশ আৰু শান্তিপ্ৰিয় ৰাইজৰ মাজত ভয় আৰু অশান্তিৰ সৃষ্টি কৰে তেনে কাৰ্য্যৰ দ্বাৰা নহয়। তৰোৱালে জগতত কেতিয়াও কোনো মতানৈক্যৰ মিলন ঘটোৱা নাই আৰু ঘটাব নোৱাৰেও।

খাদ্য পৰিস্থিতিত আমাক সহায় কৰিবলৈ মই পুনৰ বাৰ দেশবাসী সকলক আৰু মাননীয় সদস্য সকলক আবেদন কৰোঁ। আমাৰ দেশৰ মানুহ দয়াশীল আৰু ভগবানক ভয় কৰা প্ৰকৃতিৰ। মোৰ সম্পূণ বিশ্বাস যে খাদ্য সমস্যাৰ ফলাফল তেখেত সকলক ভালকৈ বুজাই দিলে এই সমস্যা সমাধান কৰাৰ চেষ্টাত তেখেত সকলে কোনতকৈ পিছ পৰি নাথাকে। ধান-চাউল জমা কৰি থোৱাৰ ফলত যে বহুত মানুহ মৰিব পাৰে এই কথা বুজি পালে আমাৰ খেতিয়ক সকলে নিজে নাখাইও ধান-চাউল উলিয়াই দিব। দেশবাসীৰ মৃত্যু ঘটাই ধান-চাউল বা টকাৰ দৌলত

বান্ধিবলৈ আমাৰ দেশৰ কোনো খেতিয়কে ইচ্ছা কৰে বুলি মোৰ বিশ্বাস নহয়। আমাৰ গাওঁ বিলাকলৈ গৈ অৱস্থা ভালকৈ বুজাই দি অধিক শস্য উৎপাদন কৰিবলৈ আমাৰ খেতিয়ক সকলক উদগনি দিবলৈ মই এই সদনৰ মাননীয় সদস্য সকলক আৰু সকলো ৰাজনৈতিক আৰু সামাজিক কৰ্ম্মী সকলক অনুৰোধ কৰোঁ।।

তেখেত সকলৰ ইমান বহুমূলীয়া সময় লোৱাৰ বাবে মাননীয় সদস্য সকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। বাজেট প্ৰস্তুত কৰাত অক্লান্ত আৰু আন্তৰিক সহযোগিতাকৰাৰ কাৰণে বিত্তীয় বিভাগৰ সচিব, জনজাতীয় বিভাগৰ সচিব, অসমৰ হিচাব পৰীক্ষক (Comptroller) আৰু এই তিনিও বিভাগৰ কৰ্ম্মচাৰী সকলক মই শলাগ জনাওঁ।

ইমান কম সময়ৰ ভিতৰতে বাজেট আৰু বাজেট সম্পৰ্কীয় সকলো কাগজ-পত্ৰ ছাপা কৰাৰ কাৰণে চৰকাৰী ছাপাখানাৰ অধীক্ষক আৰু কৰ্ম্মচাৰী সকলক মই ধন্যবাদ দিছোঁ।

মাননীয় অধ্যক্ষ ডাঙৰীয়া,

এই খিনি মন্তব্যৰে সদনৰ অনুমোদনৰ কাৰণে ১৯৫১-৫২ চনৰ বাজেট উত্থাপন কৰিব খোজোঁ।

**জয় হিন্দ।**

A.G.P. (Budget) No.36/50—1000—8-3-1951.